# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

৭|৩ সপ্তম বছৰ তৃতীয় সংখ্যা

| বিষয় | পিঠি |
|---|---|
| সম্পাদকৰ চ'ৰা | ১১৩ |
| হৰকোষ ৰচোঁতা | ১২৩ |
| হেমচন্দ্ৰ বৰুৱা | ১২৭ |
| হেমকোষ | ১৩২ |
| কৃষ্ণাবৰ বৰুৱাৰ ~~[illegible]~~ অগাতক্ষ | ১৪৩ |
| নীহাৰিকা | ১৫০ |
| অহংকাৰ | ১৬২ |
| বাটচৰা | ১৬৩ |
| গদ্য-কবিতা | ১৬৬ |

# সম্পাদকৰ চ'ৰা।

## শ্ৰীকৃষ্ণ।

মানুহৰ দ্বাৰাই ঈশ্বৰৰ স্বৰূপৰ চুড়ান্ত ধাৰণাৰ সংজ্ঞা (definition) হৈছে—ঈশ্বৰ সৎ চিৎ আনন্দ। এই সংজ্ঞাৰ ভিতৰত আবদ্ধ ঈশ্বৰৰ ধাৰণাৰ ওপৰে "বুদ্ধি বচন হাৰে।" সৎ শব্দই সৰ্ব্বজগতত,সৰ্ব্বভূতত, বিশ্বব্ৰহ্মাণ্ডত"জলে, স্থলে, অনলে,অনিলে," "ঈশাবাস্য মিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাং জগৎ"(অৰ্থাৎ ঈশ্বৰৰ দ্বাৰাই সমস্ত জগৎ আদ্যোপান্ত আচ্ছাদিত হৈ আছে) আৱৰি থকাটো বুজায়, ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে। ঈশ্বৰ যদি থকাটো হল, তেন্তে তেওঁৰ স্বভাব কি সেইটো নিৰূপণৰ আৱশ্যক হল। সেইটো ঈশ্বৰভক্ত তত্বজ্ঞ সকলৰ দ্বাৰাই, বেদ উপনিষদ আদিৰ দ্বাৰাই নিৰূপিত হল যে তেওঁ চিৎ অৰ্থাৎ জ্ঞানময়, যি জ্ঞানস্বৰূপ ঈশ্বৰৰ কণা মাত্ৰ জীৱসকলে লাভ কৰি জ্ঞানী হৈছে আৰু ঈশ্বৰক আৰু ঈশ্বৰৰ বিকাশ জগতক আংশিকৰূপে জানিবৰ অধিকাৰী হৈছে। কিন্তু ইয়াতো ঈশ্বৰৰ স্বৰূপ সম্পূৰ্ণৰূপে, অৰ্থাৎ আমি মানুহে ধাৰণা কৰি বুজি সুখ লভিবৰ নিমিত্তে প্ৰকাশ নাপালে। সেইদেখি তেওঁৰ ধাৰণাৰ বিষয়ে আমি আৰু আগবাঢ়িব লগীয়া হলোঁহঁক। আগবাঢ়ি আমি পালোঁহঁক যে ঈশ্বৰ যে আছে অকল সেয়ে নহয়. তেওঁ যে জ্ঞানময় অকল সেয়ে নহয়, তেওঁ আনন্দময়ো। "ৰসো বৈ সঃ।" তেওঁ আনন্দময় নহলে ৰসময় নহলে, তেওঁৰ সৃষ্ট জগতত ইমান আনন্দ ইমান ৰস কৰপৰা হল? নহলে আমি যে সকলো শুকান কাঠ বা শিল একোডোখৰৰ নিচিনা হৈ এক পলকতে মৰি যাম। "আনন্দাদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰয়ন্ত্যভি সংবিশন্তি। আনন্দং ব্ৰহ্মনোবিদ্বান্ ন বিভেতি কুতশ্চন। ৰসং হ্যেবায় লব্ধানন্দী-ভৱতি।" ইয়াৰ মানে—আনন্দস্বৰূপ পৰব্ৰহ্মৰপৰা এই ভূতসকল উৎপন্ন

হয়, উৎপন্ন হৈ আনন্দস্বৰূপ ব্ৰহ্মৰ দ্বাৰাই জীৱিত থাকে, আৰু প্ৰলয়কালত আনন্দস্বৰূপ ব্ৰহ্মত প্ৰৱেশ কৰে। সেই পৰব্ৰহ্মৰ আনন্দ যি জানিছে, তেওঁ আৰু কাৰোপৰা ভয় নাপায়। সেই ঈশ্বৰ ৰসস্বৰূপ, সেই ৰসস্বৰূপ পৰব্ৰহ্মক লাভ কৰি জীৱ আনন্দিত হয়। "কোহ্যেবান্যাৎ কঃ প্ৰাণাৎ। যদেষ আকাশ আনন্দোনস্যাৎ। এষহ্যেবানন্দয়তি।" অৰ্থাৎ কোনেৰা জীয়াই থাকিলহেঁতেন যদি আকাশত এই আনন্দস্বৰূপ পৰমাত্মা নাথাকিলহেঁতেন। এই পৰমাত্মাই সকলোকে আনন্দ বিতৰণ কৰিছে।

আমি সকলো এই আনন্দতে আছোঁ, কিন্তু তাৰ ভিতৰতে আমি আৰু বিশেষ প্ৰকাৰে আনন্দ বিচাৰোঁ। কিয়? বিশেষকৈ আনন্দ বিচাৰি আমি আনন্দ-বজাৰলৈ আনন্দ-মেলালৈ যাওঁ কিয়? বিশেষৰূপে আনন্দ-বজাৰ আনন্দ-মেলা পাতি লওঁ কিয়? বিশ্বময় জগৎ-যন্ত্ৰত তো আনন্দ-বীণা বাজিব লাগিছে, আনন্দ-সঙ্গীতধ্বনি উঠিব লাগিছে, তথাপি আমি নিজে বীণ বাই, নিজে সঙ্গীত গাই, আৰু আনে বীণ বজোৱা, গীত গোৱা শুনিবলৈ আগ্ৰহ কৰি বিশেষ আনন্দ উপভোগ কৰোঁ কিয়? ইয়াৰ মানে এই যাথোন যে ব্যাপ্ত সঙ্গীতৰপৰা বিশেষ সঙ্গীতক আকৰ্ষণ কৰি গোটাই নললে আমাৰ পূৰ্ণ উপভোগ হোৱা যেন নালাগে। বায়ু সকলো ঠাইতে ব্যাপ্ত হৈ আছে, আমি সেই বায়ুৰ দ্বাৰাই জীৱন ধাৰণ কৰি আছোঁ; কিন্তু তাৰ ভিতৰতে আমি বিচনী পাখাৰে বতাহ বলাই আনি বিশেষ তৃপ্তি উপভোগ কৰোঁ। ইয়াৰ দ্বাৰাই এইটো বুজা নাযায় নে যে কোনো এক পদাৰ্থৰ যদিও আমি আনন্দৰূপত মজি প্ৰাণ ধাৰণ কৰি আছোঁ, তথাপি সেই বস্তুক বিশেষ তৃপ্তি আৰু বিশেষকৈ উপভোগ কৰিবলৈ হলে আমি তাক সেই ব্যাপ্তাৱস্থাৰূপ সমুদ্ৰৰপৰা মথি আকৰ্ষণ কৰি সুকীয়াকৈ ধন্বন্তৰীৰ অমৃতৰ কলহত ভৰাই লব লাগিব, নতুবা সি আমাৰ মন আৰু আত্মাৰ বিশেষ তৃপ্তিদায়ক হৈ আমাক অমৰত্ব প্ৰদান নকৰে। সচ্চিদানন্দ ঈশ্বৰক সেইদেখি আমি আমাৰ দৈনিক জীৱনত উপভোগৰ বস্তু কৰি লবলৈ হলে, বিশ্বব্ৰহ্মাণ্ড ব্যাপ্ত তেওঁক আমাৰ উপভোগ্য কৰি আকৰ্ষণ কৰি আনি আমাৰ জীৱনৰ সকলো অৱস্থাতে সকলো প্ৰকাৰে পাব পৰা কৰিব লাগিব; নতুবা আমাৰ সম্পূৰ্ণ তৃপ্তি কত? আমাৰ চকুৰে, মনেৰে, চিত্তেৰে, কল্পনাৰে, বাক্যেৰে, প্ৰেমেৰে,



ভক্তিৰে পাব পৰা, আৰু পাই তেৰেঁই দিয়া আমাৰ জ্ঞানেন্দ্ৰিয় আৰু কৰ্ম্মেন্দ্ৰিয় চৰিতাৰ্থ হবৰ নিমিত্তে, এই বিশ্বব্ৰহ্মাণ্ড ব্যাপ্ত ঈশ্বৰৰপৰা আকৃষ্ট— সুমধুৰ মূৰ্ত্তি, ভকতৰঞ্জন, মদনমোহন, "হাস্যদৰিশন, কমললোচন, বংশীবদন" এই শ্ৰীকৃষ্ণ মূৰ্ত্তি। শ্ৰীমদ্ভাগৱতকাৰ কবি-দাৰ্শনিক-ভক্তই তেওঁৰ ভক্তিৰূপ মথনিৰে মথি উলিয়ালে এই মূৰ্ত্তি, এই সুমধুৰ নন্দদুলাল, যশোদানন্দবৰ্দ্ধক, গোপিনীমোহন, শ্ৰীদাম-সুদাম-সুবল-বলৰামবৎসল, গোকুলৰ গাই বৎসৰ প্ৰিয়, বৃন্দাবনচন্দ্ৰ এই মধুৰতো সুমধুৰ কৃষ্ণমূৰ্ত্তি। এই প্ৰেমৰ ধাৰ, ৰসৰ সোত কৃষ্ণ, দৰ্শন আৰু কাব্যৰ সম্মিলিত সমন্বয়স্বৰূপ ঈশ্বৰৰ পূৰ্ণ অৱতাৰ। এই বাবেই ভাগৱত বেদ বেদান্তৰ সাৰ; শ্ৰীকৃষ্ণ নিগম-কল্পতৰু-বিগলিত ফল। তত্বজ্ঞ দাৰ্শনিক-কবি ভকতে এই কৃষ্ণক আকৰ্ষণ কৰি অৱতাৰ ধৰাইছে, আৰু এই কৃষ্ণই ভকতসকলক সৰ্ব্বতোভাৱে আকৰ্ষণ কৰি তেওঁত ৰমণ কৰাইছে। উপনিষদে "ৰসো বৈ সঃ" বুলি যি ঈশ্বৰৰ গুণৰ বৰ্ণনা কৰিছে, সেই ৰসে কৃষ্ণত মূৰ্ত্তি পৰিগ্ৰহ কৰি সমূৰ্ত্তক হৈছে। প্ৰথমতে চোৱাঁ, কৃষ্ণৰ মূৰ্ত্তিটি। তেওঁৰ বৰণ ধেলুধেলীয়া বগা নহয়, কলা নহয়, তেওঁৰ বৰণ নবদূৰ্ব্বাদল শ্যাম। বাৰিষা নকৈ গজা দুবৰিবনৰ কেঁওটিহঁত আৰু পাতটিহঁত একে ঠাইতে থুপখাই আছে, দূৰৰপৰা সেই দূৰ্ব্বাদল চাই পঠিয়াঁ, তোমাৰ চকুত তাৰ এটা কেনে collective refreshing মনোমুগ্ধকৰ কমনীয় সৌন্দৰ্য্য পৰিব, সেই সৌন্দৰ্য্যই ৰূপ ধৰি শ্ৰীকৃষ্ণৰ শৰীৰত বিৰাজ কৰিছে। হে কবি! হে ভক্ত! হে তত্বজ্ঞ! বৰণৰ কবিত্বৰ কি মন-মোহা মূৰ্ত্তি চোৱাঁ। কৃষ্ণৰ বৰণ সৰ্ব্বসাধাৰণে যি কলা বুলি মনত ভুল ধাৰণা কৰি লৈছে, তেনে কলা নহয়; তেওঁৰ বৰণ শ্যাম, যাৰ ফালে দূৰদূৰান্তৰপৰা অলপ মুখ কৰিব পৰা শবদ আমাৰ ভাষাত—"শাওঁৰৰণীয়া।" শাওঁৰৰণীয়া মানে কলা যে নহয়, এইটো লৰা এটাইও জানে। সমুদ্ৰৰ পানী দূৰৰপৰা নীল অথবা শ্যামবৰ্ণ দেখি। কিন্তু সি যে আচলতে নীল বৰণীয়া অথবা শাওঁৰৰণীয়া নহয় এইটো সকলোৱেই জানে। অগাধ সমুদ্ৰৰ বৰণ নাই, অথচ তাক দূৰৰপৰা সুন্দৰ নীলবৰণীয়া দেখি। শ্ৰীকৃষ্ণৰো বৰণ নাই, তেওঁ বগাও নহয়, কলাও নহয়, হালধীয়াও নহয়, ৰঙাও নহয়—(ঈশ্বৰৰ কি বৰণ হব পাৰে?) অথচ তেওঁক আমাৰ চৰ্ম্মচক্ষুৰে সুন্দৰ শ্যামবৰ্ণ যেন

দেখে। অপাৰ অগাঢ় আৰু সুন্দৰ বৰণীয়া নীল সমুদ্ৰই অপাৰ, অগাঢ় আৰু সুন্দৰ শ্যামবৰ্ণ ঈশ্বৰ কৃষ্ণৰ ৰূপৰ আভাস দিয়ে মাথোন। আমাৰ চকুৰে অনন্ত আকাশ সুনীল মনোমুগ্ধকৰ দেখে কিন্তু আকাশৰ কি বৰণ আছে, আকাশ প্ৰকৃততে বৰ্ণহীন। সেইদৰে অনন্ত ঈশ্বৰ কৃষ্ণও ভক্তৰ চকুত সুশ্যাম মনোমুগ্ধকৰ প্ৰতিভাত হয়, কিন্তু প্ৰকৃততে সেইটো তেওঁ বৰ্ণহীন হোৱা-টোৰ হে চিনাকী। বিশ্বব্ৰহ্মাণ্ড ভক্তি-মথনিৰে মথি ঈশ্বৰৰ যিটি ৰূপ শ্ৰীমদ্ভাগৱ-তৰ দাৰ্শনিক-ভক্ত-কবিয়ে তাৰপৰা আকৰ্ষণ কৰি উলিয়ালে বা তেওঁৰ আগৰ দাৰ্শনিক ভক্তকবিসকলে উলিয়ালে, আৰু ঈশ্বৰ ভক্তৰ আকৰ্ষণত আকৃষ্ট হৈ ৰূপ ধৰি ওলাল, সেই কৃষ্ণৰূপত এই বৰণ দিয়াটো তেওঁলোকৰেইহে উপযুক্ত কাৰ্য্য আৰু এই বৰণ বা বৰণশূন্যতা ঈশ্বৰৰহে উপযুক্ত লক্ষণ। কি appropreate মিল! হে ভাগৱত ভক্ত তত্বজ্ঞ কবি! তোমাৰ চৰণৰ এটি ধূলি কণা এই দীন হীনৰ মূৰত দি তাৰ জনম সাফল কৰা।

ঈশ্বৰৰ কৃষ্ণ মুৰ্ত্তিৰ হস্ত পদ গ্ৰীৱা চক্ষু কেশ আদিৰ বঙ্কিম সুঠামৰ সৌন্দৰ্য্যৰ gracefulness কমনীয়তাৰ বিষয়ে ইয়াকে কলেই হব, যে সেই-বোৰ কবিতাৰহে একো একোটি মূৰ্ত্তি পৰগ্ৰহ। তেওঁৰ আভৰণ ডিঙিত হীৰা মুকুতাৰ মণি নহয়, পৰিধানত কিংখাপ চেলি নহয়, মূৰত হীৰা মৰকতৰ কাম কৰা সোণৰ মুকুট নহয়,—তেওঁৰ ডিঙিত বনফুলৰ মলা, মূৰত মৰাৰ স্বভাৱসুন্দৰ বিচিত্ৰ পাখি, পৰিধানত সূৰ্য্যৰ হালধীয়া উজ্জল ৰশ্মিকণাৰ নিচিনা পীতবস্ত্ৰ। জগতৰ মালিকৰ গাত এইবোৰ স্বভাৱজাত আভৰণ, বসণ ভূষণ কি সুন্দৰ! কি appropriate! কি মিল! হে তত্বজ্ঞ দাৰ্শনিক কবি, তোমাৰ তত্বজ্ঞান আৰু সৌন্দৰ্য্যবোধৰ তুলনা এই জগতত নাই। শ্ৰীকৃষ্ণই পশু পক্ষী মানুহ ভক্তৰ অন্তৰত প্ৰবেশ কৰি তেওঁলোকৰ ৰসৰূপী অন্তৰাত্মাক জগাই তুলি তেওঁৰ ফালে টানি অনিবলৈ তেওঁৰ হাতত স্বভাৱজাত কি যন্ত্ৰটি চোৱা,—এটি বাঁহী। সি সোণৰ নহয়, ভাত বাথৰ পতোৱা নহয়, সি সাধাৰণ বাহৰ বেণু এটি, মুৰুলী এটি। সেই বেণুটিৰ মাত শুনি, সেই বাঁহীটিৰ সুৰ "কাণৰ ভিতৰ দিয়া মৰমে পশিলে" মানুহ যে আকুল হয়েই, ব্ৰজৰ তৃণ তৰু পশু পক্ষী গাই বৎস পৰ্য্যন্ত চিত্ৰৰ পুতলিৰ নিচিনা স্তব্ধ হৈ ৰয়; যমুনা সেই বাঁহীৰ সুমধুৰ সুৰত উজাই বয়। জড়-জগত আৰু



চৈতন্য-জগতৰ কি অবিচ্ছিন্ন সম্বন্ধ-সূত্ৰ এই ঈশ্বৰ শ্ৰীকৃষ্ণ! জড় চেতন সকলোতে পৰিব্যাপ্ত অনুপ্ৰবিষ্ট ঈশ্বৰৰ তত্বৰ কি প্ৰগাঢ় ব্যাখ্যান এই শ্ৰীকৃষ্ণ লীলাত। হে শ্ৰীমদ্ভাগৱত! হে নাৰদ! হে ব্যাস! হে শুকদেৱ! তোমা-লোকে নিশ্চয় অচিন্ত্য অব্যক্ত অভেদ্য নিৰ্গুণ পৰমব্ৰহ্ম ঈশ্বৰক তত্বজ্ঞান আৰু ঐকান্তিক ভক্তিৰে আকৰ্ষণ কৰি সগুণ কৰি ৰসৰ মূৰ্ত্তি পৰিগ্ৰহ কৰাই কৃষ্ণ অৱতাৰ নিশ্চয় নিশ্চয় ধৰাই জীৱক ঈশ্বৰ প্ৰাপ্তিৰ সুবিধা কৰি পৰম উপকাৰ সাধিলা! তোমালোকৰ চৰণৰ ৰেণু এই ভিক্ষুকৰ মূৰত কৃপা কৰি দিয়া!

ঈশ্বৰক ধ্যান কৰোতা যোগীসকলে ঈশ্বৰৰ প্ৰভাৱ আৰু শক্তিৰ মানস-মূৰ্ত্তিক কিছুকালৰ নিমিত্তে,—কিছুকালকে বা বুলিছোঁ কিয়?—চকামকাকৈ পালে আৰু পায়। কিন্তু কৃষ্ণভক্তসকলে তেওঁক অনবৰত অনবচ্ছিন্নৰূপে পিতৃভাৱে, মাতৃভাৱে, প্ৰভুভাৱে, প্ৰণয়ীভাৱে পাই নিজৰ জীৱন চৰিতাৰ্থ কৰিলে আৰু কৰে। নন্দ যশোদাই কৃষ্ণক পুত্ৰভাৱে, শ্ৰীদাম সুদাম সুবল উদ্ধৱ অৰ্জ্জুনে সখা ভাৱে পালে, গোপী সকলে প্ৰেমৰ পাত্ৰ প্ৰণয়ী ভাৱে পালে, অক্ৰুৰ বিদুৰে দাস ভাৱে পালে। এওঁলোকে যি যি যিভাৱে ঈশ্বৰ কৃষ্ণক পাইছিল, সেই সেই ভাৱে ভজনা কৰোঁতা ভক্তইও তেওঁক সেই সেই ভাৱেই পাব লাগিছে আৰু পাইয়েই থাকিব। বৃন্দাবনৰ লীলা নিত্য লীলা, অক্ষয় অব্যয়। তোমাৰ ঘৰো বৃন্দা-বন হয়, তোমাৰ ঘৰতো সেই কৃষ্ণভক্তিলীলা বাৎসল্য, মধুৰ, দাস্য, সখ্য ভাৱৰ লীলা নিতৌ হব, যদি তুমি সেইদৰে ঈশ্বৰক একান্ত মনে ভজনা আৰু ভাৱনা কৰিব পাৰা। আৰু নোৱাৰিবৰো কোনো কাৰণ নাই, কাৰণ যদি তুমি sincere হোৱা, বিশ্বাসী হোৱা, আৰু তত্বদৰ্শী হোৱা, তেনেহলে ই অতি উজু। ঈশ্বৰে কলিৰ লোকসকলৰ প্ৰতি কৃপা কৰি এনে উজু বাট উলিয়াই দিছে, কাৰণ তেওঁ দয়ালু, তেওঁ আমাৰ পিতা। কলিত তেওঁক লাভ কৰি-বৰ এই বাট কঠোৰ তপস্যা ব্ৰত যজ্ঞ যাগ ধ্যান সমাধিৰ বাটৰ নিচিনা দুৰূহ নহয়; ঈশ্বৰ লাভৰ বাট আমাৰ নিমিত্তে দয়ালু ঈশ্বৰে কৃষ্ণাৱতাৰ ধৰি এনে সুগম সহজ কৰি দিছে দেখিহে, কঠিন আৰু দুৰ্গম প্ৰণালীয়েদি অশেষ পৰিশ্ৰম কৰি ঈশ্বৰ লাভৰ বাটত আগবাঢ়োতা উন্নত অৱস্থাপ্ৰাপ্ত জীৱদেৱতা-সকলে এই কলিত জনম লবলৈ হেপাহ কৰি মৰে—"সত্যাদিৰ লোকে,

কলিত জনম, বাঞ্ছা কৰে নিৰন্তৰ। হৰি গুণ গায়া, নিশ্চয় কলিত, হৈবে নাৰায়ণপৰ ॥" "কলিৰ লোকক, পৰম কৃপালু, কৃষ্ণে কৰিলেক দয়া। মোৰ গুণ নাম, গায়া মহা সুখে, তৰোক দুস্তৰ মায়া ॥" কাৰণ তেওঁ আমাৰ ক্ষুদ্ৰ ক্ষমতাৰ বিষয়ে সকলো জানে। পুত্ৰ কৃষ্ণৰ প্ৰতি যাশোদাৰ বাৎসল্য ভাব চূড়ান্ত ideal ভাব। গোপীসকলৰ ঈশ্বৰ কৃষ্ণৰ প্ৰতি প্ৰেম ভাবত বাধা নাই, বিঘিনি নাই, hesitation নাই, লোকলজ্জা গঞ্জনাৰ ভয় নাই,—ঈশ্বৰত প্ৰণয়ীভাৱে তেওঁলোকৰ সম্পূৰ্ণ আত্মসমৰ্পণ। এই মধুৰ ভাবত পাৰ্থিবতাৰ কল্মষ নাই। ঈশ্বৰক জীৱনৰ in all its relations সকলো সম্বন্ধতে এনেকৈ সাক্ষাত ভাবে পাবৰ আৰু উপভোগ কৰিবৰ নিমিত্তে ঈশ্বৰৰ কৃষ্ণconception ধাৰণাৰ বাহিৰে এনে সৰ্ব্বতোমুখী ধাৰণা আৰু এই পৃথিৱীত কোন জাতিৰ কোন ধৰ্ম্মপ্ৰতিপাদক শাস্ত্ৰত কোন ধৰ্ম্মশাস্ত্ৰত আছে? তেওঁ ৰুক্মিণী সত্যভামাৰ ideal husband আদৰ্শ স্বামী, পাণ্ডৱৰ আদৰ্শ বন্ধু আৰু পৰামৰ্শ দাতা, বিপদত ত্ৰাতা, মধ্যম পাণ্ডৱৰ আদৰ্শ সখা। পৃথিৱীত আন আন ধৰ্ম্মত ঈশ্বৰৰ যি যি conception ধাৰণা আছে, কোনোটোত ঈশ্বৰ মাথোন পিতৃভাবে, কোনোটোত মাথোন মাতৃভাবে. কোনোটোত মাথোন প্ৰভু-ভাবে, কোনোটোত মাথোন এক ধ্যানৰ বস্তুভাবে বিৰাজমান। কিন্তু কৃষ্ণৰ conception-অত ঈশ্বৰ মনুষ্য জীৱনৰ সকলো সম্বন্ধত সৰ্ব্বতোভাৱে বিদ্যমান। এইবাবেই কৃষ্ণ অৱতাৰ ঈশ্বৰৰ পূৰ্ণাৱতাৰ। এইবাবেই কৃষ্ণ নিগম-নিগূঢ় বিত্ত, বেদ উপনিষদ ৰামায়ণ ভাৰতৰ সাৰ।

কৃষ্ণ-লীলাত কৃষ্ণক বাৎসল্য ৰসত তাৰ উৎকৃষ্ট সকলো প্ৰকাৰে দেখিবা মধুৰ প্ৰেমৰসত তাৰ সকলোপিনে সকলো অৱস্থাত উৎকৃষ্ট দেখিবা, সখ্য, দাস্য, প্ৰভু, প্ৰেমিক, গৃহস্থী, বীৰ, যোদ্ধা, সন্তক পালনকাৰী, দুষ্টক দমনকাৰী, ন্যায় প্ৰতিষ্ঠাকাৰী ইত্যাদি aspect অৱস্থাত তেওঁক চূড়ান্ত ideal আদৰ্শ-ৰূপে দেখিবলৈ পাবা। এনেকৈ সৰ্ব্বতোভাৱে সৰ্ব্বতোমুখী কৰি এই পৃথিৱীত ঈশ্বৰৰ ধাৰণা আৰু উপভোগ কৃষ্ণভক্তসকলৰ বাহিৰে কোনে দেখুৱাইছে, কোনে কৰিছে আমি নাজানো। যশোদাৰে সৈতে কৃষ্ণই কৰা মাক পুতেকৰ লীলাৰ কথা পঢ়িলে বা শুনিলে ঠিক সকলোৰে মনত হব যেন সেই লীলা তেওঁলোকে চকুৰ আগতে নিজৰ ঘৰতে দেখিছে।



বাৎসল্য ৰসৰ লীলা চূড়ান্তৰূপে ideal ৰকমে অথচ সকলোৰে দৈনিক জীৱনত উপভোগ কৰিব পৰাকৈ কৰি কৃষ্ণলীলাত দেখুৱা হৈছে। লগৰীয়া বালকসকলেৰে প্ৰকৃতিৰ কাম্যকানন কৰিস্থৰ লীলাভূমি বৃন্দাবনত, জন্তুৰ ভিতৰত সৰ্ব্বতোভাৱে মানুহৰ লগতিয়াল গাই আৰু গৰুৰ পোৱালিবোৰ লৈ বালক কৃষ্ণই কৰা যি ধেমালি যি খেলাৰ বিবৰণ আছে, বৃন্দাবনৰূপী backgronnd-অত পটত এনে মোহন চিত্ৰ সুন্দৰ আৰু ideal কৰি আন কত অঁকা আছে? প্ৰেমিকাৰ ideal প্ৰেমিক, অথচ প্ৰেমিকাৰ পাৰ্থিব প্ৰেমৰ অংশতে সম্পূৰ্ণ নিমজ্জিত নহৈ প্ৰকৃত আপোনাক ওপৰত আৰু আঁতৰত ৰাখি, অথচ পাৰ্থিব প্ৰণয়-প্ৰণয়িণীৰ প্ৰেমৰ সম্পূৰ্ণ অভিনয় কৰিও, যে এই পৃথিৱীত পাৰ্থিব প্ৰেমৰ আকাঙ্ক্ষা পৰিপূৰিত নহয়—যেতিয়ালৈকে সেই প্ৰেম নিজৰ প্ৰবৃত্তি পৰিচালনাজনিত সুখৰ স্বাৰ্থভাবৰ এক কণিকামানো মনত নাৰাখি প্ৰকৃত প্ৰেমৰ পাত্ৰ পৰমাত্মাত অৰ্পিত নহয়, আৰু সেই সম্পূৰ্ণ অৰ্পণা যথাসাধ্য সম্পূৰ্ণ চৰিতাৰ্থতাৰ চেষ্টা বা কাৰ্য্যত নহৈ, সংযম আৰু বিৰহ-অগ্নিত শতবাৰ পুৰি নিৰ্ম্মল আৰু পৰিশোধিত হৈ সংযত অৱস্থাত হে যে হয়, এই গভীৰ তত্ত্ব শিক্ষাৰ মাধুৰ্য্য ৰসবিপ্লুত চিত্ৰ এই পৃথিৱীত আন কোন চিত্ৰকৰে কৰিব পাৰিছে কোৱা? এই লীলাতত্ত্বৰ প্ৰকৃত নিগূঢ় মৰ্ম্ম নুবুজি শিক্ষিতা-ভিমানীসকলে তাত grossness আৰু revolting nature-অৰ ভাব দেখি-বলৈ গৈ নিজৰ তত্ত্বজ্ঞানৰ অভাৱ আৰু পল্লবগ্ৰাহিতাৰ হে চিনাকী দিয়ে। তেওঁলোকে নিজৰ কেঁচা judgement বিচাৰ আৰু সিদ্ধান্ত স্থগিত ৰাখি, তত্ত্বজিজ্ঞাসু হৈ এই বিষয়ৰ গূঢ় তাৎপৰ্য্য জ্ঞাত হবলৈ চেষ্টা কৰিলে আমাৰ বিশ্বাস নিশ্চয় তেওঁলোকে শেহত নিজৰ অবিমিশ্ৰকাৰিতা দেখি সঙ্কুচিত হব। তেওঁলোকে জানিব যে শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ ৰাসলীলা যি দাৰ্শনিক কবি ভক্তৰ বৰ্ণনাৰ বস্তু সেই মহাপ্ৰাজ্ঞ মহাভক্তসকল অজ্ঞানী আৰু নীতি-শূন্য মনুষ্য নাছিল, আৰু নিজৰ জীৱনতো তেওঁলোকে নীতি সদাচাৰ আৰু সংযমৰ চূড়ান্ত দৃষ্টান্ত দেখুৱাই গৈছে। তেন্তে আজি তোমাৰ মনত নীতি বিৰুদ্ধ যেন লগা কৃষ্ণৰ ৰাসলীলা তেওঁলোকৰ মনত নালাগিছিল কিয়? হে শিক্ষিতাভিমানীসকল! ঈশ্বৰ তত্ত্বজ্ঞান, সাংসাৰিক তত্ত্বজ্ঞান, মনস্তত্ত্ব জ্ঞান, নীতিতত্ত্বজ্ঞান ইত্যাদি বিষয়ত তোমালোকৰ জ্ঞানেৰে সৈতে সেই

সেই মনীষি তত্ত্বজ্ঞানী দাৰ্শনিক মহাপুৰুষসকলৰ জ্ঞান বিজাই চোৱাঁ, তাৰ পিছত তোমালোকৰ সিদ্ধান্তৰ ফালে আগবাঢ়িবা। Don't be hasty উতনুৱা নহবা, তত্ত্বজ্ঞান-সমুদ্ৰৰ কাষহে তোমালোক পাইছাছি।

আজিকালি আদিৰসসম্বলিত কাব্য আৰু অৰ্য্যক দোষাবহ বুলি আমি ভাবিবলৈ শিকিছোঁ। কিন্তু আগৰ কালৰ প্ৰকৃত কবি-দাৰ্শনিকসকলে তেনে কেতিয়াও ভবা নাছিল ; কাৰণ তেওঁলোক তত্ত্বজ্ঞ সূক্ষ্মদৰ্শী আছিল। সৃষ্ট জগতৰ আদিত পুৰুষ প্ৰকৃতিৰ বিকাশ। যি দাৰ্শনিক কবিৰ লেখাত এই আদি তত্ত্বৰ আদি লীলাত ভাবোচ্ছাসৰ সোঁত নবলে সেই কবিৰ সেই ৰচনাই নিষ্ফল। এই বাবেই ভাৰতবৰ্ষৰ তত্ত্বজ্ঞ কবিসকলে প্ৰথমতে আদি ৰসৰ লীলাতত্ত্ব বৰ্ণনা কৰিছিল। স্বভাৱৰ জ্ঞান বিৰহিত ওপৰ-চকুৱাসকলেহে ইয়াত দোষ দেখে ; বাস্তবিক দোষ ধৰিবলৈ ইয়াত একোকে নাই। ভাব আৰু তত্ত্ব আলোচনা কৰিলেই দেখি, কবি আৰু কবিতাৰ গুৰি কত? পুৰণি প্ৰকৃত কবিসকল বাস্তৱতে তত্ত্বজ্ঞানী আছিল। ভাৰতৰ কথাকে নালাগে, বিলাতৰ কবি সেক্সপিয়েৰকো এই গভীৰ তত্ত্বজ্ঞানে হে তেওঁক কবিসকলৰ আগশাৰীত বহুৱাই থৈছে। ভাবৰ মূল জ্ঞান, সেই জ্ঞান অৰ্থাৎ তত্ত্বজ্ঞান লাভ কৰিব পাৰিলেহে প্ৰকৃত কবিৰ আসন পাব পাৰি। অকল ভাবতে উন্মত্ত কবিৰ দৃষ্টি সম্পূৰ্ণ নহয়। কবি তত্ত্বজ্ঞ দাৰ্শনিক হলেহে তেওঁৰ দৃষ্টিয়ে সম্পূৰ্ণতা লাভ কৰে। দাৰ্শনিকে সকলো বস্তুকে পৰিপূৰ্ণভাৱে চাব খোজে ; সেইদেখি অকল ভাবতে চৰি ফুৰা কবিৰ কল্পনা দাৰ্শনিকৰ হাতত সম্পূৰ্ণতা প্ৰাপ্ত হয়। অকল বাহিৰৰ ৰূপ বা বহিৰঙ্গকে লৈ যি কবিয়ে কাল কটায়, বিচক্ষণ সূক্ষ্মদৰ্শীসকলে তেওঁক প্ৰকৃত কবি নোবোলে। কবিত্বৰ শেষ—তান লয়যুক্ত তত্ত্বময় মহাছন্দ। প্ৰকৃতিৰ যিমান অন্তৰত কবি প্ৰবেশ কৰিব, সিমান তেওঁ তত্ত্বজ্ঞ হৈ প্ৰকৃত কবি নামৰ উপযুক্ত হব। বস্তু এৰি বস্তুৰ ভাবত নিমগ্ন হৈ যি কবিয়ে সমতা লাভ কৰে সেই কবিহে প্ৰকৃত কবি প্ৰকৃত তত্ত্বজ্ঞ। সমতাৰ মূলত অকল ভাব থাকিলেই নহয়, তত্ত্বজ্ঞান থাকিব লাগিব। জগতৰ সকলো সৃষ্ট বস্তুৰেই দুফাল আছে,—এটি বাহিৰৰ ফাল, এটি ভিতৰৰ ফাল। ভিতৰৰ ফালেই আন্তৰিক। অনেক কবিৰ ভাবৰ চকু অন্তৰলৈ নযায় বাহিৰতে মত্ত হৈ থাকি বস্তুৰ বস্তুত্ব এৰি দি ৰূপজমোহত মুগ্ধ হৈ থাকে ; আৰু অনেকে ইয়াকে মাথোন কবিত্ব বুলি ভাবি ভুলত পৰে। আন্তৰিকতাবিহীন বাহ্যিকতাপ্ৰৱণ কবিতা প্ৰকৃত কবিতা হব নোৱাৰে, তেনে কবিতা পানীৰ ওপৰৰ ঢৌৰ নিচিনা,এই জগতত থন্তেক থাকি চিৰকাললৈ মাৰ যায়। আগৰ কালৰ কবিসকল তত্ত্বজ্ঞ আছিল দেখি তেওঁলোকৰ কবিতা আৰু কাব্য জগতত অমৰ হৈ চিৰদিন চিত্তবিনোদক চিৰসৌন্দৰ্য্যযুক্ত হৈ আছে। আজিকালি উপকৰা ৰূপবিহ্বল কবিৰ কবিতাৰ থন্তেকীয়া প্ৰভা পপীয়াতৰাৰ পোহৰৰ নিচিনা থন্তেক থাকিয়েই নাইকিয়া হয় এই নিমিত্তেই। ভাগৱতৰ কবি তত্ত্বজ্ঞ দাৰ্শনিক আছিল। তেওঁ অন্তৰঙ্গ বহিৰঙ্গ সাধনাত সমতা লাভ কৰিছিল দেখি তেওঁৰ কল্পনা তেওঁৰ দৃষ্টি পূৰ্ণ, প্ৰকৃত প্ৰগাঢ় আৰু সৰ্ব্বাঙ্গসুন্দৰ। তত্ত্বই প্ৰকৃতিৰ শেষ কথা। এই তত্ত্বজ্ঞানত ভাবৰ পৰিণতি আৰু প্ৰকৃত পৰিপুষ্টি। জৰ্ম্মাণ কবি poet-philosopher Goethe গেটে এই বাবেই প্ৰকৃত দাৰ্শনিক কবি, আৰু এই বাবেই তেওঁৰ আসন অতি ওখত। এই বাবেই তত্ত্বজ্ঞ কবি সেক্সপিয়েৰ আৰু কালিদাসৰ আসন জগতত শ্ৰেষ্ঠ। তেওঁলোকৰ আদিৰসসম্বলিত নিগূঢ় দাৰ্শনিক তত্ত্বালোচনাৰ ওপৰত আমি তৃতীয় শ্ৰেণীৰ সমালোচকসকলে যিমানকে আমাৰ silly সমালোচনাৰ ডাবৰ পেলাওঁ, তেওঁলোকক সেই ডাবৰে বাস্তৱিকতে ঢাকিব নোৱাৰে, তত্ত্বজ্ঞানৰ প্ৰচাৰত, সূক্ষ্ম জ্ঞানৰ পোহৰত সেই ডাবৰ আজি নহয় কাইলৈ নিশ্চয় উৰি যাব।

এই কৃষ্ণ যেনে মাধুৰ্য্য ৰসলীলাত চূড়ান্ত উৎকৃষ্ট, তেনে তেওঁ ভক্তবাৎসল্যতাতও। বনত দুৰ্ব্বাসাৰ দৌৰাত্ম্যৰপৰা দ্ৰৌপদীক তেওঁ উদ্ধাৰ কৰিবলৈ অহাটোৱেই লক্ষ উদাহৰণৰ ভিতৰৰ এটি উদাহৰণ। কুৰুক্ষেত্ৰৰ যুদ্ধত দৌত্যকাৰ্য্যত কৃষ্ণৰ diplomacy ৰাজনীতি-কুশলতা চূড়ান্ত আছিল। ভক্ত পাণ্ডৱসকলক যুদ্ধত অস্ত্ৰ নধৰিও সৰ্ব্বতোভাৱে সৰ্ব্বোৎকৃষ্ট সহায় কৰা, বসুদেৱ দৈৱকীৰ প্ৰতি পিতৃভক্তিৰ মাতৃভক্তিৰ চূড়ান্ত উদাহৰণ, ৰাজ গৃহৰ আতিথ্য পৰিত্যাগ কৰি ভিকহু ভক্ত দাস বিদুৰৰ আতিথ্য গ্ৰহণ, শেহত অৰ্থ আৰু ক্ষমতাৰ গৰ্ব্বাভিমানী নিজ পুত্ৰ নাতি ইষ্টকুটুম্বেৰে গঠিত যদুবংশ ধ্বংসত ন্যায় বিচাৰৰ তুলাদণ্ড ইত্যাদি কাৰ্য্যত কৃষ্ণৰ তুলনা পৃথিৱীত

কত ? আমি আজিও দেখিবলৈ পাওঁ, যে কৃষ্ণলীলা বিষয়ক কবিতা এটিয়ে বা গান এটিয়ে কৃষ্ণ ভক্তৰ কথাকে নকওঁ, অভকতৰো মন কেনেকৈ মুগ্ধ কৰে। কৃষ্ণলীলাৰ সুমধুৰ সঙ্গীত শুনি খৃষ্টান মুছলমানকো চিত্ৰাৰ্পিতৰ নিচিনাকৈ থকা দেখিছোঁ। খৃষ্টান মাইকেল মধুসূদনৰ লেখনীয়ে মৌ বৰষিবলৈ ধৰিলে কেতিয়া ?—যেতিয়া তেওঁ কৃষ্ণলীলা বিষয়ক ব্ৰজাঙ্গনা কাব্য লেখিলে। এনে চিৰনতুন,চিৰকাল চিত্ত আকৰ্ষক কি বিষয় আৰু কি পদাৰ্থ এই জগতত আছে কোৱাঁচোন ? ভাৰতবৰ্ষৰ তত্বজ্ঞ দাৰ্শনিক কবি ভক্ত ঋষিৰ ঈশ্বৰৰ এই conception ধাৰণাই triumphs over all other conceptions আন সকলোবোৰ ধাৰণাৰ ওপৰত উঠি স্বপ্ৰকাশ কৰিবৃ লাগিছে। এই বাবেই কৃষ্ণ অৱতাৰ ঈশ্বৰ পূৰ্ণাৱতাৰ ; কৃষ্ণ conception সৰ্ব্বোৎকৃষ্ট চূড়ান্ত conception of God ; কৃষ্ণ সৎ চিৎ আনন্দ ঈশ্বৰৰ sumum bonum ভাব,—আনন্দ মূৰ্ত্তি ; কৃষ্ণ "ৰসো বৈ সঃ" অৰ্থাৎ ৰসস্বৰূপ ঈশ্বৰৰ তনু। ভাগৱতত ভগৱানে কৈছে "গুহ্যং পৰং মম মনুষ্য লিঙ্গং"। দৈৱকীৰ গৰ্ভত ঈশ্বৰে মনুষ্য মূৰ্ত্তি পৰিগ্ৰহ কৰিলে—"কৃষ্ণৰূপে দৈৱকীত হৈলা অৱতাৰ"এই বাবেই,যে তেওঁৰ সকলো বিকাশতকৈ মনুষ্য শৰীৰ বিকাশ পৰম শ্ৰেষ্ঠ। যেই ৰাম, সেই কৃষ্ণ। কিন্তু পূৰ্ণাৱতাৰ সৰ্ব্বাঙ্গসুন্দৰ কৃষ্ণবিকাশৰ আকৰ্ষণী শক্তি বেছি ; সেই বাবেই আমাৰ মহাপুৰুষ শঙ্কৰদেৱ কৃষ্ণলীলা শ্ৰৱণ কীৰ্ত্তন ভক্তিত নিমজ্জিত আছিল ; সেই বাবেই তেওঁক এদিন তেওঁৰ ভায়েক ৰামৰায়ে ৰাম-লীলা বৰ্ণনা কৰিবলৈ কোৱাত, তেওঁ ৰামলীলা বৰ্ণনা কৰি থাকোতেই unconsciously অজ্ঞাতসাৰে কৃষ্ণলীলাত পৰি কৃষ্ণলীলা বৰ্ণনা কৰিবলৈ ধৰিলে। হঠাৎ ৰামৰায়ে তেওঁক তেনে কৰাৰ মানে সুধিলতহে তেওঁৰ সেই কথা মনত পৰি,• তেওঁ ৰামৰায়ক কৈছিল "মোক কৃষ্ণলীলাই বৰকৈ আকৰ্ষণ কৰে।"

কৃষ্ণৰ ৰূপজ মোহত প্ৰথমতে আকৃষ্ট হৈ ব্ৰজৰ গোপিনীসকল কাম ভাবৰ চৰিতাৰ্থতাৰ নিমিত্তে কৃষ্ণৰ ওচৰলৈ আহিল ; sincere প্ৰাৰ্থকৰ বাঞ্ছাপূৰ্ণ তেওঁ কৰিলে ; কিন্তু দেখা গল যে সেই বাঞ্ছা আংশিকৰূপে পৰিপূৰ্ণ হলেও তেওঁলোকৰ কৃষ্ণ লাভ নহল, আকাঙ্ক্ষা নিমিতিল। তেওঁলোকে কৃষ্ণক পাবলৈ হলে যে সেই বাটৰ সেই ছোৱাই চূড়ান্ত নহয়, পাৰ্থিব আকাঙ্ক্ষা,



পাৰ্থিব কামনাৰ কেতিয়াও যে সম্পূৰ্ণৰূপে পৰিতৃপ্তি নাই, সেই আকাঙ্ক্ষা সেই কামনা কৃষ্ণধ্যান, কৃষ্ণসেৱা, কৃষ্ণচিন্তা, আৰু কৃষ্ণৰ বিৰহ-অগনিয়ে পুৰি ধ্বংস কৰিলেহে কৃষ্ণক পোৱা যায়,সেই শিক্ষা দিবৰ নিমিত্তে কৃষ্ণই তেওঁ-লোকৰ মনত বিৰহ-অগনি জ্বালি দি, স্বাৰ্থশূন্য ধ্যান ধাৰণা কৰিবলৈ opportunity সুচল দি তেওঁলোকক এৰি মথুৰালৈ গুচি আহিল, আৰু তেওঁলোকৰ ওচৰলৈ উভতি নগল ; আন কি প্ৰভাসত যজ্ঞৰ নিচিনা কাৰ্য্যলৈকো তেওঁলোকক নিমন্ত্ৰণ নকৰিলে। এইদৰে তেওঁলোকক সম্পূৰ্ণ কৃষ্ণ-ধ্যানময়, কৃষ্ণ-প্ৰাণময় কৰি পৰিশোধিত কৰি নিষ্পাপ কৰি লৈ হে কৃষ্ণই তেওঁলোকক তেওঁৰ সম্পূৰ্ণ উপযোগী কৰি গতি দিলে। যশোদা নন্দকো কৃষ্ণৰ সেই শিক্ষা। পাৰ্থিব বাৎসল্য ভাৱ যেতিয়ালৈকে বিদগ্ধ হৈ পৰিশোধিত হৈ কৃষ্ণাৰ্পিত হৈ কৃষ্ণময় নহল, তেতিয়ালৈকে তেওঁলোকৰ প্ৰকৃত কৃষ্ণলাভ নহল। দীৰ্ঘকাল কৃষ্ণ কৃষ্ণ বুলি কৃষ্ণক ধিয়াই তেওঁলোক কান্দি কান্দি যেতিয়া পাৰ্থিব ভাৱত অন্ধ হল তেতিয়াহে তেওঁলোকৰ কৃষ্ণ-চক্ষু মুকলি হল আৰু তেওঁলোকে গতি পালে। ভক্ত নন্দ, যশোদা, আৰু গোপ গোপীসকলৰ প্ৰতি কৃষ্ণৰ কি কৰুণা কি দয়া চোৱাঁ! মধুৰ, সখ্য, বাৎসল্য, দাস্য ভক্তি কৃষ্ণৰ ওচৰলৈ যাবলৈ বাট বা আকৰ্ষণৰ জৰী। এই-বোৰ ভক্তিৰ জৰীৰে ভক্তৰ বাঁহৰাঙ্গ বান্ধ খাই মন ক্ৰমশঃ অন্তৰঙ্গত প্ৰৱেশ কৰি কৃষ্ণত ৰমণ, কৃষ্ণত নিমগন হৈ সৰ্ব্বতোভাবে কৃষ্ণময় হবৰ উপায় কৃষ্ণ দেৱতাই কৰি দিছে ; আৰু আমাক তাকে ভালকৈ বাৰে বাৰে কৈ দেখুৱাই দিছে আমাৰ পৰম বন্ধু পৰম উপকাৰী কৃপালু গুৰু শ্ৰীশঙ্কৰদেৱে আৰু শ্ৰীমাধৱদেৱে।

---

# হেমকোষ বচোঁতা

## হেমচন্দ্ৰ বৰুৱাৰ আঁতি-গুৰি।

জয়ধ্বজসিংহ ৰজাৰ দিনত• (বুঢ়া-ভগনীয়া ৰজা) কলিবৰ নামে এজন

---

* জয়ধ্বজ সিংহৰ ৰাজত্বৰ কাল—১৬৪৮—১৬৬৩ খৃষ্টাব্দ। ১৬৬২ খৃষ্টাব্দত মিৰজুমলাই আসাম আক্ৰমণ কৰাত জয়ধ্বজ সিংহ তেওঁৰ ৰাজধানী গড়গাওঁ এৰি চৰাইদেও আৰু নামৰূপলৈ পলাই গৈছিল ; আৰু তেওঁ বুঢ়া আছিল, সেইবাবে তেওঁক বুঢ়া-ভগনীয়া ৰজাও বোলে।

ব্ৰাহ্মণ আসামলৈ আহে। তেওঁ কাণ্যকুব্জ দেশৰ ব্ৰাহ্মণ আছিল। তীৰ্থ পৰ্য্যটন কৰিবৰ মনেৰে তেওঁ কাণ্যকুব্জৰপৰা ওলাই আহি অনেক তীৰ্থ ভ্ৰমণ কৰি, শেহত হয়গ্ৰীৱমাধৱ, কামাখ্যা আদি তীৰ্থ দৰ্শন কৰিবৰ মনেৰে আসাম পায়হি। তেওঁ বেদবেদাঙ্গাদি শাস্ত্ৰত প্ৰগাঢ় পণ্ডিত আৰু আয়ুৰ্ব্বেদ শাস্ত্ৰত পৰম নিপুণ আছিল। বঙ্গদেশত বৈদ্য বুলি ব্ৰাহ্মণতকৈ তল থাপৰ জাতি এটাৰ ভিতৰত আয়ুৰ্ব্বেদ শাস্ত্ৰৰ চৰ্চ্চা আৰু প্ৰচাৰ যেনেকৈ আবদ্ধ, ভাৰতবৰ্ষৰ অন্য প্ৰদেশত, আৰু বিশেষকৈ পশ্চিমত তেনে নহয়। বিশিষ্ট পণ্ডিত অগাঢ় বিদ্বান ব্ৰাহ্মণসকলেহে তাত আয়ুৰ্ব্বেদ শাস্ত্ৰৰ চৰ্চ্চা কৰে; আসামতো তেনেকুৱাই। কলিবৰ ব্ৰাহ্মণৰ প্ৰগাঢ় পাণ্ডিত্য আৰু আয়ুৰ্ব্বেদ শাস্ত্ৰত নৈপুণ্যৰ বিষয়ে জয়ধ্বজসিংহই শুনিবলৈ পাই, তেওঁক বৰ সমাদৰ কৰি আসামতে ৰাখি, এই দেশৰ বেজসকলৰ ভিতৰত প্ৰধান বেজবৰুৱাৰ পদ দি, আৰু উত্তৰ-লক্ষীমপুৰ আদি তিনি ঠাইত ১০০০ পুৰা অৰ্থাৎ ৪০০০ বিঘা নিষ্কৰ মাটি ব্ৰহ্মত্তৰকৈ দি, আৰু অনেক ধন-ধান্য দাস-দাসী দি পাতিলে। তেতিয়াৰপৰা কলিবৰ বৰুৱাৰ ঘৰ বেজবৰুৱাৰ ঘৰ বুলি প্ৰখ্যাত হল। কলিবৰৰ লগত কলিমন নামে এজন ব্ৰাহ্মণ আহিছিল। তেওঁ কলিবৰৰ জ্ঞাতি হোৱা হেতুকে কলিবৰৰ লগতে থাকিল। কলিমনৰপৰা বড়া বংশক মৃদঙ্গীয়া বৈদ বোলে।

কলিবৰ বৰুৱাৰ পুত্ৰ গোবিন্দ বৰুৱা। গোবিন্দ বৰুৱাৰ আৰু এটা নাম আছিল "একাচেকা বৰুৱা।" এই নামটো তেওঁক ৰজাই দিছিল। ৰজাৰ এটা বৰ মৰমৰ হাতী আছিল। হাতীটোৰ ভৰি এটা উখহি পকি হাতীটো মৰিব লগীয়া হৈছিল, তথাপি ৰজাৰ আন আন বেজসকলে তাক ভাল কৰিব পৰা নাছিল। গোবিন্দ বৰুৱাক ৰজাই হাতীটো চিকিৎসা কৰিবলৈ কলত, তেওঁ ভালকৈ হাতীৰ ভৰিটো পৰীক্ষা কৰি বুজিলে যে তাত এটা হুল সোমাইহে তেনে হৈছে। তেওঁ এখন ডাঙৰ আৰ-কাপোৰ তৰাই তাৰ ভিতৰত হাতীটো সুমাই তাক বহুৱাই লৈ, এডাল সঁৰাহেৰে সেই হুলডাল উলিয়াই আনিলত হাতীটো ভাল হল। ৰজাই তাতে বৰ আচৰিত মানি কলে—"এওঁ কি একাচেকা বৰুৱা, একা!" তেতিয়াৰপৰা তেওঁৰ নাম "একাচেকা বৰুৱা" হল।



গোবিন্দ বৰুৱাৰ তিনিটি পুত্ৰ হল। জ্যেষ্ঠ পুত্ৰৰ নাম জয়হৰি বৰুৱা, কনিষ্ঠৰ নাম অনুপাম বৰুৱা, আৰু মধ্যম পুত্ৰৰ নাম পুৰুষোত্তম বৰুৱা। পুৰুষোত্তম বৰুৱা বৰ বিখ্যাত লোক আছিল। ৰজাৰ ঘৰতো তেওঁ এজন ডাঙৰ বিষয়া আৰু ৰজাৰ সম্মান আৰু প্ৰীতিৰ পাত্ৰ আছিল, প্ৰজাৰ মাজতো তেওঁ মহা সন্ত শিষ্ট আৰু সাধু লোক বুলি প্ৰখ্যাত আছিল। সেইদেখি আজিলৈকে আসামত বেজবৰুৱাৰ ঘৰৰ লৰাক "পুৰুষোত্তম বৰুৱাৰ নাতি" বুলি বৈষ্ণৱ ধৰ্ম্মৰ কেন্দ্ৰ সত্ৰ-সভা আদিত কয়। এই পুৰুষোত্তম বৰুৱায়ে প্ৰথমতে উজনিত মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰধান সত্ৰ কমলাবাৰী সংস্থাপক পদ্ম আতা বা বদুলা আতাৰ ওচৰত বৈষ্ণৱধৰ্ম্ম গ্ৰহণ কৰে। কমলাবাৰীখন পুৰুষোত্তম বৰুৱাৰে কমলাটেঙাৰ অৰ্থাৎ সুমথিৰাটেঙাৰ বাৰী আছিল। বদুলা আতাই তেওঁক সেইখন খুজি লৈ কমলাবাৰী সত্ৰ পাতে। পুৰুষোত্তম বৰুৱাই মহাপুৰুষীয়া ধৰ্ম্মক ধৰিবৰে পৰা, উজনিত মহাপুৰুষীয়া ধৰ্ম্মই ৰজা আৰু ডাঙৰ ডাঙৰ ৰাজবিষয়াসকলৰ ভিতৰত প্ৰভাৱ বিস্তাৰ কৰে; আৰু অনেক বৰ বৰ ৰাজবিষয়াইও বৰুৱাৰ আহি লৈ সেই ধৰ্ম্মগ্ৰহণ কৰে।

পুৰুষোত্তম বৰুৱাৰ ৯জন পুতেক হয়। তেওঁলোকৰ নাম,—শিমলু অটীয়া, নিবাই, নিৰঞ্জন, আকৰা, হালধিঅটীয়া, আৰু চাৰিজন। প্ৰথম ৫ জনৰ ৯জন ৯জনকৈ ৪৫জন পুত্ৰ হৈছিল; শেষৰ চাৰিজন অপুত্ৰক আছিল। নিবাইৰ ৯জন পুতেকৰ ভিতৰত দুজন আছিল,—তেওঁলোকৰ এজনৰ নাম উগ্ৰসেন আৰু আন জনৰ নাম দুৰ্ল্লভ। এওঁলোক দুইজনে যোগ আচৰণ কৰি কাশীলৈ গৈ দণ্ড গ্ৰহণ কৰি দণ্ডী হৈছিল, আৰু কাশীতে প্ৰাণ পৰিত্যাগ কৰে। তেওঁলোকক যোগসিদ্ধ দেখি আসামৰ ৰজাই মান্য কৰি শ্বেত কম্বল দি গোসাঁই উপাধি দিছিল। কাকতীয়া-ঘৰৰ শিৱনাথ ভামুলী ফুকনকে আদি কৰি আসামৰ অনেক ভদ্ৰলোকে তেওঁলোকৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। দুৰ্গোৎসৱৰ সময়ত আসামৰ ৰজাঘৰৰপৰা বছৰে বছৰে তেওঁলোকক দুৰ্গাপ্ৰতিমা পূজা কৰিবলৈ দিছিল; আৰু মহৰা, বচা, দিচৈ, মাজুলি আৰু উত্তৰপাৰত অনেক ব্ৰহ্মত্তৰ মাটি ৰজাই দান কৰিছিল। সেইবোৰ মাটিৰ কোনো কোনো খণ্ড এতিয়ালৈকে বেজবৰুৱা ঘৰৰ ভোগত

আছে। দুৰ্ল্লভ গোসাঁইৰ এজন পুত্ৰ আছিল, তেওঁৰ নাম বিশ্বেশ্বৰ। তেওঁ শাস্ত্ৰত পৰম পণ্ডিত হোৱা বাবে ভট্টাচাৰ্য্য উপাধি পাইছিল।

নিৰঞ্জন বিখ্যাত বেজবৰুৱা আছিল। তেওঁ অনেক তীৰ্থ ভ্ৰমণ কৰিছিল, আৰু পৰম ধৰ্ম্মশীল, বিদ্বান আৰু বৈষ্ণৱ আছিল। তেওঁৰ পুতেকৰ নাম জগন্নাথ। জগন্নাথে ৰজাৰ ঘৰৰপৰা বৰ-ভঁৰালী বৰুৱা বিষয় পাইছিল; আৰু ৰজাৰ আজ্ঞামতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দেশ পাতি প্ৰজা বহুৱাই, বৰ যথষ্ট্য উপাৰ্জ্জন কৰি, ৰজাৰপৰা অনেক মাটিবাৰী হাতী ঘোঁৰা দাস দাসী বঁটা পাইছিল। উত্তৰপাৰে ৮ কোণীয়াকৈ আঠোটা শিলৰ খুটি পোটাই ৰজাই তেওঁক এডোখৰ মাটি দিছিল, সেই ডোখৰক শিল পোত বোলে। সেই শিলৰ খুটাবোৰৰ চিন এতিয়ালৈকে আছে। সেই খুটাৰ ভিতৰত যিডোখৰ মাটিত যিবোৰ মানুহ আছিল, সেইবোৰ তেওঁক পাইক কৰি দিয়া হৈছিল। ৰজাই হাতীৰে গছকাই সেই মাটিত আঠোটা ঢাপ কৰাই দিছিল; ঢাপৰ কাষে কাষে গৰ-খাৱৈ কৰাই ঘৰবাৰী সজোৱাই দিছিল। তাৰ ভিতৰতে জাতি বংশ দাস দাসীৰে চাৰিশ ঘৰ বেজবৰুৱা বংশৰ মানুহ আছিল।

জগন্নাথ বৰুৱাৰ সাতোটি পুত্ৰ আৰু দুই ভাৰ্য্যা। বৰজনা ভাৰ্য্যাৰ তিনি জন, আৰু সৰুজনাৰ চাৰিজন পুত্ৰ। বৰজনাৰ পুত্ৰ কেইজনৰ নাম—হৰিনাথ বৰুৱা, শ্ৰীকান্ত বৰুৱা, আৰু কমলাকান্ত খগীয়াবৰুৱা। সৰুজনাৰ পুত্ৰ কেইজনৰ নাম,—বদু বৰুৱা, বিষ্ণু বৰুৱা আৰু অঙ্গদ বৰুৱা। কমলাকান্ত খগীয়া বৰুৱাৰ দহজন পুত্ৰ হয়; তেওঁলোকৰ নাম—লক্ষ্মী বৰুৱা, যজ্ঞো ডেকা, শ্ৰীকান্ত, গঙ্গাই বৰুৱা, খোৰা ডেকা, হৰি, বলাই, শ্ৰীৰাম, দেৱৰাম, ধৰ্ম্মকান্ত।

গঙ্গাই বৰুৱাক লক্ষ্মীসিংহ সৰ্গদেৱে বৰ-ভণ্ডাৰৰ বৰুৱা পাতে। গঙ্গাই বৰুৱাৰ পাঁচজন পুত্ৰ আৰু এজনী ছোৱালী। ১ম মধুৰাম, ২য় ভুবাৰাম, ৩য় দেৱৰাম, ৪ৰ্থ দধিৰাম, ৫ম বাপুৰাম। ছোৱালীজনীৰ নাম অতি। মধুৰাম বৰুৱা আয়ুৰ্ব্বেদ বিদ্যাত পৰম নিপুণ আছিল। মধুৰাম বেজবৰুৱাৰ এটি পুত্ৰ হল, তেওঁৰ নাম মুক্তাৰাম বৰুৱা। এই মুক্তাৰাম বৰুৱাৰ তিনি জন পুত্ৰৰ ( হেমচন্দ্ৰ, তুলসীৰাম, কমল ) জ্যেষ্ঠ জনৰ নামেই সুবিখ্যাত



হোমাকাষ অভিধানৰ গ্ৰন্থকৰ্ত্তা হেমচন্দ্ৰ বৰুৱা, যাৰ আঁতি-গুৰি দিয়া এই প্ৰবন্ধৰ উদ্দেশ্য।

মধুৰাম বৰুৱাৰ চতুৰ্থ ভ্ৰাতা দধিৰামৰ দুজন পুতেক হয়, প্ৰথম জনৰ নাম লক্ষ্মীনাথ, দ্বিতীয় জনৰ নাম চন্দ্ৰকান্ত বৰুৱা। এই লক্ষ্মীনাথ বৰুৱাই হেমচন্দ্ৰ বৰুৱাৰ খুৰাক সুবিখ্যাত ৺লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা।

কথাৰ প্ৰসঙ্গতে এই খিনিতে কওঁ যে ওপৰত কৈ অহা জগন্নাথ বৰুৱাৰ বৰজনা ভাৰ্য্যাৰপৰা হোৱা দেখি হেমচন্দ্ৰ বৰুৱাৰ ঠালটোক "বৰ-ঘৈণীৰ পৰিয়াল" বোলে। জগন্নাথ বৰুৱাৰ সৰুজনা ভাৰ্য্যাৰপৰা বঢ়া ঠালটোক "সৰুঘৈণীৰ পৰিয়াল" বোলে। জগন্নাথ বৰুৱাৰ সৰুজনা ভাৰ্য্যাৰ অঙ্গদ নামে বিজন পুত্ৰ, তেৱেঁই এই প্ৰবন্ধ লেখকৰ পিতৃ ৺দীননাথ বেজবৰুৱাৰ পিতামহ। অঙ্গদ বৰুৱাৰ পুত্ৰ কৃষ্ণৰাম। কৃষ্ণৰাম বেজবৰুৱা ৰাজেশ্বৰ সিংহ সৰ্গদেৱৰ বেজবৰুৱা আছিল। কৃষ্ণৰাম বেজবৰুৱাৰ পুত্ৰ জ্যেষ্ঠ হলিৰাম বৰুৱা, আৰু কনিষ্ঠ দীননাথ বেজবৰুৱা। দীননাথ বেজবৰুৱা পুৰন্দৰ সিংহ সৰ্গদেৱৰ বেজবৰুৱা আছিল। হলিৰাম বৰুৱা সুবিখ্যাত ৺পূৰ্ণানন্দ বৰুৱা "ছোটচাহাবৰ" পিতামহ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# ৺হেমচন্দ্ৰ বৰুৱা।

## সোঁৱৰা কথা।

হেমচন্দ্ৰ বৰুৱা আৰু তেওঁৰ অভিধান।—হেমচন্দ্ৰ বৰুৱাই প্ৰায় ১০ বছৰ মান পৰিশ্ৰম কৰিহে তেওঁৰ ডাঙৰ অভিধানখনি লিখি উলিয়ায়। তেতিয়া তেওঁ দেখিলে যে তেনে বৃহৎ পুথি ছপা কৰাত বহুত খৰচ লাগিব। তেওঁ বাস্তৱিক কৃপণ আছিল, নহলে নিজৰ যি সাঁচতীয়া ধন আছিল আৰু যি ধন তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ উত্তৰাধিকাৰীসকলে পালে তাৰেই সহজে তেওঁ অভিধানখনি ছপা কৰি উলিয়াব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি অলপ খৰচত ছপা কৰিব পৰাকৈ তেওঁ এখনি সৰু পঢ়া-

শব্দীয়া অভিধান লিখিলে। এইখনিও তেওঁ নিজে প্ৰকাশ কৰিবলৈ নেপালে। তেওঁৰ ডাঙৰ অভিধানখনি, তাহানি কলিকতাত পঢ়া কেজন মান উদ্যোগী ছাত্ৰে বাইজৰপৰা ধন তুলি ছপা কৰিবলৈ কাৰবাৰ কৰিছিল। এই কথা বহুতে নেজানে। ছাত্ৰবিলাকৰ প্ৰস্তাৱত তেওঁ মান্তি হোৱা হলে কিজানি তেওঁৰ জীৱদ্দশাতে অভিধানখনি প্ৰকাশ কৰিব পৰা হলহেঁতেন। তেওঁৰ মৃত্যুৰ পাছত অসমীয়া-হিতৈষী কৰ্ণেল পি, আৰ, টি, গৰ্ডন চাহাবৰ যত্ন আৰু শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগ আৰু পৰিশ্ৰমৰ ফলত গবৰ্ণমেণ্টৰ খৰচত পুথিখনি ছপা কৰা হয়। অসমীয়া ভাষা থাকে মানে এই পুথিয়ে হেমচন্দ্ৰ বৰুৱাৰ নাম যুগমীয়া কৰি ৰাখিব।

অসমীয়া ভাষাৰ চলন আৰু হেমচন্দ্ৰ বৰুৱা।—এই কাৰ্য্যত হেমচন্দ্ৰ বৰুৱাৰ যত্ন সকলোৱে জানে। অসমীয়া ভাষা যে বঙ্গলা ভাষাৰ অপভ্ৰংশ নহয় এই কথা বুজাবলৈ তেওঁ অশেষ পুৰুষাৰ্থ কৰিছিল। ইংৰাজী আৰু বঙ্গলা সাময়িক পত্ৰিকাবিলাকত তেওঁ এই বিষয়ে বহুত প্ৰবন্ধ লিখিছিল। তেওঁ বঙ্গলা কাকতত বঙ্গলা ভাষাৰে সুন্দৰ প্ৰবন্ধ লিখা বহুতে নেজানে। অসমীয়া ভাষা লৈ যুদ্ধ তেওঁৰ দিনত ভালকৈ এবাৰ হৈ গৈছিল। বহুমূৰীয়া দৈত্যৰ (hydra-headed monster) নিচিনা মিছা কথা মৰিও নমৰে। হেমচন্দ্ৰ বৰুৱাই এবাৰ মাৰি যোৱা দৈত্য আকৌ সজীৱ হৈ মুখ মেলি উঠাত দ্বিতীয়বাৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই তীক্ষ্ণ বাণেৰে তাক বধ কৰিলে। অসমীয়া ভাষা আৰু সাহিত্য চহকি কৰা তেওঁৰ উদ্দেশ্য আছিল হয় কিন্তু অসমীয়া লিখাত আখৰ জোঁটনিৰ ব্যতিক্ৰম কৰা তেওঁ মুঠেই সহিব নোৱাৰিছিল। অশুদ্ধ ভাষাৰে প্ৰবন্ধ লিখি "আসাম নিউচত" ছপা কৰিবলৈ পঠোৱা লিখকসকলৰ বিলাই "চিঠি লিখোতাবিলাকৰ প্ৰতি" এই স্তম্ভত ভালকৈ দেখা গৈছিল। "আপোনাৰ চিঠিয়ে আমাৰ ফটা কাকতৰ পাচিতহে ঠাই পালে" এনে নিৰ্দ্দয় সমিধান বহুতে পাইছিল। সহৃদয় অমায়িক ৺গুণাভিৰাম বৰুৱা আছিল ঠিক ইয়াৰ বিপৰীত। তেওঁৰ "আসাম বন্ধু" বহুত ন লিখাৰুৰ আদৰৰ ধন আছিল। এই কাকতত আখৰ জোঁটনিৰ কটকটীয়া নিয়ম নাছিল। আসাম বন্ধুৰ ভুল আখৰ জোঁটনি দেখি কতদিন হেমচন্দ্ৰ বৰুৱাক মুখ বিকটাবিকটি কৰা দেখিছোঁ।



কিজানি সেই সময়ত গুণাভিৰাম বৰুৱাক লগ পোৱা হলে তেওঁ ভালকৈ কেআখাৰমান কথা শুনাই দিলেহেঁতেন। সি যি হওক কেবাজানো ডেকা অসমীয়া লিখাৰু হেমচন্দ্ৰ বৰুৱাৰ প্ৰিয়পাত্ৰ আছিল। ৺লম্বোদৰ বৰা, ৺পানীন্দ্ৰনাথ গগৈ আৰু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ নাম ইয়াত উল্লেখ যোগ্য। এই প্ৰবন্ধ লিখকে লৰা কালত তেওঁৰ তত্বাৱধানতে লেখা-পঢ়া শিকি অসমীয়া ভাষাত কোনো ৰচনা আদি নিলিখাত তেওঁ পেটে পেটে বেয়া পাইছিল। বহুদিনৰ পিছত জোনাকীত এই লিখকে ৰচা এটি অসমীয়া কবিতা পঢ়ি তেওঁ বৰ সন্তোষ প্ৰকাশ কৰি লিখকৰ বন্ধু এজনক কৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ সংস্কৃত চৰ্চ্চা।—তেওঁ সংস্কৃত ভালকৈ জানিছিল। সংস্কৃতত তেওঁ ভাল শ্লোক ৰচনা কৰিব পাৰিছিল। চাৰ ষ্টুৱাৰ্ট বেলী চিফ কমিশ্যনৰ হৈ অহাত তেওঁৰ অভ্যৰ্থনা উপলক্ষে তেওঁ এটি শুৱলা সংস্কৃত কবিতা ৰচনা কৰিছিল। ৺ৰায় বাহাদুৰ জগন্নাথ বৰুৱাৰ সেই কবিতাটি মুখস্থ আছিল। তাহানি গুৱাহাটীলৈ পণ্ডিতা ৰমাবাই আহোঁতে তেওঁ নিজে ৰচা সংস্কৃত কবিতা এটি ৰমাবাইৰ আগত মাতি শুনাইছিল। ৰমাবাইয়ে ঠিক তেনে দৰেই তাৰ উত্তৰ দিছিল। নৰ্ম্মাল স্কুলৰ অধ্যাপক নাৰায়ণ বিদ্যাভূষণেৰে সৈতে তেওঁ প্ৰায়েই সংস্কৃত চৰ্চ্চা কৰি থকা দেখা গৈছিল। কামৰূপৰ পুৰণি সংস্কৃত পুথি উদ্ধাৰ কৰা কাৰ্য্যত ৰাজা ৰাজেন্দ্ৰলাল মিত্ৰই তেওঁৰপৰা বিশেষ সহায় পাইছিল, এই কাৰ্য্যৰ বাবে তেওঁ গবৰ্ণমেণ্টৰপৰা অলপ অৰ্থ সাহায্যও পাইছিল।

হেমচন্দ্ৰ বৰুৱাৰ ধৰ্ম্মমত।—কোনো লোকে তেওঁৰ ধৰ্ম্ম মতৰ কথা সুধিলে তেওঁ হাঁহি কৈছিল "মই agnostic। হিন্দুৰ সাংখ্য দৰ্শনতেই ঈশ্বৰ মনা নাই"। এই কথা তেওঁ অনেকক কোৱা দেখা গৈছিল। তেওঁৰ মানত নীতি আৰু ধৰ্ম্ম একে আছিল। যাৰে নৈতিক চৰিত্ৰ ভাল সেয়ে প্ৰকৃত ধাৰ্ম্মিক এনে তেওঁ বুজিছিল। ভণ্ডামি তেওঁ মুঠেই সহিব নোৱাৰিছিল। তেওঁৰ যেনে বিশ্বাস তেনে কাৰ্য্য কৰিবলৈ তেওঁ অলপো সঙ্কোচ নকৰিছিল। কোনো সাম্প্ৰদায়িক ধৰ্ম্মমতলৈ তেওঁৰ আস্থা আছিল বুলি একেবাৰেই কব নোৱাৰি। তেওঁৰ খোৱা লোৱাত কোনো বিচাৰ নাছিল।

প্ৰকাশ্যে শূদ্দিৰ হাতে ভাত খাইছিল, কাকো নিবিণাইছিল। তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ আলমাৰিৰ ভিতৰত এখনি তেওঁৰ নিজ হাতে লিখা কাকত পোৱা হৈছিল; তাত, তেওঁ মৰিলে তেওঁৰ শৱটি কি কৰিব লাগিব এই বিষয়ে উপদেশ লিখা আছিল। তেওঁ লিখিছিল যে জীৱশূন্য মৃত দেহটি এডোখৰ কাঠৰ নিচিনা, তাক যত্ন কৰি সংকাৰ কৰাৰ নিমিত্তে বৃথা খৰচ বা পৰিশ্ৰম কৰাৰ কোনো প্ৰয়োজন নাই। মৃত দেহ মাটিত পোতা ভাল নহয়, কাৰণ তাৰপৰা ওচৰত থকা মানুহৰ স্বাস্থ্য হানি হব পাৰে; পানীত পেলালে মানুহৰ খোৱা পানী দূষিত হব পাৰে। এতেকে মৃত দেহটি এখন গৰুৰ গাড়ীত তুলি নি লোকৰ বাসস্থানৰপৰা দূৰ ঠাইত পেলাই দিয়াই ভাল। কোৱা বাহুল্য যে এই বিধান মতে কাৰ্য্য কৰা নহল। দুজন ডেকা সৎ ব্ৰাহ্মণে গোৰা ব্ৰাহ্মণ সমাজৰ কঠোৰ শাসনলৈ অলপো ভয় নকৰি অতি কষ্টে তেওঁৰ শৱটি শ্মশানলৈ নি তাতে হিন্দু নিয়মে দাহ কৰিছিল। এই কাৰ্য্যৰ প্ৰধান উৎসাহ দাতা আছিল ৺মাণিকচন্দ্ৰ বৰুৱা। শৱ সংকাৰৰ সকলো দিহা তেওঁৱেই আগত থাকি কৰি দিছিল। সেই দুজন ব্ৰাহ্মণ ডেকাৰ সৎসাহস, জাতীয় প্ৰেম আৰু নৈতিক বল খুব প্ৰশংসনীয়। তেওঁলোকক উৎসাহ দিবলৈ আৰু পৰলোকলৈ যোৱা মহৎজনৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা দেখুৱাবলৈ বহুত অসমীয়া ডেকা শ্মশানলৈ গৈছিল। মৃতদেহ শ্মশানলৈ নিয়াৰ পাছত তাতে এজন বঙ্গালী ভদ্ৰলোক গৈ ওলাল। অসমীয়া হিন্দু সমাজে জাতিচ্যুত হেমচন্দ্ৰৰ মৃত দেহ স্পৰ্শ নকৰে এনে সম্বাদ পাই এওঁলোকে শৱ বহন কৰিবলৈ সাজি-কাছি আহিছিল। তেওঁলোকে শ্মশানত একত্ৰিত অসমীয়া ডেকাসকলক নথৈ প্ৰশংসা কৰি আৰু অসমীয়া গোবাদলক নথৈ নিন্দা কৰি ঘূঁচি গল।

হেমচন্দ্ৰ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱা।—মাণিকচন্দ্ৰ বৰুৱাই হেমচন্দ্ৰেৰে লগলাগি বাতৰি কাকত "আসাম নিউচ" প্ৰকাশ কৰে। হেমচন্দ্ৰ বৰুৱা সেই কাকতৰ সম্পাদক আছিল। মাণিকচন্দ্ৰ বৰুৱাৰ "আসাম প্ৰিণ্টিং কৰপোৰেচনৰ" হেমচন্দ্ৰ বৰুৱাও অংশীদাৰ আছিল। ৰাজনীতি সম্পৰ্কে উভয়ৰ মত অনেক সময়ত নিমিলিছিল। হেমচন্দ্ৰ বৰুৱা বয়সে শ্ৰেষ্ঠ, বিশেষ তেওঁ মাণিকচন্দ্ৰৰ শহুৰেক ৺লক্ষ্মীলাল বৰুৱাৰ বয়স্য আৰু পৰম বন্ধু আছিল, গতিকে তেওঁৰ লগত মাণিক চন্দ্ৰৰ বাদ প্ৰতিবাদ চলা সম্ভৱ নাছিল। বিশেষ হেমচন্দ্ৰ বৰুৱা বেগতে নিজৰ মত এৰা লোক নাছিল। হেমচন্দ্ৰ বৰুৱা বয়সীয়া হৈও ৰাজনীতি বিষয়ে অত্যন্ত radical আছিল। মাণিকচন্দ্ৰ আৰু তেওঁৰ বন্ধু জগন্নাথ উভয়ে সৰুৰেপৰা moderate। আসাম নিউচত হেমচন্দ্ৰ বৰুৱাৰ মতেই প্ৰবল আছিল। এই কাকত বন্ধ হোৱাত সুৰেন্দ্ৰ বানাৰ্জীৰ "বেঙ্গলী" কাকতত অসন্তোষ প্ৰকাশ কৰা একো আচৰিত নহয়।

হেমচন্দ্ৰ বৰুৱা আৰু তেওঁৰ লগৰীয়াসকল—৺পশুৰাম বৰুৱা, ৺লক্ষ্মীকান্ত বৰুৱা, ৺বেণুধৰ বৰুৱা, ৺দুলালচন্দ্ৰ চৌধুৰী, চন্দ্ৰমোহন গোস্বামী, বীৰনৰসিংহ দে প্ৰভৃতি তেওঁৰ লগৰীয়া বন্ধু আছিল। বঙ্গালীৰপৰা অসমীয়াক স্বকীয়া ভাষা আৰু জাতীয়ত্ব দিবলৈ যত্ন কৰিলেও তেওঁ বঙ্গলা ভাষা আৰু বঙ্গালী বন্ধুক এৰিব নোৱাৰিছিল। তেওঁ মুঠেই সঙ্কীৰ্ণমনা নাছিল, মহৎলোক সঙ্কীৰ্ণমনা হব নোৱাৰে। লগৰীয়াবিলাকৰ ভিতৰত তেওঁ বিশেষ হৃষ্টপুষ্ট আৰু সবল আছিল। বাত বেমাৰে আক্ৰমণ কৰাৰ পূৰ্ব্বে তেওঁ নিতা ব্যায়াম অভ্যাস কৰিছিল। আবেলি কুৰাচকা নকৰি নিজ হাতে কোৰ মাৰি নিজৰ ফুলনি বাৰীত নাইবা শাক পাচলিৰ বগিছাত কাম কৰিছিল। তাহানি তেওঁক কোট পেণ্টলুন পিন্ধি বাগিছাত কোৰ ধৰা দেখি লৰাবিলাকে ফিচিঙাফিচিঙি কৰা এতিয়াও মনত পৰে। লৰাবিলাকক তেওঁৰ টোলৰ ময়দানত খেলিবলৈ দিছিল। ইমান লৰাৰ কোঢ়ালতো তেওঁ দিগ নেপাইছিল। এসময়ত তেওঁ লৰাবিলাকক ভালকৈ ব্যায়াম শিক্ষা দিবলৈ ডেকা অভয়শঙ্কৰ গুৰুক লগাই দিছিল। তেতিয়া অভয়শঙ্কৰ তেওঁৰ লগত আসাম নিউচৰ সহকাৰী সম্পাদক আছিল। ই প্ৰায় ৩২ বছৰৰ আগৰ কথা।

হেমচন্দ্ৰ বৰুৱা আৰু ৰাষ্ট্ৰ কাৰ্য্য—

হেমচন্দ্ৰ বৰুৱা বিশেষকৈ সাহিত্যিক আছিল। পেন্সন লোৱাৰ পিছত তেওঁ লিখা-পঢ়া কৰিয়ে সময় কটাইছিল। স্থানীয় সাধাৰণৰ কাৰ্য্যত তেওঁ যোগ দিয়া নাছিল। আসাম নিউচৰ সম্পাদক হৈয়েই যি তেওঁ ৰাজনীতি আলোচনা কৰিছিল। ৰাজনৈতিকৰ Give and take policy তেওঁৰ নাছিল, গতিকে ৰাজনীতি-ক্ষেত্ৰত তেওঁৰ কেতিয়াও কৃতকাৰ্য্য হবৰ সম্ভাৱনা নাছিল। সেইবাবে তেওঁ স্থানীয় লোকেলবোৰ্ড নাইবা মিউনিচিপেলিটিত

মেম্বৰ হবলৈ অলপো যত্ন কৰা নাছিলে। কানিৰ কমিশ্বনলৈ তেওঁ গবর্ণমেণ্টৰপৰা নিমন্ত্রিত হৈও নগল, কিন্তু তেওঁৰ "কানীয়াৰ কীৰ্ত্তন" পুথি কানি কমিশ্বনৰ মেম্বৰ পাৰ্লেমেণ্টৰ সমজুৱা এইচ, জে, উইলচৰ্ন চাহাবৰ হাতত পৰিছিল।

শ্রীকনকলাল বৰুৱা।

---

# হেমকোষ।

স্বৰ্গীয় হেমচন্দ্র বৰুৱাই "অসমীয়া হেম-কোষ" অভিধান আৰু "অসমীয়া ভাষাৰ ব্যাকৰণ" লিখি অসমীয়া ভাষাৰ আৰু সাহিত্যৰ কি যুগমীয়া উপকাৰ কৰি গল তাক হেজাৰ মুখেৰে কৈও সাং কৰিব নোৱাৰি। ৺হেমচন্দ্র বৰুৱাই অসমীয়া ভাষাত কেইবাখনো কিতাপ লেখি থৈ গৈছে। অসমীয়া ভাষাৰ প্রথম কথৰ কিতাপ আদিপাঠ লিখে হেমচন্দ্র বৰুৱাই, প্রথম ধেমেলীয়া নাট 'কানীয়াৰ কীৰ্ত্তন' লেখে হেমচন্দ্র বৰুৱাই, প্রথম ধেমেলীয়া সামাজিক উপন্যাস "বাহিৰে বং চং ভিতৰে কোৱাভাতুৰি" লেখে হেমচন্দ্র বৰুৱাই। এইবোৰ কিতাপৰ নিমিত্তে যদিও অসমীয়া ভাষা তেওঁৰ ওচৰত চিৰকাল ধৰুৱা থাকিব, তথাপি তেওঁ ব্যাকৰণ আৰু অভিধান এই কিতাপ দুখন লিখি থৈ নোযোৱাহেঁতেন অসমীয়া ভাষা কিজানি চিৰকাল লোকৰ লাথি খোৱা অৱস্থাতে থাকিলহেঁতেন। এই পুৰুষৰ ভিতৰত এনে এখন অভিধান আৰু এনে এখন ব্যাকৰণ লিখিবপৰা মানুহ আমাৰ ভিতৰত যে নায়েই অহা পুৰুষতো যে ওলাব তাৰো ঠিকনা নাই। তেওঁৰ ব্যাকৰণৰ গুনাগুণ সম্বন্ধে আলচ কৰা আজি আমাৰ অভিপ্ৰায় নহয়; তেওঁৰ অভিধান 'হেমকোষ' সম্বন্ধেহে কেইআষাৰমান কথা কব খুজিছোঁ। অসমীয়া মানুহৰ ভিতৰত সাহিত্য সেৱকৰ লেখ নিচেই তাকৰ, সেইগুণে যি মানুহে অসমীয়া ভাষাত লিখা-পঢ়াৰ চৰ্চ্চা নকৰে তেওঁ অৱশ্যে হেমকোষৰ মোল মুবুজিব পাৰে কিন্তু যি মানুহে অসমীয়া ভাষাত শুদ্ধকৈ কিবা লিখিব খোজে, তেওঁ ভালকৈ বুজে, অসমীয়া সাহিত্য সেৱকৰ পক্ষে ৺হেমচন্দ্র বৰুৱাৰ 'হেমকোষ' কেনে কণাৰ লাখুটি। হেমচন্দ্র বৰুৱাৰ এই অভিধান প্ৰকাশ হৈ ওলোৱাৰ



আগেয়ে, অসমীয়া ভাষা ঠিক এখন গুৱীয়াল নাইকিয়া নাৱৰ নিচিনা আছিল; কিন্তু ইংৰাজী ১৯০০ চনত এই অভিধান প্ৰকাশ হৈ ওলোৱাৰ পাছৰপৰা আৰু তাৰ সেই অৱস্থা নাই। আমাৰ ওচৰচুবুৰীয়া বন্ধুসকলে নিতৌ অসমীয়া ভাষাক বাহিৰলৈ উলিয়াবলৈ তুলসীৰ গুৰি খঁতাইছিল আৰু কাঠ-সংস্কাৰ কৰিবলৈ কাঠ গোটাইছিল, কিন্তু কলুঢোপ কলুঢোপ কৰি থকা অসমীয়া ভাষাৰ মুখত হেমচন্দ্র ধন্বন্তৰীৰ 'হেমকোষ' বড়ি পৰা মাত্ৰকে কৰ যমদূত কলৈ গল তাৰ চিন নাই, বাৰীৰ চুকত পৰি "নিওঁ" "নিওঁ" কৰি চিয়ঁৰি থকা নিয়তী চৰাইবোৰো যমদূতবিলাকৰ লগতে নাইকিয়া হল আৰু দক্ষিণা লবলৈ আশা পালি থকা বাপুসকলও এখোজ দোখোজকৈ ঘৰমুৱা হল। মুঠতে কবলৈ গলে, হেমচন্দ্র বৰুৱাৰ 'হেমকোষ' অসমীয়া ভাষাৰ পক্ষে সঞ্জীৱনী মন্ত্ৰ; সেই মন্ত্ৰই মৃতকল্প অসমীয়া ভাষাক অমৰ কৰিলে। অসমীয়া ভাষাই যদি আজিকালি দিনে দিনে ঠন ধৰি উঠিছে আৰু নন ঠালঠেঙুলি মেলিছে, সি কেৱল 'হেমকোষৰ' বহতে আৰু যদি সি কেতিয়াবা ফুল ফুলাই অসম দেশত সৌৰভ বিলাব পৰা হয়, সিও নিশ্চয় হেমকোষৰ বহতে হব। হেমকোষ অসমীয়াৰ অমূল্য সম্পত্তি।

এই অভিধানখনি ৺হেমচন্দ্র বৰুৱাৰ জীৱন ব্যাপী পৰিশ্ৰমৰ ফল। তেওঁ ডেকা কালতে এই অভিধান লিখিবলৈ হাতত লয় আৰু তেওঁৰ মৃত্যুৰ কেইবছৰ মান আগেয়েই তাক লিখি শেষ কৰে।

তেখেতে ১৯৯১ চনত, চেণ্ডেশ্বৰ মাহত লিখকলৈ এইদৰে লিখিছিল:— "I am glad to read three articles in the last number of the Jonaki headed অসমীয়া ভাষা and শাৰিৰিক পৰিশ্ৰম and a piece of poetry designated ব্ৰহ্মপুত্ৰ. I should like to know the names of their authors, but more of these hereafter. I cannot redeem the promise of writing in the Jonaki, until winter sets in. It is still very hot at Gauhati, but I am glad that I shall now be able to pay undivided attention to the Dictionary, which has of late, been very much neglected." তেওঁ অভিধানখন ২টা কি ৩টা ডাঙৰ বহিত লিখিছিল। বহি কেইটা দীঘলে-পুতলে ফুলস্কেপ

কাগজৰ সমান আছিল। আগৰ দিনত ফুল্‌স্কেপ কাগজৰ সমান এবিধ নিচেই পাতল কাগজ আছিল, মানুহে তাক শ্ৰীৰামপুৰীয়া কাগজ বুলিছিল। অভিধান লিখা বহিকেইটা এই কাগজৰ আছিল। তেওঁ ঘৰৰ যি কোঠালিত বহি লেখা-পঢ়া কৰিছিল অভিধানৰ বহি কেইটা সদাই সেই খোটালিৰ মেজত ৰাখিছিল আৰু যেতিয়াই কোনো এটা কথা তেওঁৰ মনত পৰিছিল, ততালিকে তাক সেই বহিত লিখিছিল। এই লিখকক তেওঁ এদিন কৈছিল যে তেওঁ ৰাতি সাৰ পাওঁতে কোনো কথা মনত পৰিলেও তেওঁ তেতিয়াই পাটীৰপৰা উঠি তাক বহিত লিখিছিল। আন কি অফিচত কাম কৰি থাকোঁতে কোনো কথা মনত পৰিলে, তেতিয়াই তাৰ টোকা ৰাখি, ঘৰলৈ উভতি গৈ প্ৰথমে তাকেহে বহিত লিখিছিল; তেওঁ মানুহৰ লগত কথাবাৰ্ত্তা পাতি থাকোঁতে হঠাৎ যে তাৰপৰা কেতিয়াবা উঠি গৈছিল, অভিধানৰ কিবা কথা মনত পৰাত তাকেহে বহিত লিখিবলৈ গৈছিল। এইদৰে থাওঁতে, শোওঁতে, উঠোঁতে, বহোঁতে, কথা পাতোঁতে আৰু আফিচৰ কাম কৰোঁতে, সকলো সময়তে, হেমকোষেই তেওঁৰ ধ্যানৰ বস্তু আছিল; হেমকোষেই তেওঁৰ দিনত চিন্তাৰ বিষয় আৰু ৰাতি সপোনৰ বিষয় আছিল। তেওঁ অভিধানৰ প্ৰত্যেকটো শব্দক কতবাৰ লিখিছিল আৰু কতবাৰ কাটিছিল তাৰ ঠিক নাই; লিখি অঁতাই ভাল নেলাগিলেই আকৌ তাক কাটি নকৈ লিখিছিল; এইদৰে কটাকটি কৰোঁতে বহিৰ পাতবিলাকত লিখিবলৈ ঠাই নাইকিয়া হোৱাত আগৰ কটাৰ ওপৰতে আকৌ কাকতৰ তাপলি লগাই লিখিছিল। এইদৰে বহুত দিনৰপৰা লিখোঁতে লিখোঁতে বহিকেইটা দেখাত একেবাৰেই জুকলা হৈছিল। এই লিখকে বহি কেইটাৰ এনে অৱস্থা দেখি এবাৰ বৰুৱা ডাঙৰীয়াক বহি কেইটা নকল কৰাই লবলৈ দিহা দিছিল, কিন্তু তেওঁ তেনে নকল কৰাবলৈ সাহ নকৰিলে, কিয়নো যেয়ে সেয়ে তেওঁৰ এই কাটকুটবিলাক ভালকৈ পঢ়ি শুদ্ধকৈ নকল কৰিব পাৰিব বুলি তেওঁ বিশ্বাস নকৰিছিল আৰু এজনে অশুদ্ধকৈ নকল কৰিলে, তাক আকৌ শুদ্ধ কৰিবৰ নিমিত্তে তেওঁৰ গাত বল নাছিল। বহুত দিনৰপৰা তেওঁৰ আঁঠুত আৰু হাত ভৰিৰ গাঠিত বাত-বিষ হোৱাত তেওঁ বৰ কষ্ট পাইছিল, সেইগুণে তেওঁ প্ৰায় ঘৰৰপৰা বাজেই নহৈছিল। তেওঁ, তেওঁৰ জীৱনৰ



শেহ ভাগত বছেৰেকৰ ভিতৰত এদিন অৰ্থাৎ বিজয়াদশমীৰ দিনা মাথোন বাটত ফুৰিবলৈ ওলাইছিল; নহলে সদাই ঘৰতে থাকি পঢ়িছিল বা লিখিছিল। তেওঁক এনেই বহি থকা, কোনও কেতিয়াও দেখা নাই।

তেওঁৰ অভিধান প্ৰকাশ হোৱাৰ আগেয়েই অসমদেশৰ সকলো মানুহে তেওঁ এনে এখন অভিধান লিখিছে বুলি ভু পাইছিল আৰু সকলোৱে অতি আগ্ৰহেৰে সৈতে কেতিয়া তেওঁৰ অভিধান প্ৰকাশ হয়, তালৈ বাট চাই আছিল। আমাৰ দেশত অভিধান ছপাবপৰা ছাপাখানা এতিয়াই নাই, তেতিয়া আৰু নাছিল। তেওঁ ভাবিছিল যে তেওঁ নিজে কলিকতালৈ গৈ তাতে থাকি কিতাপখন ছাপা কৰাব আৰু নিজে প্ৰুফ সংশোধন কৰিব। তেওঁ যেই-সেই লেখা সম্বন্ধে বৰ্ণাশুদ্ধিৰ দোষ বৰকৈ ধৰিছিল আৰু এবাৰ এই প্ৰবন্ধৰ লিখকলৈ সেই বিষয়ে এইদৰ লিখিছিল "One mistake in a sentence is sufficient to knock out the brain of the whole sentence." তেওঁৰ বিষ বেমাৰ ক্ৰমে বেছি হৈ অহাত তেওঁৰ পক্ষে কলিকতালৈ যোৱা অসম্ভৱ হৈ উঠিল। এনেকুৱা কেইবাটাও কাৰণত তেওঁ জীয়াই থকা কালত আৰু 'হেমকোষ' ছাপা হৈ ওলাব নোৱাৰিলে। এবাৰ পুৰণা জোনাকীত, সম্পাদকে "হেমকোষ" প্ৰকাশ হৈ নোলোৱাত বেজাৰ পাই অলপ ধেমেলীয়া ভাবে উল্লেখ কৰিছিল যে, "হেম-কোষ" কিজানি চিৰকাল জগন্নাথৰ মূৰ্ত্তিৰদৰেই থাকিব। এই কথাত বৰুৱা ডাঙৰীয়াৰ ইমান তমোময় খং উঠিছিল যে জোনাকীৰ সম্পাদকক আগত নেপাই জোনাকী কাকতৰ সেই সংখ্যাৰ ওপৰতে খঙৰ পোটক তুলিছিল। এনে সামান্য কথা এটাত তেখেতৰ নিচিনা গহীন মানুহ এজনৰ এনে খং উঠা দেখি এই প্ৰবন্ধৰ লিখক আচৰিত হৈছিল আৰু পেটে পেটে হাঁহি সামৰিব নোৱাৰিছিল। আচল কথা হৈছে যে অভিধানখন তেওঁৰ ইমান আদৰৰ বস্তু আছিল যে তাৰ বিষয়ে কোনেও একাষাৰ নিমৰমীয়ালে কথা কোৱা তেওঁ সহিব নোৱাৰিছিল। তেওঁৰ ইমান মৰমৰ হেমকোষক, যাক তেওঁ অসমীয়া ভাষাৰ উন্নতিৰ নিমিত্তে আৰু অসমীয়া মানুহৰ উপকাৰৰ নিমিত্তে বুকুৰ তেজেৰে লিখাৰ নিচিনাকৈ লিখিছিল, তাক প্ৰকাশ কৰি অসমীয়া

বাইজৰ হাতত নৌ দিবলৈ পাওঁতেই তেওঁ ইহ সংসাৰ এৰি যাব লগাত পৰিল, ইয়াতকৈ আৰু ডাঙৰ বেজাৰৰ কথা কি হব পাৰে।

১৮৯৬ চনত যেতিয়া বৰুৱা ডাঙৰীয়া ঢুকায়, তেতিয়া এই প্ৰবন্ধৰ লিখক জয়ন্তপুৰত চৰ্বডিপুটী কলেক্টৰ কামত ভৰ্ত্তি হৈ, মিষ্টৰ গেইটৰ লগত মিলগত আসামৰ ঐতিহাসিক অনুসন্ধান সম্বন্ধীয় কাৰ্য্য কৰিছিল। মিষ্টৰ গেইট তেতিয়া, আসামৰ চীফ কমিচনৰ চাহাব বাহাদুৰৰ প্ৰধান চেক্ৰেটৰি আছিল। গুৱাহাটীত বৰুৱা ডাঙৰীয়া হানি পৰিবৰ দিনাই এই প্ৰবন্ধৰ লিখকে; খবৰপৰা এই নিদাৰুণ বাতৰি দিয়া চিঠি এখন পাই, ততালিকে সেই বাতৰি মিষ্টৰ গেইটক জনায়। মিষ্টৰ গেইটে বৰুৱা ডাঙৰীয়াক আগৰেপৰা ভালকৈ জানিছিল আৰু তেওঁক বৰ শ্ৰদ্ধা কৰিছিল। তেওঁৰ মৃত্যু বাৰ্তাৰ পাই মিষ্টাৰ গেইটে অন্তৰেৰে সৈতে বেজাৰ প্ৰকাশ কৰিলে। তেতিয়া লিখকে মিষ্টাৰ গেইটক বৰুৱা ডাঙৰীয়াই লিখি থৈ যোৱা ছপা নোহোৱা কিতাপ কেইখনৰ, বিশেষকৈ "হেমকোষৰ" কথা উনুকিয়াই, ছপা নোহোৱা কিতাপ কেইখন যেনেতেনে মতে নষ্ট নোহোৱাকৈ ৰক্ষা কৰিবলৈ অনুৰোধ কৰে। আৰু "হেমকোষৰ" নিচিনা কিতাপ এখন নষ্ট হবলাগিলে যে অসমীয়া জাতিৰ আৰু অসমীয়া ভাষাৰ কি অসীম হানি হব তাকো তেওঁক বুজাই কয়, আৰু এই দিহা দিয়ে যে কামৰূপ জিলাৰ ডিপুটি কমিচনৰলৈ লিখি সোনকালে কিতাপ কেইখন গবৰ্ণমেণ্টৰ জিম্মালৈ অনা হওক, যাতে যেই সেই মানুহৰ হাতত পৰি কিতাপ কেইখন নষ্ট নহয়। সেই অনুৰোধ মতে মিষ্টৰ গেইটে তেতিয়াই কামৰূপ জিলাৰ ডিপুটি কমিচনৰলৈ এখন বেচৰ্কাৰি চিঠি লিখে। ডিপুটী কমিচনৰে মিষ্টৰ গেইটৰ চিঠি পোৱা মাত্ৰকে কিতাপ কেইখন তেওঁৰ জিম্মালৈ আনি সেই কথা মিষ্টৰ গেইটক জনায়। গুৱাহাটীৰ "আসাম" কাকতত, স্বৰ্গীয় কালিৰাম বৰুৱাই এই কথা ছপাই, মিষ্টৰ গেইটৰ প্ৰশংসা কৰি এটি টোকা লিখে আৰু গবৰ্ণমেণ্টে যাতে "হেমকোষ" ছপা কৰি উলিয়ায় তাৰ নিমিত্তে গবৰ্ণমেণ্টক অনুৰোধ কৰে। "আসামৰ" সেই টোকা পঢ়ি মিষ্টৰ গেইটে লিখকক মাতি নি সেই বিষয়ে পৰামৰ্শ কৰে আৰু লেখকৰ মুখে হেমচন্দ্ৰ বৰুৱাই এখন উইল কৰি তাত কেইজন মান উচি মকবৰ কৰি থৈ গৈছে বুলি শুনি, লেখকক কয় যে, তেওঁ নিজে গবৰ্ণমেণ্টক "হেমকোষ" প্ৰকাশ কৰি উলিয়াবলৈ প্ৰস্তাৱ কৰাতকৈ, হেমচন্দ্ৰ বৰুৱাৰ উচিবিলাকে গবৰ্ণমেণ্টক সেই বিষয়ে আবেদন কৰাটোহে ভাল কথা। তেতিয়া লিখকে, হেমচন্দ্ৰ বৰুৱাৰ উইলৰ এজন উচি ৺দুলালচন্দ্ৰ চৌধুৰীলৈ এই বিষয়ে চিঠি লিখি, "হেমকোষ" ছপাই উলিয়াবৰ নিমিত্তে গবৰ্ণমেণ্টক প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰে। স্বৰ্গীয় দুলালচন্দ্ৰ চৌধুৰীয়ে ৺হেমচন্দ্ৰ বৰুৱাৰ ওৱাৰিচবিলাকৰ লগত পৰামৰ্শ কৰি লিখকক জানিবলৈ দিয়ে যে বৰুৱা ডাঙৰীয়াৰ ওৱাৰিচে গবৰ্ণমেণ্টক "হেমকোষ" ছপাবৰ নিমিত্তে দিব নোখোজে; কিয়নো পাৰিলে, তেওঁবিলাকে তাক নিজেই ছপাই উলিয়াব খোজে আৰু নোৱাৰিলে তেতিয়া কলিকতাত থকা অসমীয়া ছাত্ৰবিলাকে তাক ছপাবৰ প্ৰস্তাৱ কৰাত তেওঁবিলাকক দিব খোজে। ৺দুলালচন্দ্ৰ চৌধুৰীৰ এই চিঠি পাই লিখক মহা চিন্তাত পৰে। ওৱাৰিচবিলাকৰ এনে আপত্তি আছে বুলি জানিলে আৰু দেশৰ মানুহেই কিতাপখন ছাপা কৰি উলিয়াব খুজিছে বুলি শুনিলে মিষ্টৰ গেইটে আৰু সেই বিষয়লৈ কেতিয়াও আগ নোবাঢ়িব এই ভাবি লিখকে এই চিঠিৰ কথা মিষ্টৰ গেইটক নজনোৱাকৈয়ে, আকৌ ৺দুলালচন্দ্ৰ চৌধুৰীলৈ এই বুলি চিঠি লিখিলে "গবৰ্ণমেণ্টক যদি এই কিতাপখন ছপাবলৈ দিয়া নহয় তেনেহলে সি যে ছপা হৈ ওলাব তাৰ অলপো সম্ভৱ নাই। কিতাপখন ভালকৈ ছাপা কৰি উলিয়াবলৈ বহুত টকা লাগিব; সিমান টকা কলিকতাত থকা অসমীয়া লৰাবিলাকে কেনেকৈ গোটাব আৰু তেওঁৰ ওৱাৰিচৰ ভিতৰতো কোনোৱে যে ইমান টকা গাত নলগাকৈ খৰচ কৰিব পাৰিব তাৰো আশা কম। মুঠৰ ওপৰত কিতাপখন এধা ছপা অৱস্থাতে বা সমূলী নষ্ট হৈ যোৱাৰহে আশঙ্কা; সেয়ে হলে আমাৰ মহৎ অনিষ্ট হব। এতেকে তেওঁ যেন ওৱাৰিচবিলাকক বুজাই-বৰাই কিতাপখন যাতে গবৰ্ণমেণ্টক গতাব পাৰে তাৰ নিমিত্তে অহোপুৰুষাৰ্থ কৰিব।" লিখকৰ এই চিঠি পাই ৺দুলালচন্দ্ৰ চৌধুৰীয়ে ৺হেমচন্দ্ৰ বৰুৱাৰ ওৱাৰিচলৈ আকৌ টানি চিঠি দিলে, আৰু সেই চিঠিৰ উত্তৰত ওৱাৰিচবিলাকে কিতাপখন গবৰ্ণমেণ্টক ছপাবলৈ দিবলৈ ৰাজি হল। ৺দুলালচন্দ্ৰ চৌধুৰীয়ে এই শুভ বাতৰি লিখকক জানিবলৈ দিয়ে আৰু লিখকেও এই কথা মিষ্টৰ গেইটক জনায়। তাৰ

কেইদিনমানৰ পাছতে মিষ্টৰ গেইটে কলিকতাত থকা অসমীয়া ছাত্ৰবিলাকৰপৰা আৰ্হি স্বৰূপে ছপোৱা "হেমকোষৰ" পাতকেইটামান পাই আৰু অসমীয়া ছাত্ৰবিলাকে "হেম-কোষ" ছপাবলৈ আৰম্ভ কৰিছে বুলি শুনি, লিখকক মাতি নি সেই কথা কয়; আৰু তেনে অৱস্থাত গৱৰ্ণমেণ্টে এই কিতাপ ছপোৱাৰ একো আৱশ্যক নাই বুলি ভাব প্ৰকাশ কৰে। লিখকে যিহলৈকে ভয় কৰিছিল সেয়ে হোৱা দেখি বৰ বেজাৰ পালে। তেওঁ তেতিয়া মিষ্টৰ গেইটক কলে যে কলিকতাত থকা অসমীয়া লৰাৰ উৎসাহ থা কলেও, ইমান এখন কিতাপ ছপা কৰিবৰ নিমিত্তে আৱশ্যকীয় ধন তেওঁবিলাকৰ হাতত কেতিয়াও নহয়। তেওঁলোকে নিশ্চয় ৰাইজৰপৰা পঁচা তুলি এই কাম কৰিবলৈ আগবাঢ়িছে আৰু আন কোনো উপযুক্ত মানুহে এই কাম হাতত লোৱা সম্ভৱ দেখা হলে তেওঁবিলাকে কেতিয়াও ইয়াৰ নিমিত্তে আগ নোবাঢ়িলহেঁতেন. কেৱল কেনেবাকৈ হাতে লিখা কিতাপখন নষ্ট হব, এই ভয়তহে তেওঁবিলাকে এনে গুৰুতৰ কামত হাত দিছে। লিখকৰ এই কথাত মিষ্টৰ গেইট বৰ সন্তুষ্ট নোহোৱা যেন দেখি তেওঁ কলিকতাত থকা অসমীয়া লৰাবিলাকলৈ আঁতি-গুৰি সকলো কথা বিৱৰি লিখি জনোৱাত তেওঁবিলাকে "হেমকোষ" প্ৰকাশ কৰা প্ৰস্তাৱ তত্তালিকে এৰি দি লিখকক জানিবলৈ দিয়ে; লিখকে কলিকতীয়া লৰাবিলাকৰ চিঠি মিষ্টৰ গেইটক দেখুৱাত, তেতিয়াহে তেওঁ লিখকৰ কথা পতিয়ালে। এইদৰে যদিবাও প্ৰথম আৰু প্ৰধান বিপদৰ হাত সৰা হল, তথাপি অলপ দিনৰ ভিতৰতে আকৌ আন এক নতুন বিপদে দেখা দিলেহি।

লিখকৰ অনুৰোধমতে দুলালচন্দ্ৰ চৌধুৰীয়ে হেমচন্দ্ৰ বৰুৱাৰ উইলৰ উচি স্বৰূপে কামৰূপৰ ডিপুটী কমিচনৰ চাহাবৰ জৰিয়তে গৱৰ্ণমেণ্টলৈ এখন আবেদন দি "হেমকোষ" ছপাবৰ নিমিত্তে গৱৰ্ণমেণ্টক গতাই দিয়ে। দুৰ্ভাগ্যক্ৰমে কামৰূপৰ ডিপুটী কমিচনৰে সেই আবেদন আৰু হাতেলিখা "হেমকোষ" গৱৰ্ণমেণ্টলৈ পঠাওঁতে এই বুলি অভিমত প্ৰকাশ কৰিলে যে কিতাপখন প্ৰকাশ কৰাৰ আগতে এজন উজনিৰ, এজন নামনিৰ আৰু এজন মাজ-অসমৰ মানুহৰ হতুৱাই তাক ভালকৈ চোৱাই-চিতাই সংশোধন কৰাই ছপা কৰোৱাহে ভাল। ডিপুটী কমিচনৰৰ এই মন্তব্যৰপৰা



যে কিমান জঞ্জাল বাঢ়িল তাক তলত লিখা কথাৰপৰাই ভালকৈ বুজা যাব। ৺দুলালচন্দ্ৰ চৌধুৰীৰ আবেদন পত্ৰ ডিপুটী কমিচনৰৰ এই মন্তব্যাই সৈতে চীফকমিচনৰ চাহাবৰ অফিচ পোৱাত, তাত থাপে থাপে থকা কেৰাণী বাবুবিলাকৰ ভিতৰত অনেক কাকত কলম চহীৰ শৰাধ হোৱাৰ পাছত এয়ে ঠিক হল যে কিতাপখন শুধৰাবৰ নিমিত্তে অসমৰ তিনি ঠাইৰ তিনি জন মানুহ বাছি উলিয়া বৰ টান কথা হব, সেই গুণে নগাঁৱত থকা 'টেক্সট্ বুক' কমিটিকে সেই ভাৰ দিয়া হওক। মিষ্টৰ গেইটেও এই প্ৰস্তাৱকে ভাল যেন দেখি লিখকক মাতি নি তেওঁৰ মতামত সোধাত, তেওঁ এই প্ৰস্তাৱৰ ঘোৰ প্ৰতিবাদ কৰে আৰু কয় যে "হেমকোষ"ৰ কোনো ৰকম লৰচৰ কৰা স্বৰ্গীয় গ্ৰন্থকাৰৰ একেবাৰেই ইচ্ছাৰ বিৰুদ্ধ; তেওঁ নিজে তাৰ প্ৰুফ সংশোধন কৰি ছপা কৰিব নোৱৰা বাবেই তেওঁৰ জীৱন কালত কিতাপখন প্ৰকাশ নহল আৰু তাত বাজে হেমচন্দ্ৰ বৰুৱাই যি ভাষা লিখে সেই ভাষাকে অসমীয়া মানুহে আৰ্হি ভাষা বুলি ভাবে; সেইগুণে তেওঁ লিখা অভিধান সংশোধন কৰিবৰ উপযুক্ত মানুহ অসমত নাই বুলিলেও হয়। বিশেষতঃ যি "টেক্সট্বুক" কমিটিৰ হতুৱাই তেওঁৰ অভিধান সংশোধনৰ প্ৰস্তাৱ উঠিছে, তাত অসমীয়া ভাষা ভালকৈ জনা মানুহ এজনো নাই। টেক্সংবুক কমিটিৰ ওপৰত হেমচন্দ্ৰ বৰুৱাৰ ইমান তুচ্ছ ভাব আছিল যে সেই কমিটিক তেওঁৰ কিতাপ চাবলৈ দিব লাগিব বুলি তেওঁ পাঠ্য বিষয়ে কোনো কিতাপকে লিখিবলৈ এৰি দিলে। তেওঁৰ যি কেইখন কিতাপ ইস্কুলত চলে, সেই কেইখন "টেক্চ্ট্বুক" কমিটি স্থাপিত হোৱাৰ আগেয়েই লিখা। এই-বিলাক কাৰণৰ বাহিৰেও, "হেমকোষ" হেমচন্দ্ৰ বৰুৱাৰ হাতৰপৰা যেনে ওলাইছে তেনেভাৱে প্ৰকাশ কৰা নহলে অসমীয়া মানুহে তাক কেতিয়াও প্ৰমাণী বুলি গ্ৰহণ নকৰে। গৱৰ্ণমেণ্টে "হেমকোষ" লৰচৰ কৰি ছপা কৰাব লাগিলে তাক ছপা নকৰোৱাই ভাল বুলি সকলো অসমীয়া মানুহে কব। মিষ্টৰ গেইটে লিখকৰ এইবিলাক কথা শুনি বৰ দোধোৰ মোধোৰত পৰিল আৰু এই বিষয়ে বিশেষকৈ ভাবি চোৱা যাব বুলি তেতিয়া একো সিদ্ধান্ত নকৰিলে। লিখকৰ মনত তেতিয়া এনে ধাৰণা হৈছিল যে এই বিপদৰপৰা হাত সাৰিবৰ একমাত্ৰ উপায় হৈছে গৱৰ্ণমেণ্টে কিতাপখন যাতে ছপা

নকৰে তেনে কৰাটোহে। এনেতে ভগৱানৰ ইচ্ছাত স্বৰ্গীয় জগন্নাথ বৰুৱা ডাঙৰীয়া খিলঙলৈ ফুৰিবলৈ যায় আৰু লিখকে তেওঁক এইবোৰ কথা বুজাই কোৱাত, তেওঁ লিখকেৰে সৈতে একমত হোৱাত, লিখকে তেওঁক বিশেষ ভাবে অনুৰোধ কৰি কয় যাতে তেওঁ মিষ্টৰ গেইটৰ লগত দেখা কৰি "হেমকোষৰ" বিষয়ে কথা উলিয়াই, তেওঁক "হেমকোষ" লৰচৰ নকৰাকৈ ছপা কৰিবলৈ কয়। বৰুৱা ডাঙৰীয়াই মিষ্টৰ গেইটৰ লগত দেখা কৰি "হেমকোষ" লৰচৰ কৰাৰ বিৰুদ্ধে লিখকে কোৱাদি কোৱাতহে মিষ্টৰ গেইটে সেইটো সকলো অসমীয়া মানুহৰ মত বুলি ভাবিলে। তেওঁ তেতিয়া এই সিদ্ধান্ত কৰিলে যে যদি গৱৰ্ণমেণ্টে "হেমকোষ" প্ৰকাশ কৰিবলৈ গাত লয়, তেতিয়া তাক কাৰো হতুৱাই সংশোধন নকৰোৱাকৈয়ে ছাপা কৰিব।

যেনে তেনে মতে এই বিপদৰ হাত সৰা হৈছে মাথোন, এনেতে নৰ্গাঁৱৰ এজন পাদুৰী চাহাবে মিষ্টৰ গেইটলৈ এখন চিঠি লিখি প্ৰস্তাৱ কৰে যে গৱৰ্ণমেণ্টে অভিধানখন ছপালে যেন তাৰ আখৰ-জোঁটনি ৰেভেৰেণ্ড ব্ৰন্‌ছন চাহাবৰ অসমীয়া অভিধানৰ আহিৰে কৰা হয়; কিয়নো সেই অভিধানত যি উচ্চাৰণ অনুসাৰে আখৰ জোঁটোৱা হৈছে সেয়ে সৰল, স্বাভাৱিক আৰু বৈজ্ঞানিক প্ৰণালীৰ! মিষ্টৰ গেইটে এই চিঠি পাই পাদুৰী চাহাবৰ মত বৰ সাৰুৱা আৰু "হেমকোষত" সেই প্ৰণালীৰ আখৰ জোঁটনি চলাবলৈ চেষ্টা কৰা হব বুলি উত্তৰ দিলে। এই চিঠিখন ডাকত দিয়াৰ আগতে লিখকৰ চকুত পৰাত তেওঁ তত্তালকে তাক মিষ্টাৰ গেইটৰ ওচৰলৈ লৈ গৈ তেওঁক বুজাই কয় যে অসমীয়া ভাষাত আখৰ জোঁটনি অকল উচ্চাৰণৰ ওপৰত নিৰ্ভৰ নকৰি তিনটা নিয়মৰ ওপৰত নিৰ্ভৰ কৰে; কিছুমান শব্দৰ আখৰ জোঁটনি উচ্চাৰণৰ দৰে কৰা হয়, কিছুমান শব্দৰ মূল অনুসৰি কৰা হয় আৰু কিছুমান শব্দৰ পুৰণি দস্তুৰ অনুসৰি কৰা হয়। হেমচন্দ্ৰ বৰুৱাই,হেমকোষতো এই তিনি নিয়মেৰেই আখৰ জোঁটনি কৰিছে। ইয়াৰ লৰচৰ কৰিলে অসমীয়া ভাষাৰ প্ৰকৃতিকে লৰোৱা হব। লিখকৰ কথা শুনি মিষ্টৰ গেইটে তেওঁৰ মত পৰিবৰ্ত্তন কৰি পাদুৰী চাহাবলৈ আন ৰকমে উত্তৰ দিলে আৰু "হেমকোষো" এই হবপোজা বিপদৰপৰা ৰক্ষা পৰিল।



অতবোৰ কাণ্ডকাৰখানাৰ পাছত মিষ্টৰ গেইটে, "হেমকোষ" গৱৰ্ণমেণ্টে ছপা কৰোৱা যে নিতান্ত উচিত এই সম্বন্ধে অনেক যুক্তি দেখুৱাই গৱৰ্ণমেণ্টৰ ছাপাখানাৰপৰা তাক প্ৰকাশ কৰিবলৈ অনুমতি খুজিলে। তেতিয়া চাৰ উইলিয়েম ওৱাৰ্ড অসমৰ চীফকমিচনৰ আছিল; তেখেতে মিষ্টাৰ গেইটৰ সকলো যুক্তি দলিয়াই পেলাই একেবাৰেই লিখি দিলে যে গৱৰ্ণমেণ্টে "হেমকোষ" ছপোৱাৰ একো আৱশ্যক নাই। চাৰ উইলিয়েম ওৱাৰ্ড যদিও অসমত বহুত দিন আছিল, তথাপি তেখেতে অসমীয়া ভাষাৰ একো খবৰ ৰখা নাছিল আৰু সেইগুণে তাৰ ওপৰত তেওঁৰ বিশেষ মৰম থাকিবৰো কথা নাছিল। চীফকমিচনৰ বাহাদুৰৰ এই হুকুম দেখি "হেমকোষৰ" ভবিষ্যত সম্বন্ধে আমাৰ আৰু বুজিবলৈ একো বাকি নেথাকিল। এই হুকুম দেখি মিষ্টৰ গেইটো যে অলপ চিন্তিত নহৈছিল তেনে নহয়। মিষ্টৰ গেইট কিন্তু আগৰেপৰা এনে প্ৰকৃতিৰ মানুহ আছিল যে তেওঁ এবাৰ কোনো এটা কথা ভাল বুলি জানি হাতত ললে, সহজে তাক এৰি নিদিয়ে। কেই দিন মানৰ পাছত মিষ্টৰ গেইটে "হেমকোষ" সম্বন্ধে ফাইলটো নিজে লৈ গৈ চীফকমিচনৰক নানা ভাবে বুজাই গৱৰ্ণমেণ্টৰ খৰচত "হেমকোষ" ছপা কৰিবৰ হুকুম ললে। চীফকমিচনৰ চাহাবৰ বঙলাৰপৰা ঘূৰি আহিয়েই কি তেওঁ লিখকক মাতি এই সুখবৰ দিলে আৰু কলে যে তেওঁ বহুত কষ্টেৰেহে চীফকমিচনৰৰ মত পৰিবৰ্ত্তন কৰি হেমকোষ ছপোৱাৰ হুকুম আনিব পাৰিলে। এই হুকুম হোৱাৰ কিছুদিন পাছতে এই প্ৰবন্ধৰ লিখক ডিব্ৰুগড়লৈ বদলি হল। ইপিনে খিলঙৰ গৱৰ্ণমেণ্টৰ ছাপাখানাত হেমকোষৰ ছপা আৰম্ভ হল। পূৰ্ব্বৰ কথা আছিল, যে মিষ্টৰ গেইটে হেমকোষৰ ইংৰাজী অংশৰ প্ৰুফ শুধৰাব আৰু লিখকে আসমীয়া অংশৰ প্ৰুফ শুধৰাব। এই কথামতে মিষ্টৰ গেইটে তলত লিখা চিঠিখনিৰে সৈতে "হেমকোষৰ" প্ৰথম ফৰমাৰ প্ৰুফ লিখকলৈ ডিব্ৰুগড়লৈ পঠায়।

SHILLONG

The 30th January, 1897.

Dear sir,

Herewith a proof (with manuscript) of pages 1-30 of the "Asamia Hema Kosh". Please revise it carefully and return the proof with the manuscript to this office at a very early date. I also enclose a list of Assamese peculiars which are not in stock in the Shillong press They have been indented for but to await their receipt will very surely delay the work of printing off the Dictionary. Please examine the list carefully and report if they are all absolutely necessary. If only a few are required they can no doubt be obtained much more quickly than a large number. The English portion of the proof is being read by me.

Yours truly
(Sd) E. A. GAIT.

১৮৯৭ চনৰ জানুৱাৰি মাহতে "হেমকোষ"ৰ ছপা আৰম্ভ হয়; কিন্তু হেমকোষত শব্দৰ উচ্চাৰণ বুজোৱা কিছুমান বিশেষ চিন ব্যৱহাৰ কৰা হৈছিল; সেই চিন থকা আখৰবিলাক গৱৰ্ণমেণ্টৰ ছাপাখানাত নথকা বাবে, লিগি নকৈ কটাব লগোৱা হোৱাত কিছুমান দিনৰ নিমিত্তে "হেমকোষৰ" ছাপা বন্ধ থাকিব লগীয়া হৈছিল। সেই আখৰবোৰ আহি পোৱাৰ পাছত দুই কি এফৰ্ম্মাৰ প্ৰুফ চোৱা হওঁতেই, ১৮৯৭ চনৰ জুনৰ ডাঙৰ ভূঁইকঁপ আহে। এই ভূঁইকপত খিলঙৰ সকলো আফিচৰ ঘৰ ভাগি চূৰ্ণীকৃত হয় আৰু ছাপাখানাৰ ঘৰ ভাগি অনেক মানুহো আৰু আন অনেক কাগজ-পত্ৰও একেবাৰেই নষ্ট হয়। এই ভূঁইকঁপৰ নিমিত্তে খিলঙত সকলো ন-পাতন হব লগীয়া হল। এমাহ মানৰ পাছত লিখকে মিষ্টৰ গেইটলৈ "হেমকোষ"ৰ অৱস্থা কি হল জানিবৰ নিমিত্তে সোধাত, মিষ্টাৰ গেইটে উত্তৰ দিলে যে "হেমকোষৰ" কঁপিখন বিচাৰি পোৱা নগল।" এই বাতৰি পাই লিখকৰ মনৰ অৱস্থা কেনে হলে তাক সহজে অনুমান কৰিব



পাৰি। তেৱেঁই পূৰ্ব্বেপৰা লাগি ভাগি গৱৰ্ণমেণ্টৰ হাতত "হেমকোষ" দিওঁতাত; "হেমকোষ" নষ্ট হোৱাৰ বাবে তেৱেঁই সম্পূৰ্ণ দায়ী এনে ভাব হোৱাত তেওঁৰ মনত অলপো শান্তি নোহোৱা হল; আৰু "হেমকোষ'ৰ নষ্টত অসমীয়া ভাষা আৰু সাহিত্যৰ কি সৰ্ব্বনশীয়া হানি হল, তাক ভাবি তেওঁ আৰু মনকষ্ট পাবলৈ ধৰিলে। ভূঁইকঁপৰ ঠিক পিছতে লিখকৰ প্ৰথম পুত্ৰৰ মৃত্যু হয়; কিন্তু ৰৰপো মৰাত তেওঁ যিমান বেজাৰ পোৱা নাছিল, "হেমকোষ" নষ্ট হোৱাৰ বাতৰিত তিমান বেজাৰ পালে। এই দৰে এমাহ মান থাকোঁতেই এদিন মিষ্টৰ গেইটৰপৰা চিঠি পালে যে হাতে লিখা হেমকোষখন নিচেই ফটা-চিটা আৰু জুকলা অৱস্থাত, ভগা ঘৰৰ এক দম জাবৰৰ তলত পোৱা গৈছে। এই বাতৰি পাই লিখকে হাততে স্বৰ্গ পোৱা দি পালে আৰু ঈশ্বৰক অশেষ ধন্যবাদ দিলে। মিষ্টৰ গেইটে হেনো গৱৰ্ণমেণ্টৰ কাগজপত্ৰবিলাক ভগা ঘৰৰ তলৰপৰা উলিয়াবৰ নিমিত্তে বৰষুণত তিতি, বোকাত লুতুৰিপুতুৰি হৈ, নিজ হাতে লাগিছিল। মিষ্টৰ গেইটৰ অদম্য পৰিশ্ৰমৰ ফলত "হেমকোষ' যমৰ ঘৰৰপৰা ঘূৰি আহিল হয় কিন্তু অলপ দিনৰ পিছতে তেওঁ চিৰকালৰ নিমিত্তে আসামৰপৰা বিদায় ললে। ১৮৯৭ চনৰ ৪ নবেম্বৰ তাৰিখে মিষ্টৰ গেইটে আসাম এৰি যাওঁতে লিখকলৈ লিখিছিল।

"I am very sorry to leave Assam, but shall never forget it, & shall awalays be greatly interested in what goes on there. I am taking all the recently translated *Burangis* &c. with me and hope to work them up into a history of the Province when I go on furlough next year."

মিষ্টৰ গেইটে চিৰকালৰ নিমিত্তে আসাম এৰি যোৱাত এই দেশৰ কি অনিষ্ট হল তাক কৈ শেষ কৰিব নোৱাৰি। তেওঁৱেই প্ৰথমতে এই দেশৰ সম্বন্ধে ৰীতিমতে ঐতিহাসিক অনুসন্ধানৰ কাম আৰম্ভ কৰে আৰু তেওঁৰ যত্নতে "হেমকোষ" প্ৰকাশিত হয়। তেওঁ আন দেশত অনেক গুৰুতৰ কামত আবদ্ধ থাকিও আসামৰ এখন ডাঙৰ বুৰঞ্জী লিখে। ঈশ্বৰৰ অনুগ্ৰহত তেওঁ আজি বিহাৰ আৰু উৰিষ্যাৰ সৰু লাটৰ পদত বহিও আসাম

আৰু অসমীয়ালৈ পাহৰা নাই। অসমীয়া জাতিয়েও চাৰ এডওৱাৰ্ড গেইটৰ উপকাৰ চিৰদিন মনত ৰাখিব আৰু তেওঁক আৰু ডাঙৰ কৰিবৰ নিমিত্তে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিব।

মিষ্টৰ গেইটৰ প্ৰস্থানৰ গতে "হেমকোষ" ছপাৰ কথা একেবাৰেই তল পৰি যায়। ভুঁইকঁপত গবৰ্ণমেণ্টৰ ইমান ক্ষতি হল, গবৰ্ণমেণ্টে যে আকৌ "হেমকোষ" ছপাকৰাই উলিয়াব এনে আশাই নাছিল। মিষ্টৰ গেইট যোৱাৰ পাছত ১৯৯৮ চনৰ এপ্ৰিল মাহৰপৰা কৰ্ণেল গৰ্ডন (তেতিয়া কেপটেইন) আসামৰ Honorary Director of Ethnography নিযুক্ত হয় আৰু তেতিয়া "হেমকোষ" সম্পাদনৰ ভাৰ তেখেতৰ আৰু এই লিখকৰ ওপৰত পৰে। খিলঙৰও গবৰ্ণমেণ্টৰ প্ৰেছৰ অনেক হানি হোৱাত কলিকতাৰ বেপটিষ্ট মিচন প্ৰেছৰপৰা হেমকোষ ছপাবৰ ঠিক কৰা হল। সকলো ঠিক হল হয় কিন্তু কৰ্ণেল গৰ্ডন গুৱাহাটীত আৰু লিখক ডিব্ৰুগড়ত, সেই বাবে প্ৰুফ সংশোধন কৰাত নানা অসুবিধা হবলৈ ধৰিলে। তেতিয়া কৰ্ণেল গৰ্ডনে গবৰ্ণমেণ্টলৈ লিখি লিখকক গুৱাহাটীলৈ বদলি কৰায় আৰু দুয়োজন জুটীয়া সম্পাদকৰ অশেষ পৰিশ্ৰমৰ ফলত ১৯০০ চনৰ আগষ্ট মাহত "হেমকোষৰ" ছপা কাম শেষ হয়। হেমকোষৰ হাতে লিখা কপিখন কেনেকৈ তাপলিৰ ওপৰত তাপলি মৰা আছিল তাক পূৰ্ব্বেই কোৱা হৈছে। ভুঁইকঁপত ইটা মাটিৰ তলত অনেক দিন পৰি থকাত আৰু বৰষুণত তিতাত, তাৰ অৱস্থা দেখিলেই জ্বৰ উঠা হৈছিল আৰু তেনেকুৱা কপিৰ লগত মিলাই অভিধানৰ নিচিনা এখন কিতাপৰ প্ৰুফচোৱাটো যে কিমান টান কাম আছিল, তাক আনক বুজাবলৈ যোৱা মিছা। অসমীয়া ভাষাৰ ওপৰত ভগৱানৰ বিশেষ কৃপা নথকা হলে, এই দৰে ওপৰাউপৰি বিপদে জাম্বুল খাই ধৰাতো "হেমকোষ" কালৰ কৰাল হাত পৰা ৰক্ষা পৰা টান আছিল। অসমীয়া জাতি আৰু অসমীয়া ভাষা পৃথিবীত থাকে মানে, "হেমকোষ" স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ যুগমীয়া কীৰ্ত্তিৰ ধ্বজা স্বৰূপে সাহিত্য-আকাশত চিৰকাল উৰি থাকিব। এনে এটা জাতীয় সম্পত্তিক ৰক্ষা কৰা কামত অলপ হাত-উজান দিব পৰা বাবে লিখকে নিজকো কম ভাগ্যবান বুলি বিবেচনা কৰা নাই। আজিকালি আসাম উপত্যকাৰ



কমিচনৰ অনবেবল কৰ্ণেল গৰ্ডনৰ নিচিনা অসমীয়া জাতিৰ আৰু অসমীয়া সাহিত্যৰ মঙ্গলাকাঙ্ক্ষী পুৰুষ নাই বুলিলেও বঢ়াই কোৱা নহয়; তেখেতে যে আজি অসমীয়া মানুহক ইমান মৰম কৰে তাৰ গুৰিতো "হেমকোষৰ" সম্পাদনকেই বুলিব পাৰি*।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

* আমাৰ বিশেষ অনুৰোধত হেমকোষৰ বিষয়ে এই কথাখিনিক শ্ৰীযুত গোসাঞী দেৱে প্ৰবন্ধৰ আকাৰেৰে বাঁহীত ছপাবলৈ লেখি পঠিয়াইছে। সেইবাবে আমি গোসাঞী-দেৱৰ ওচৰত ধৰুৱা।

সম্পাদক।

---

## কৃপাবৰ বৰুৱাৰ অণ্ডাতঙ্ক।

(বৰবৰুৱা আৰু প্ৰিয়দৰ্শন শৰ্ম্মণঃ)

বোলোঁ কপাল! কপাল! কপালৰ লিখন কোনেও খণ্ডাব নোৱাৰে! সেইটো মই মোৰ জীৱনতে দেখিলোঁ। যিমান দিন তাৰ ফলভোগ কপালত থাকে সিমান দিনলৈ কোনেও তাক গুচাব নোৱাৰে।

প্ৰিয়দৰ্শন। ব্যাপাৰ কি বৰবৰুৱা ডাঙৰীয়া?

কৃপাবৰ। শুনিবা? শুন,—ইংৰাজী ভাবগ্ৰস্ত হবৰেপৰা পুৱাই শুই উঠি এবাটি চাহ খাবলৈ শিকিলোঁ। চাহৰ উপকৰণ,—দুচকল পাওৰুটি আৰু দুটা কণী, যাক তোমালোকে "ডিমা" বোলা, "অণ্ডা" বোলা। চন্দ্ৰ সূৰ্য্যৰ গ্ৰহণ লাগিলেও মোৰ এই প্ৰভাতী চাহপানত বিঘাত নালগে। বহুকাল এই নিয়ম লৰচৰ নোহোৱাকৈ চলিল। এদিন দেখিলোঁ, মোৰ হাতৰ গাঠিত বিষ, আৰু আঠুত বিষ উপস্থিত। ইংৰাজী বেজৰ বিখ্যাত বিদ্বান এজনক দুটকা বজাৰূপ দি মাতি আনি মোৰ ব্যাধিটোৰ বিষয়ে সংবাদ দিলোঁ। তেওঁ মোৰ দুই আঠুৰ দুই ঘিলা, আৰু দুই হাতৰ দুই গাঠি, পনিয়ল পিটিকাদি পিটিকি চালে, বুকুখন পকা-কঠাল টুকুৰিয়াদি টুকুৰিয়াই ললে, আৰু জিভাখন মেলোৱাই কালীঘাটৰ পটৰ কালীমূৰ্ত্তি যেনকৈ মোক কৰি লৈ চালে। তাৰ পিছত মোৰ চকুৰ পিৰিকটি দুটা তেওঁৰ আঙুলিৰ


আগেৰে নিৰ্ম্মমভাৱে চেলাই মোক চকু-চেলোৱা, বুঢ়াটো যেন কৰিবলৈ ধৰিলে আৰু ধোৱাকাউৰীয়ে পাতৰ তলেদি পকা আম জুমাদি ভালকৈ জুমিবলৈ ধৰিলে। মই একো মতা নাই, যিহঁকে তেওঁ কৰিবলৈ কৈছে তাকে কৰি গৈছোঁ,—কাৰণ মই জানো "তোমাৰ মাটিত মোৰ ঘৰ, যি লাগে তাকে কৰ।" তেওঁ "চাটিপিটি" পোৱা ডাক্তৰ।—এইবোৰৰ অন্ত পৰিলত তেওঁ কিবা এটা সিদ্ধান্তত উপস্থিত হৈ এডোখৰ তুলাপাত লৈ খচ্ খচ্ কৰে, চিনামলুকৰ আখৰৰ দৰে আখৰেৰে শাৰীচেৰেক কিবা লেখি মোক কলে "এই দৰবটো দৰবৰ দোকানৰপৰা অনাই হাতৰ গাঠিত আৰু আঠুত ভালকৈ ঘঁহিবলৈ আপোনাৰ লগুৱাক লগাই দিব; আৰু আপুনি কেনে থাকে, তিন দিনৰ মূৰত মোক খবৰ দিব। খোৱাৰ সম্পৰ্কে আপুনি সাবধান হব লাগিব;—অমুক নাখাব, তমুক নাখাব, ভচুক নাখাব, তহুক নাখাব, (যাৰ মানে আপুনি ফুটুকাৰ ফেণসোপাকে খাই পাৰিলে জীয়াই থাকিব)। শেহত তেওঁ বৰকৈ হাক দি কলে "আপুনি কণী একেবাৰেই নাখাব।" সঁচা কৈছোঁ প্ৰিয়দৰ্শন বোপা, মোক যদি ডাক্তৰটোৱে সেইটো নকৈ মোৰ মুখতে খকৰামুকুটি এটাকে মাৰি দিলেহেঁতেন, মই একো নামাতি সেইটো গিলি খব পাৰিলোঁহেঁতেন। আজি একুৰি-এঘাৰ বছৰ যি কণীৰে সৈতে মই মিলি-জুলি ঘনিষ্ঠতা কৰি আছিছোঁ, যি কণীয়ে তাৰ বঙহ-পৰিয়ালেৰে সৈতে আজি ১১২৮৪ দিন নতুন নতুন ৰূপেৰে নতুন নতুন বেশেৰে মোৰ গৰ্ভত পশি মোৰ নাড়ীৰ পাকে পাকে, জহ্নু মুনিৰ গৰ্ভত জাহ্নৱী ঘূৰাদি ঘূৰি, গঙ্গা যমুনাৰ সোঁত বোৱাব লাগিছে, যি মোৰ শৰীৰৰ প্ৰতি লোমকূপত, শ্ৰীমতী আপৰী শইকীয়ানীৰ মূৰৰ চুলিৰ ওৰিয়ে ওৰিয়ে বিৰাওকণীৰে লেখি-কণী পৰাৰ নিচিনাকৈ চিকৰা আৰু বালিচাহীৰ কণী-পাৰিব লাগিছে, সেই কণীৰপৰা মোক বিচ্ছেদ কৰিব খুজিছে—কৰবাৰ কেলেহুৱা ডাক্তৰ এটাই! মই ডাক্তৰক শুধিলোঁ "আপুনি মোক কি কণী খাবলৈ মানা কৰিছে?" তেওঁ কলে "চৰাইৰ কণী।" মই আকৌ শুধিলোঁ "কিহৰ কণী?" তেওঁ আকৌ কলে "চৰাইৰ কণী।" আকৌ শুধিলোঁ। "বোলোঁ কাকে কৈছেন মশায়?" তেওঁ উত্তৰ দিলে "বৰবৰুৱা, আপনাকে কৈছোঁ। আপুনি কণী একেবাৰেই এৰিব লাগিব; নতুবা আপোনাৰ পক্ষাঘাত ৰোগ




হব।" মই তেওঁৰে সৈতে তৰ্কযুদ্ধৰ নিমিত্তে প্ৰস্তুত হৈ তেওঁক কলোঁ—"দেখক, কণী মোক খাবলৈ মানা কৰি আপুনি হয় ভুল কৰিছে, নহয় নাই কৰা, নহয় কথাটো ভালকৈ ভাবি চোৱা নাই। কণীৰে সৈতে এই পৃথিবীত কোনো প্ৰাণীয়েই সমন্ধ ছিন্ন থাকিব নোৱাৰে। কণীয়েই সকলোৰে আদি আৰু কণীয়েই অন্ত। প্ৰথমতে চাওক, আমি থকা ঠাইডোখৰকে সকলো স্থাবৰ জঙ্গম জীৱজন্তু পঞ্চভূত পঞ্চতন্মাত্ৰাদিৰে সৈতে ব্ৰহ্মাণ্ড বোলে। অণ্ড বা কণীৰ বাহিৰত আমাৰ স্থানো নাই, অস্তিত্বও নাই। তাৰ পিছত চাওক, সকলোৰে আদি অৱস্থা কণী। উদাহৰণস্বৰূপে চাওক, পানীৰ প্ৰধান প্ৰাণী মাছৰ আদি কণী। একোটা মাছে কোটী কোটী কণী পাৰে। তাৰ পিছত উভচৰ জন্তু—কাছ আৰু ঘৰিয়াল চাওক, সিহঁতে বুৰিয়ে বুৰিয়ে কণী পাৰে, আৰু সেই কণীৰপৰাই সিহঁতৰ বংশবৃদ্ধি। তাৰ পিছত, মাটিৰ সৰিসৃপ চাওক, সাপ আৰু গুঁই, সিহঁতে জোকাজোকে কণী পাৰে। তাৰ পিছত, উৰিফুৰা পখিলা, চগা, চাওক, সিহঁতো কণীৰ জনক, কণীৰ লালক কণীৰপালক; মুঠতে সিহঁত কণী-পুত্ৰ। উৰি ফুৰাবোৰৰ ভিতৰৰ শ্ৰেষ্ঠ আৰু সুন্দৰ প্ৰাণী চৰাইবোৰ চাওক, সিহঁতৰ কোনোৱে চটি, কোনোৱে চাৰিটি, কোনোৱে এবুৰি, কোনোৱে ছ-অৰা, একো-একোটি ডাঙৰ মাণিক যেন কেনে কণী পাৰে। ওপৰৰ শ্ৰেণীলৈ যিমান আহিব সিমান কণীৰ বহৰ ওচি একত্ত হোৱা দেখিব। ঈশ্বৰৰ বহুবিকাশও শেহত দ্বিত্ব (প্ৰকৃতি পুৰুষ) আৰু একত্বত (একমেবাদ্বিতীয়ং) সেই দৰে পৰিণত হয়, এই মহাশিক্ষা কণীয়ে দিয়ে। এনে কণীক আপুনি মোৰপৰা দূৰত থব খুজিছে কিয়? মোলৈকো, যদি নিতান্ত আপুনি নেৰে, চৰাইৰ দুটা কণী ৰাখি ঈশ্বৰৰ এই ভাব অনুভৱ কৰিবলৈ মোক সুবিধা দিয়ক"। মোৰ কথা শুনি ডাক্তৰজনে মোক কি ভাবিলে কব নোৱাৰোঁ; কিন্তু বিশেষ একোনকৈ খপ্ কৰে উঠি এইকেইষাৰ কথা কৈ গল;—বৰবৰুৱা মহাশয়, মই আকৌ কওঁ, আপুনি কণী মনুলী নাখাব; খালে আপোনাৰ পক্ষাঘাত হবৰ খুব সম্ভৱ। মোৰ কোৱাটো কৰ্ত্তব্য, সেইদেখি কলোঁ, আপোনাৰ যি ইচ্ছা কৰিব। এই প্ৰিস্ক্ৰিপ্সন কাকতখন ডাক্তৰখানালৈ পঠিয়াই দৰবটো অনাই যেনেকৈ ব্যৱহাৰ কৰিবলৈ কৈছোঁ, কৰিব। মই যাওঁ এতিয়া।" এই


বুলি তেওঁ উঠি গুচি গল। মই তেওঁক সুধিব খুজিছিলোঁ, পক্ষাঘাত মানে মই বুজাটোৱেই নে কি বুলি, অৰ্থাৎ পক্ষীৰ আঘাত, অৰ্থাৎ চৰাইৰ কণী তাৰ বাহৰপৰা আনি থালে সেই চৰাইয়ে খুটিবৰ কথাকে তেওঁ কৈছেনে কি? যদি তাকে কৈছে তেন্তে তাৰ প্ৰতিবিধান কৰিও কণী আনি খাব পৰা হব। কিন্তু এই কথা সুধিবলৈ নেপালোঁ!

মোৰ হিন্দুস্থানী চাকৰ এটা আছিল, তাৰ বুদ্ধিটো ইমান জোঙা যে তাৰে দৈতে মোৰ ঘৰৰ আগ-চোতালত পৰিষ্কাৰ মাটিখুন্দা খুৰ মোচ এটা-বেহে সদায় মই বিস্নাই চাইছিলোঁ।— কোনটো বেছি জোঙা। তাক ডাক্তৰৰ দৰবৰ প্ৰিচক্ৰিপ্‌চনখন আৰু দুপ টকা দি ডাক্তৰখানা এখনৰপৰা দৰবটো আনিবলৈ পঠিয়ালোঁ। সি সেইখন লৈ গৈ এখন মুদিৰ দোকানত দি বস্তু খুজিলে। মুদিয়ে তাৰ দোকানত কাম কৰা লগৰীয়া মুদি লৰাটোৰ সহায় লৈও কোনোমতে তাৰ মানে উলিয়াব নোৱাৰি মোৰ চাকৰটোক সুধিলে "ক্যা মাংতা?" সি কলে "উচমে লিখা হ্যায়, পঢ়কে জিনিচ দেও।" মুদীয়ে কলে আমি দুয়ো লাগি-ভাগিও তো এইখন পঢ়িব নোৱাৰিলোঁ। তই কৰপৰা আহিছ।" সি কলে "অসমীয়া বাবুৰ ঘৰপৰা।" মুদিয়ে কলে "তেন্তে তই দুই নম্বৰ লাল বজাৰত থকা আসাম বেঙ্গল ষ্টোৰ্চলৈ যা, তাত হে এই বস্তু পাবি, আমাৰ দোকানত থকাবোৰ বিক্ৰি হৈ গল।" সি অতিকষ্টে লালবজাৰ ষ্ট্ৰীট উলিয়ালেহি কিন্তু দুই নম্বৰটো পাহৰি আন এটা নম্বৰৰ দোকান এখনত সোমাল। সেইখন এখন মুচিৰ দোকান; তাত ঘোঁৰাৰ সাজ জিন লেকাম বিক্ৰি হয়। সি দোকানদাৰক কাকতখন দি তাত লেখা বস্তু দিবলৈ কলত, দোকানদাৰে কাকতখন চাই একো পঢ়িব নোৱাৰি, নিজৰ বিস্নাৰ আগত নিজক কটীয়া কৰি নেদেখুৱাই তাক কলে "ইয়াত কাপোৰৰ কথা লেখিছে; তই হোৱাইটৱে লেইড ল কোম্পানীলৈ যা"। সি হোৱাইট-ৱে কোম্পানীৰ কাপোৰৰ দোকান বিচাৰি চান্দনিৰ অখিল পালৰ দোকানত ওলাই সেই কাকতখন দি, তাত লেখা বস্তু তাক দিবলৈ কলে। পালৰ দোকানৰ মানুহে ভালেমান পৰ সেইখন পঢ়ি, একো ঠিক কৰিব নোৱাৰি, তাক কলে "ইয়াত লেখা মাপত ভুল আছে; তোমাৰা বাবুকো চেলাম দেকে বোল দেও, হিয়া আয়কে মাপ দেনেকু।" সি সেই কথা শুনি উভতি আহি




৬ সপ্তৰ্ষিমণ্ডলৰ ধূম্ৰ নীহাৰিকা






৩ সপ্তর্ষিমণ্ডলস্থ নীহারিকা







প্রিচ্ ক্রিপ্ চনখন মোক দি কলে "আপকো চেলাম দেকে হৱা যা:ন বোলা।" মই কলোঁ "কাহা?" সি কলে "পাল বাবুকা কাপড়াকা দোকানমে। উন্‌লোক বোলা, কাগজমে মাপ ভুল হ্যায়, হৱা যায়কে মাপ দেনে হোগা।" মই তাৰ বুদ্ধিৰ চেকুৰৰ বিষয়ে জানো; সেইদেখি সি কলৈ কলৈ :গ কাক কাক সেই কাকত দিছিল, সোপাকে সুধি উলিয়াই লৈ, অকলৈ বাগৰি বাগৰি হাঁহিলোঁ।

এইবোৰ যি হওক, পক্ষাঘাত ৰোগৰ ভয়ত মই আৰু কণীক একেবাৰেই পৰিত্যাগ কৰিলোঁ। কিন্তু মই হে কৰিলোঁ, কণীয়ে মোক পৰিত্যাগ নকৰাত পৰিল। মই বহুদিনীয়া কণী উপাসক, সেই দেখি কণী বেচা hawker মানুহ এটা নহয় এটা দিনো মোৰ ঘৰত কণীৰ পাচি লৈ ওলাইয়হি। মই আৰু কণী নিকিনো বুলি সিহঁতক কলেও সিহঁত সহজে নহটে, সিহঁতে কণীৰ নানাগুণ ব্যাখ্যা কৰি মোৰ হতুৱাই কিনাবলৈ চেষ্টা কৰে। শেহত মই উপায় নাপাই temptation প্রলোভনৰ হাত সাৰিবলৈ সিহঁত আহিলেই দুৱাৰত দাং দিয়া হলোঁ। আন কিবা বস্তু কিনিবলৈ বজাৰলৈ গলেও, কণীৰ পোহাৰৰ ফালে মই চকু নিদিওঁ, আৰু হঠাৎ পৰিলেও চকু মুদোঁ। কিন্তু মোৰ কপাল নিতান্ত মন্দ, কণী মোৰ পক্ষে শনি হৈ উঠিল। কোনো বন্ধু মানুহৰ ঘৰলৈ গলেও, তেওঁলোকে মই বহু কলীয়া কণীৰ সেৱক জানি, মোক চাহ দিলেই দুটা কণীৰ "অমলেট" (omelet) ভজা,বা সিজোৱা বা "পোচ" (poach) উলিয়াই দিয়েহি আৰু মই কণী নাখাওঁ, এৰিলোঁ, বুলিলেও সুগুনি খুৱাবলৈ নেবানেপেৰাকৈ ধৰে। লাহে লাহে কণীৰ ভয়ত মই বন্ধু বান্ধৱৰ ঘৰলৈকে যাবলৈ এৰিলোঁ, অলৈ-তলৈ ৰেলত যাওঁতে ৰেলৰ বিফ্রেচ্ মেণ্ট কম, বা আন হোটেললৈ যাবলৈকো বিমুখ হলোঁ। কিন্তু ইমান কৰিও মই কণী-শনিৰ হাত সাৰিব পৰা নাই! তালৈ আজিকালি মোৰ ইমান ভয় লগা হৈছে,যে কোনবাই কণী বুলিলেই মোৰ মুখ শেতা পৰি যায়। তাতকৈয়ো এতিয়া মোৰ যি এটা বিপদ হৈছে, বোলোঁ হে মোৰ প্রিয়দর্শন বোপা, মইনো তোমাক কি কম, কি শুনিবা?— ৰাতি টোপনিত মই কণীৰ সমাজিক দেখোঁ! গল ৰাতি সেই সমাজিকৰ. ইমান প্রাদুর্ভাৱ হৈছিল, যে মোৰ শোৱাপাটীৰ গাৰুত তুলিত আৰু আঠুৱাটো, উৰহ বগাই ফুৰাদি,




৫ মীন ও কুম্ভ রাশির মধ্যে এক নীহারিকা






৪ মীনরাশির নীহারিকা



৮ বীণামণ্ডলের নীহারিকা



চৰাইৰ বৃন্দ বৃন্দ কণী বাগৰি ফুৰা দেখিছিলোঁ! ভয়ত মই একেচাটেই উঠি চাকিটো লাগেই বহি বাকী ডোখৰ ৰাতি কটালোঁ, চকুৰ টিপ মাৰিবলৈকে নহল।

প্ৰিয়দৰ্শন। (হাঁহি) ডাঙৰীয়াৰ বৰ বিপদ দেখিছোঁ।

ৰূপাবৰ। অকল বৰেই নহয়, দুঃখ। সিদিনা এঠাইত magic (বাজী) চাবলৈ গৈছিলোঁ, তাত বাজীকৰটোৱে আন আন বাজীৰ লগতে পাচী হাঁহ-কণী দুটা উলিয়াই বাজী আৰম্ভ কৰিলে। মই disgust বিৰক্ত হৈ তাৰপৰা উঠি গুচি আহিলোঁ। এদিন ইয়াৰ ভিতৰতে বায়স্কোপ চাবলৈ গৈছিলোঁ,তাতো এখন পটত কণীৰ ছবি ওলাল! খং উঠি তেতিয়াই তাৰপৰা মই বিদায়। জানা প্ৰিয়দৰ্শন, এতিয়া মই ভালকৈ বুজিছোঁ যে কিয় আমি থকা জগৎখনক ব্ৰহ্মাণ্ড বোলে।

প্ৰিয়দৰ্শন। আপোনাৰ "Eggo-phobia" অৰ্থাৎ অণ্ডাতঙ্ক হৈছে।

ৰূপাবৰ।

---

# নীহাৰিকা।

ব্ৰহ্মতত্ত্বৰ আলোচনাত মানুহে দুটা বাটেদি সহজে আগবাঢ়িব পাৰে— বাহিৰ আৰু অন্তৰ। শিশুৱে যেনেকৈ প্ৰথমতে বহিৰ্জ্জগতৰপৰাই আৰু তাৰ ঘাত প্ৰতিঘাতৰপৰাই নিজৰ অন্তৰ্জ্জগতৰ চিনাকি পাই থাকে, নিজৰ মন আৰু আত্মাৰ পৰিচয় পাই থাকে, বিষয়ৰপৰা বিষয়ীক সুকীয়াকৈ দেখিবলৈ শিকে,তেনেকৈ মনুষ্যজাতিয়েও বাহিৰৰ আকাশত বিশ্বস্ৰষ্টাৰ সুনিপুণ লেখনীৰ পৰিচয় পাই হে আত্মাৰ অন্তৰত ব্ৰহ্মতত্ত্বৰ অনুধ্যান কৰিবলৈ শিকে। উপনিষদৰ ঋষিয়ে সেইদেখি কৈছে যে "যি তেজোময় পুৰুষ এই আকাশত বৰ্ত্তমান আৰু যি তেজোময় পুৰুষ এই আত্মাত বৰ্ত্তমান।"

অন্তৰাত্মাতকৈ বহিৰাকাশত ঈশ্বৰক প্ৰত্যক্ষ কৰাটো ঈশ্বৰে নিজেই উজু কৰি দিছে। এটি বালিকণা কৰপৰা আহিল, কিয় আহিল, এইবোৰ ভাবি আমি পাৰ নেপাওঁ। এজোপা গছে আমাৰ নিমিত্তে ছাঁ দি কেনেকৈ থিয় হৈ আছে, কেনে সোৱাদ ফল সি দিছে, একেলগে কেনেকৈ সি আমাৰ



ভোক পিয়াহ মাৰিছে, এখন নৈয়ে নিজৰ কৰুণা-সোঁত ঢালি দি জগতৰ কত শত সহস্ৰ লক্ষ কোটী প্ৰাণীৰ লক্ষ কোটী যুগ প্ৰাণধাৰণৰ উপায় হৈ চলিছে, আমাৰ বাহিৰৰ এইবোৰ বস্তুৰ উপকাৰিতা আৰু উপযোগিতা ভাবিলেই আমি অবাক হৈ যাওঁ। তেতিয়া সীমাবদ্ধ জগতৰ ওপৰত অসীমৰ ৰূপ প্ৰতিবিম্বিত দেখি সেই বিশ্বপাতাৰ চৰণত আমি বাৰে বাৰে প্ৰণিপাত কৰোঁ। কিন্তু বহিৰাকাশত যিবোৰ বস্তুৱে আমাক অসীমৰ ৰূপ সহজেতে দেখুৱাব পাৰে, সেইবোৰৰ ভিতৰত আকাশৰ সূৰ্য্য চন্দ্ৰ গ্ৰহ নক্ষত্ৰৰ লগত আন কোনো পদাৰ্থৰে তুলনা নহয়।

দিনৌ পুৱা পূব ফালে অৰুণ বৰণীয়া কৰি সূৰ্য্য উদয় হয়, তাৰ পিছত সি আহি মূৰৰ ওপৰ পাই প্ৰচণ্ড তেজ বিকীৰ্ণ কৰে, আকৌ সন্ধ্যাবেলিকা পূব ফালে ৰঙা বৰণ সানি সাগৰৰ সিপাৰে লুকায়। এইবোৰ দেখি সূৰ্য্যৰ অন্তৰাত্মাদেৱতাৰ বিষয়ে যে মানুহৰ মনত প্ৰশ্ন ওলাইছিল, তাত আচৰিত কি? দিনৌ ৰাতি চন্দ্ৰই নিজৰ সুশীতল পোহৰেৰে আকাশ ধল বৰণীয়া কৰে, সেইটো দেখোতে দেখোতে, যে চন্দ্ৰৰ অন্তৰাত্মাদেৱতা যি চন্দ্ৰক চলিবলৈ তেনে নিয়ম কৰি দিছে সেই দেৱতাৰ বিষয়ে মানুহৰ মনত প্ৰশ্ন ওলোৱাত কিবা আচৰিত আছে নে? প্ৰত্যেক ৰাতি অসংখ্য গ্ৰহ তৰাই আকাশক পোহৰাই এক মহোৎসৱৰ ঠাই কৰি তোলে, আৰু পুৱা সেইবোৰ নাইকিয়া হয়, এনে নিয়মে নিয়মে ছন্দই ছন্দই গ্ৰহ নক্ষত্ৰবোৰক দিনৌ যি পৰিচালনা কৰিছে,সেইজনৰ বিষয়ে বিচাৰিবৰ ইচ্ছা মানুহৰ মনত ওলোৱাটো নিতান্ত স্বাভাবিক।

প্ৰত্যেক বালিকণা, প্ৰত্যেক গছৰ প্ৰত্যেক পাত, মাটিৰ প্ৰত্যেক পৰমাণুৰ তত্ত্ব আলোচনা কৰিলেও সেই সকলোতে বিশ্বপিতাৰ হাত উপলব্ধি কৰিব যদিও পাৰোঁ,তথাপি আকাশৰ সূৰ্য্য চন্দ্ৰ গ্ৰহ তৰাবোৰে তেওঁৰ বিষয়ে জানিবৰ বাটলৈ যেনেকৈ আমাক আকৰ্ষণ কৰে,এইবোৰে সিমানকৈ নকৰে। ইয়াৰ কাৰণ এই যে পৃথিৱীৰ বস্তুবোৰক আমি ইমান স্থিৰ আৰু অপৰিবৰ্ত্তনীয় বুলি ভাবোঁ যে সেইবোৰৰ বিষয়ে আলোচনা কৰি সেইবোৰৰ স্ৰষ্টা আৰু পাতাৰ ফালে মন দিয়াটো আৱশ্যক যেন বুলি নাভাবোঁ। কিন্তু ইমান ডাঙৰ আকাশত দিনৌ চন্দ্ৰ সূৰ্য্য প্ৰভৃতি নিৰলম্ব ভাৱে থাকি

যথানিয়মত উদয় অস্ত হোৱাটোৰেই তাৰ কাৰণ অন্বেষণ কৰিবলৈ আমাৰ মনত কৌতূহল জাগ্ৰত কৰি দিয়ে, আৰু তেতিয়া আমাৰ দৃষ্টি আৰু জিজ্ঞাসাই এই সকলোবোৰৰ মূল কাৰণৰ ফালে স্বভাৱতেই ঢাল লয়। এইবাবেই সকলো বিদ্যাৰ আদিতে জ্যোতির্ব্বিদ্যাই উন্নতি লাভ কৰিছিল।

পুৰণি কালত জ্যোতির্ব্বেত্তাসকলে জ্যোতিষ্কমণ্ডলৰ সম্বন্ধে অনেক আশ্চৰ্য্য তত্ত্ব আবিষ্কাৰ কৰিছিল যদিও, কিন্তু বৰ্ত্তমান যুগত বিশেষকৈ ঊনৈশ শতিকাৰ শেহ ভোগৰত জ্যোতিষ সম্বন্ধীয় যিবোৰ তত্ত্ব আবিষ্কৃত হৈছে সেইবোৰৰ আগত সেই পুৰণি কালত আবিষ্কৃত হোৱা তত্ত্ববোৰ ক্ষীণপ্ৰভ হৈ পৰে! সেইবোৰৰ ভিতৰত নিহাৰিকাবাদে বোধ হয় নব্য যুগৰ জ্যোতির্ব্বেত্তাসকলৰ মনোযোগ বেছি আকৰ্ষণ কৰিছে। জগতৰ মাজত সৃষ্টি কাৰ্য্য যে এতিয়াও সম্পূৰ্ণ হোৱা নাই আৰু কেতিয়াও যে সম্পূৰ্ণ হবৰ আশাও নাই, এই আশ্চৰ্য্য বাতৰি ন জ্যোতিষৰ নীহাৰিকাবাদে ঘোষণা কৰি দিছে। অনেক ধৰ্ম্মসম্প্ৰদায়ৰ শাস্ত্ৰত কৈছে যে জগৎ সৃষ্টিৰ কাৰ্য্য শেষ হৈ গৈছে. এই নীহাৰিকাবাদে সেই মত যে ভ্ৰান্ত সেইটো প্ৰমাণ কৰি দিছে। এতিয়াও অগণ্য যুগলৈকে বিশ্বজগৎ নতুন জীৱনৰ বাট ধৰি চলি থাকিব। নতুন জ্যোতিষে এতিয়া প্ৰায় স্থিৰসিদ্ধান্তৰূপে প্ৰমাণ কৰিছে যে আজি পৰ্য্যন্তও অগণিত তৰাবোৰৰ সৃষ্টিকাৰ্য্য সঁচাসঁচকৈয়ে চলি আছে। এতিয়া সেই একো-একোটি তৰাৰপৰা যে কত শত গ্ৰহৰ উৎপত্তি হব পাৰে আৰু সেই একো-একোটি গ্ৰহৰপৰা যে কত শত চন্দ্ৰৰ জন্ম হব পাৰে, কোনে তাৰ লেখ পায়? ভাবিলে সঁচাকৈয়ে স্তম্ভিত হব লাগে যে এইদৰে আজিলৈকে আমাৰ এই সৌৰজগতৰ নিচিনা কত শত জগতৰ সৃষ্টি কাৰ্য্য অবিশ্ৰামে চলিছে।

এক শতিকাৰ ওপৰ হব, সুপ্ৰসিদ্ধ ফৰাচী জ্যোতির্ব্বিৎ লাপ্লাচে জগতৰ সৃষ্টি যে কি প্ৰকাৰে হব পাৰে সেই বিষয়ে এটি সম্ভৱপৰ অনুমান প্ৰকাশ কৰে। এই অনুমানৰ নামকে পণ্ডিতসকলে নীহাৰিকাবাদ দিছে। লাপ্লাচে তেওঁৰ এই মতটিক কোনো গণিতৰ সিদ্ধান্তৰ ওপৰত অথবা সেই সময়ত পণ্ডিতসকলে জনা মধ্যাকৰ্ষণ প্ৰভৃতি আন কোনো সিদ্ধান্তৰ ওপৰত থিয় কৰা নাছিল। এইটোক তেওঁ নিতান্ত অনুমান বুলিয়েই



প্ৰকাশ কৰিছিল—অনুমানটি অৱশ্যে খুব ডাঙৰেই হৈছিল। সেইদেখি ইয়াৰ সত্যতা লৈ অনেক তৰ্কবিতৰ্ক হৈ গৈছে। ফলত দেখা যায়, একোবাৰ জ্যোতির্ব্বিদসকলে এই মতটিক অভ্ৰান্ত সত্য বুলিয়েই গ্ৰহণ কৰিছে, আৰু একোবাৰ তাক সমূলী অগ্ৰাহ্য কৰিছে।

লাপ্লাচৰ সময়ত আজিকালিৰ নিচিনা ভাল দূৰবীণ নাছিল, আৰু বৰ্ণচ্ছত্ৰবিশ্লেষণ সম্বন্ধেও বিশেষ একো আবিষ্কৃত হোৱা নাছিল; সেইদেখি তেওঁ তেওঁৰ অনুমানটোৰ সপক্ষে বিশেষ কোনো প্ৰমাণ দিব পৰা নাছিল। কিন্তু এতিয়া তাৰ সপক্ষে অনেক প্ৰমাণ পোৱা গৈছে। এইটো এতিয়া ডাঠকৈ কব পাৰি যে বৰ্ত্তমান কালত যিবোৰ প্ৰমাণ পোৱা গৈছে, তাৰ বলত নীহাৰিকাবাদ জ্যোতিষৰ অনুমান ৰাজ্যৰপৰা আহি সিদ্ধান্তৰ ৰাজ্যত থিয় হবই। লাপ্লাচৰ আগেয়ে সুপ্ৰসিদ্ধ দাৰ্শনিক ক্যাণ্টেও জগত সৃষ্টি সম্বন্ধে এই মতকে ব্যক্ত কৰিছিল, কিন্তু লাপ্লাচে ইয়াকে বিস্তৃতৰূপে ব্যাখ্যা কৰি জনসাধাৰণে বুজিবৰ সুবিধা কৰি দিলে দেখিহে তেওঁৰ নামেই চলি আহিছে।

লাপ্লাচৰ সিদ্ধান্তকল্প এই অনুমানৰ কথা মোটমুটি এই:—সৌৰ জগতৰ প্ৰত্যেকৰ গতিৰ (অৱশ্যে সেই কালত যি কেইটা গতিৰ বিষয়ে জনা আছিল) মুখ একেফালে দেখা গৈছিল। গ্ৰহবোৰও সূৰ্য্যৰ চৌপাশে যি মুখে ঘূৰিছে, চন্দ্ৰবোৰও নিজ নিজ গ্ৰহবোৰৰ চৌপাশে সেই একে মুখেই ঘূৰে। আৰু সৌৰ জগতৰ যি কোনো অংশ নিজ মেৰুদণ্ড বা অক্ষৰ চৌপাশে ঘূৰে, তাৰও গতি সেই একে মুখে। ইয়াৰ উপৰি দেখা যায় যে গ্ৰহবোৰ আকাশত ইফালে সিফালে যথেচ্ছভাৱে বিস্তৃত নহৈ প্ৰায় একে সমতলত (plain) অথবা তাৰে ওচৰাওচৰি অৱস্থিত। প্ৰাচীন কালৰ জ্যোতিষীসকলেও জানিছিল যে সূৰ্য্য, চন্দ্ৰ আৰু গ্ৰহবোৰ ৰাশিচক্ৰৰ বলয়ৰ অন্তৰ্গত ৰবিমাৰ্গৰ ওচৰতে থাকে, কোনোটিয়েই আকাশৰ আন কোনো অংশত উন্মাৰ্গগামী নহয়। উপগ্ৰহ বোলা, অথবা গ্ৰহবেষ্টক অঙ্গুৰী বোলা, সেইবোৰও একে সমতলতে অৱস্থিত; আৰু বিভিন্ন জ্যোতিষ্কবোৰৰ বিষুববৃত্ত বা দৈনিক আবৰ্ত্তনৰ তলও প্ৰায় একে সমতলত অৱস্থিত।

এইবোৰ ঘটনা অকাৰণত সংঘটিত হব নোৱাৰে। তেন্তে এইবোৰৰ

কাৰণ কি? জ্যোতিষ্কমণ্ডলৰ মাজলৈ এনেকুৱা পাৰিবাৰিক সাদৃশ্য আছে কৰপৰা? সিহঁতৰ মাজত তেন্তে কিবা সংযোগ আছে অথবা মূল একে কাৰণৰপৰা সিহঁত সকলোৰে উৎপত্তি হৈছে? বৰ্ত্তমানত তো সিহঁতৰ পৰস্পৰৰ ভিতৰত কোনো সংযোগকে দেখা নাযায়। কাজেই অনুমান হয় যে এসময়ত সিহঁতৰ মাজত নিশ্চয় পৰস্পৰ সংযোগ আছিল—মনত খেলায় যে সিহঁত এসময়ত এক আবৰ্ত্তনশীল মহাপিণ্ডৰেই অংশ আছিল; এনে আবৰ্ত্তমান পিণ্ডৰপৰা বিচ্ছিন্ন হলেই তাৰ অংশবোৰৰ আবৰ্ত্তন মুখ একে ফালেই থাকি যাব। কিন্তু এই মহাপিণ্ডৰেই ভিতৰত গোটেই সৌৰ জগতৰ উপাদান নিহিত থাকিলেও সেইবোৰ নিশ্চয় অতি সূক্ষ্ম বাষ্পৰ আকাৰে আছিল, কাৰণ তেনে নহলে সেই মহাপিণ্ড শনিগ্ৰহ পৰ্য্যন্ত অথবা তাকো অতিক্ৰম কৰি আকাশত বিস্তৃত থাকিব নোৱাৰিলেহেঁতেন। ইমান বৰ আয়তনৰ পদাৰ্থ কেতিয়াও গোট মৰা টান বা পানীৰ নিচিনা তৰল আছিল বুলি বোধ নহয়—সম্ভৱতঃ ই মাৰুত (gaseous) আকাৰতে আছিল।

এনে অনুমানৰ প্ৰমাণ কি? বৰ্ত্তমানত আকাশত এনে সুবৃহৎ আবৰ্ত্তমান মাৰুত পিণ্ড আছেনে? ইয়াৰ উত্তৰত কোৱা যায় যে আকাশত নীহাৰিকাপুঞ্জ আছে,—সিহঁতৰ কিছুমান মাৰুত আকাৰত আছে, আৰু অন্ততঃ কিছুমানক আবৰ্ত্তমান অৱস্থাত দেখা যায়। লাপ্লাচে এইটো একেবাৰেই ঠিককৈ জানিব পৰা নাছিল, কিন্তু অনুমান কৰিছিল। লৰ্ড ৰচৰ (Lord Rosse) দূৰবীণৰ সহায়েৰে সৰ্ব্বপ্ৰথমেই কুণ্ডলিত নীহাৰিকা স্পষ্টকৈ দেখা গৈছিল। আৰু সম্প্ৰতি এণ্ড্ৰমীডা (Andromeda) মণ্ডলৰ (উত্তৰ ভাদ্ৰপদৰ ওচৰীয়া) নীহাৰিকাৰ ফটোগ্ৰাফৰপৰা দেখা গৈছে যে এই নীহাৰিকা পিণ্ডটিয়েও আশ্চৰ্য্য ৰকমে ঘূৰ্ণীপাক খাইছে।

এতিয়া প্ৰশ্ন হৈছে এইটো যে, এটা প্ৰকাণ্ড আবৰ্ত্তমান মাৰুত পিণ্ড যদি যুগ যুগান্তৰৰপৰা চেচা হবলৈ আৰম্ভ কৰে আৰু চেচা হোৱাৰ লগে লগে গোট বান্ধিবলৈ ধৰে, তেন্তে তাৰ কি অৱস্থা হব? এইটো গণিতৰ এটি সূক্ষ্ম সমস্যা। আজিলৈকে এই সমস্যাৰ উপযুক্তৰূপে আলোচনা হোৱা নাই। অনেকৰ বিশ্বাস যে এই সমস্যাটিৰ সম্পূৰ্ণ মীমাংসা হলেই সৌৰ জগতৰ ইতিহাস সহজে উদ্ঘাটিত হব।



লাপ্লাচে কল্পনা কৰিলে যে এই মাৰুত পিণ্ডটি ক্ৰমাগত বৰকৈ ঘূৰিছে, আৰু তাৰ ফলত সঙ্কুচিত হৈছে। ঘূৰি থকা কোনো পদাৰ্থ যদি কোচ খাই যাবলৈ ধৰে, অথচ আবৰ্ত্তনৰ আদিম শক্তি সি ধৰি ৰাখে, তেনেহলে কোনো প্ৰকাৰ বাধা নাপালে সেইটো যিমান কোচখাই যাব, সিমান বেছিকৈ ঘূৰিবলৈ ধৰিব। গণিতীসকলে ইয়াক "বেগৰ ক্ৰমিক অঙ্ক" বুলি নিৰ্দ্দিষ্ট কৰে। সমগ্ৰ পিণ্ডটি মধ্যাকৰ্ষণ বা অণুবোৰৰ পৰস্পৰৰ আকৰ্ষণৰ দ্বাৰাই সংৰক্ষিত হয়। কিন্তু তাৰ গোটেইবোৰ আবৰ্ত্তনৰ ঘূৰ্ণী বাটেদি গৈছে দেখি সেইবোৰ ছিটিকি ওলাই যাব খোজে, কেৱল সেই কেন্দ্ৰাতিগশক্তিতকৈ কেন্দ্ৰানুগ শক্তিৰ সামান্য আধিক্যই অণুবোৰক ধৰি ৰাখে আৰু নীহাৰিকাটোক গোট মাৰিবৰ ফালে লৈ যায়। অংশবোৰৰ পৰস্পৰৰ আকৰ্ষণৰ বিৰুদ্ধে ঘূৰ্ণীৰ কেন্দ্ৰাতিগ শক্তি থিৰ হয়। অন্তত এনে এটি ঠাইত পৰা যায় গৈ যে যত সেই শক্তিয়ে সমান বলেৰে কাম কৰে। কাজেই নীহাৰিকা পিণ্ডটিৰ তেনেকুৱা ঠাই নিৰ্দ্দেশক ৰেখাটিৰ বাহিৰে যি অংশটি থাকিব সেইটি উভয় শক্তিৰ সমতৌলৰ ওপৰত ৰব। সেই অংশটি আৰু মূল পিণ্ডেৰে সৈতে ঘূৰিব নোৱাৰি পিছ পৰি যাব আৰু মূল পিণ্ডৰ বাকী ডোখৰে পিছ পৰা ডোখৰক এৰি দি সঙ্কুচিত হৈ থাকিব। তেতিয়া সেই পিছ পৰা অংশটিয়ে আঙ্গঠীৰ আকাৰ ধাৰণ কৰে আৰু মূল পিণ্ডৰ নাভিটি (nucleus) এটি কেন্দ্ৰৰ অভিমুখে সঙ্কুচিত হৈ হৈ আঙ্গঠীটিৰপৰা দূৰলৈ আঁতৰি যায়। আকৌ কিছুকালৰ পিছত সেই একে নিয়মেই মূল পিণ্ডৰপৰা আঙ্গঠীৰ পিছত আঙ্গঠী ওলায়। এই আঙ্গঠীবোৰে কি কৰে? যদিও আকৰ্ষণ আৰু বিকৰ্ষণ উভয় শক্তিৰ সাম্যবশত উৎক্ষিপ্ত অংশ এটি নিৰ্দ্দিষ্ট মুহূৰ্ত্তত মূলপিণ্ডৰপৰা বিক্ষিপ্ত হল কিন্তু সেই মুহূৰ্ত্তৰ পূৰ্ব্বতে তাত যে আবৰ্ত্তন-গতি নিহিত হৈছিল, সেইটো তো সেই মুহূৰ্ত্ততে সি এৰিব নোৱাৰিলে, সেইদেখি উৎক্ষিপ্ত হবৰ সময়ত তাত যি আবৰ্ত্তন-গতি আছিল সেই গতি লগত লৈয়েই সি ঘূৰি থাকিব।

এতিয়া প্ৰশ্ন হৈছে এইটো যে এই উৎক্ষিপ্ত অংশবোৰ আঙ্গঠীৰ আকাৰেৰে সদায় থাকিব নে নেথাকে? সহজতে বুজা যায় যে আঙ্গঠীৰ কেউফাল সমান থাকিব, যাৰ কোনো ফালে আকাৰত বা পৰিমাণত কম বেছি নাথাকে

সেইটিয়েই সদায় আঙ্গঠীৰ আকাৰেই থাকি যাব; আৰু যদি কোনো আঙ্গঠীৰ কোনো ফালে কোনো বিষয়ত অসমান থাকে, তেনেহলে তাৰ ভাগি যাবৰ সম্ভাবনা থাকে। সিও আকৌ বিভিন্ন অসমান খণ্ডত ভগা সম্ভৱ; কাজেই এইটো খুব সম্ভৱ বুলি মনত হয় যে সেই খণ্ডবোৰ আকৌ পৰস্পৰেৰে সৈতে মিলি যাব—সৰু অংশ গৈ ডাঙৰত পৰিব। সেই নবগঠিত ঘূৰ্ণায়মান খণ্ড সেই পৰ্য্যন্ত এটা আবৰ্ত্তনশীল মাৰুতপিণ্ডয়েই যে আছে এইটো যেন নাপাহৰোঁ। এই পিণ্ডয়েই আকৌ, যি নাভিপিণ্ডৰপৰা ই উৎক্ষিপ্ত হৈছিল, সেই আদিম নাভিপিণ্ডৰ নিচিনা চেচা হৈ সঙ্কুচিত হোৱাৰ লগে লগে আঙ্গঠীবোৰ উৎক্ষিপ্ত কৰি থাকিব। কোনো নাভি-পিণ্ড ক্ৰমশঃ যিমান্ ক্ষুদ্ৰাকৃতি হৈ থাকে, তাৰ আবৰ্ত্তৰ বেগ সিমান বেছি বাঢ়ি থাকিব। সেইদেখি এইটো বুজা গৈছে যে আঙ্গঠীবোৰ যিমান শেহত উৎক্ষিপ্ত হব সেই আঙ্গঠীবোৰ পূৰ্ব্বোৎক্ষিপ্ত আঙ্গঠীতকৈ অধিক বেগেৰে ঘূৰি থাকিব। সকলোৰে শেহত যি নাভি পিণ্ড বাকী থাকিব, সিয়েই সকলোতকৈ বেছি বেগেৰে ঘূৰিব।

গোটেই আদিম পিণ্ডৰ নাভি সঙ্কুচিত হৈ হৈ বৰ্ত্তমান সূৰ্য্যত পৰিণত হৈছে। এই সূৰ্য্য নিজৰ মেৰুদণ্ডৰ চাৰিউফালে পঁচিশ দিনে এবাৰ আবৰ্ত্তিত হয়। যিবোৰ আঙ্গঠী ইয়াৰ দ্বাৰাই উৎক্ষিপ্ত হৈছিল সেইবোৰ এতিয়া গ্ৰহত পৰিণত হৈছে—কিছুমান ডাঙৰ আৰু কিছুমান সৰু। যিবোৰ প্ৰথম প্ৰটম ছিটিকি বাহিৰ হৈছিল সেইবোৰ অপেক্ষাকৃত মন্দগতিৰে ঘূৰে। আকৌ এইবোৰ গ্ৰহৰ মাৰুত পিণ্ডৰপৰা যিবোৰ আঙ্গঠি উৎক্ষিপ্ত হৈছিল সেইবোৰ এতিয়া উপগ্ৰহ হৈ পৰিছে;—কেৱল শনিগ্ৰহৰ চাৰিউফালে আবৰ্ত্তনশীল এটি আঙ্গঠি আজি পৰ্য্যন্ত ভাগি-ছিগি উপগ্ৰহত পৰিণত হোৱা নাই। আৰু এটি এনেকুৱা আঙ্গঠি গ্ৰহ হওঁতে হওঁতে বৈ গৈ গ্ৰহকবলয়ত (অতি ক্ষুদ্ৰ গ্ৰহ সমষ্টিত) পৰিণত হৈ সূৰ্য্যক বেষ্টন কৰি আছে। এই গল ক্যাণ্ট কথিত আৰু লাপ্লাস ব্যাখ্যাত নীহাৰীকাবাদৰ মোটামুটি কথা।

আমি ইতিপূৰ্ব্বে কৈ আহিছোঁ যে বৰ তেজী দূৰবীণৰ অভাৱত লাপ্লাচে তেওঁৰ অনুমানৰ সমৰ্থক কোনো প্ৰত্যক্ষ প্ৰমাণ দিবপৰা নাছিল। আকাশত অসংখ্য মেঘৰ নিচিনা ধুৱঁলি কুৱলি কিছুমান পদাৰ্থ দেখা গৈছিল যদিও,



কিন্তু এইটো স্থিৰ নিৰ্ণীত হোৱা নাছিল যে সেইবোৰ তেওঁৰ অনুমিত নীহাবিকা নাতৰ কোনো তাৰকাপুঞ্জ। অৱশেষত স্যাৰ উইলিয়ম হগিন্‌চৰ হাতত বৰ্ণবীক্ষণ যন্ত্ৰই এই বিষয়ে আমাৰ জ্ঞান আশ্চৰ্য্যৰূপে বঢ়াই দিছে। এই যন্ত্ৰৰ সাহায্যত পূৰ্ব্বৰ অনুমান নিঃসন্দেহৰূপে সত্য বুলি প্ৰমাণিত হৈছে,—মেঘৰ নিচিনা পদাৰ্থবোৰ সঁচাকৈয়ে সুবৃহৎ মাৰুতপিণ্ড বা নীহাবিকাপুঞ্জ। তাৰ ওপৰত আকৌ, দূৰবীণেৰে সৈতে ফটোগ্ৰাফিৰ কেমেৰা সংযুক্ত কৰিবৰ ফলত এই আশ্চৰ্য্যতৰ সত্য প্ৰতিষ্ঠিত হৈছে যে এইবোৰ সত্য নীহাবিকাপুঞ্জৰ কিছুমানৰ আকাৰ এনে যে সেইবোৰ দেখিলে সঁচাকৈয়ে মনত পেলায় যে সেইবোৰ আবৰ্ত্তমান্ অৱস্থাত্ আছে আৰু প্ৰকৃততে সেইবোৰৰপৰা আঙ্গঠি-উৎক্ষিপ্ত হৈছে।

এনে নীহাৰীকা ২ সংখ্যক চিত্ৰত সুন্দৰকৈ ব্যক্ত হৈছে। ইয়াৰ কুণ্ডলিত আকাৰ দেখিলেই স্পষ্ট মনত খেলায় যে এই আকাৰ আবৰ্ত্তনগতিৰ ফল। নিম্নাংশত প্ৰদৰ্শিত অংশটি মূল পিণ্ডৰপৰা এবাৰৰ ফালে আহিছে। কাল-ক্ৰমত এই অংশট সম্পূৰ্ণৰূপে ছিগি বা এবাই এটি নতুন তৰাৰ নাই হৈ পাৰিব। এইটি কত সহস্ৰ বা কোটি বছৰত এটি পৈণত তৰা হব পাৰিবগৈ সেইটো আমাৰ জ্ঞানৰ অতীত। আমাৰ পক্ষে এই ফেৰাই যথেষ্ট যে আমাৰ মনে, সেই সুদূৰ ভবিষ্যতত এনে উজ্জ্বলতৰা হবগৈ, এইটি কল্পনাত যে ঠাই দিব পাৰিছোঁ।

বৰ্ত্তমান কালত নীহাবিকা পৰ্য্যবেক্ষণ আৰু জ্যোতিষ্ক আবিষ্কাৰ কাৰ্য্যত ফটোগ্ৰাফিয়ে বৰ সহায়তা কৰিছে। আগেয়ে ছবি তোলাই ফটোগ্ৰাফিৰ দ্বাই কাৰ্য্য আছেল। কোনে জানিছিল যে ই দূৰবীক্ষণৰও এক প্ৰকাৰ অগোচৰ জ্যোতিষ্কৰ অস্তিত্ব নিভূৰ্লৰূপে সপ্ৰমাণ কৰিব পাৰিব? নীহাবি-কাৰ কিছুমান অত্যন্ত বিশিষ্ট গঠন মানুহৰ চকুৱে খুব ভাল দূৰবীণৰ সাহায্যে-ৰেও দেখিবলৈ নাপায়। মানুহে কোনো পদাৰ্থৰ ওপৰত ভালেখিনি সময় চকু নিবদ্ধ ৰাখিব নোৱাৰে, ৰাখিলে চকু অবসন্ন হৈ পৰে, আৰু তেতিয়া দ্ৰষ্টব্য পদাৰ্থটি ক্ৰমে অস্পষ্ট হৈ আছে। কিন্তু ফটোগ্ৰাফৰ খুব সনাৰ শুকফলক কেতিয়াও তেনে অবসন্ন নহয়। ইয়াত প্ৰতি মুহূৰ্ত্তত যি ছাব পৰে সেই ছাব আগৰ মুহূৰ্ত্তৰ ছাবৰ ওপৰত পৰি আৰু ভালকৈ বহে। দূৰবীণত

লগোৱা এটি কেমেৰাৰ ভিতৰত এনে এখন শুকান ফলি আকাশৰ যেই সেই এটা বিন্দুৰ ফালে মুখ কৰি অনায়াসে ধাৰ নিছিগাকৈ অনেক ঘণ্টা খুলি থব পাৰি। তাৰ পিছত তুমি ইচ্ছামতে টুপি দি কোমৰা বন্ধ কৰি দিলা, আকৌ সুবিধামতে পিছৰ কোনো একপৰিষ্কাৰ ৰাতি ঠিক সেই বিন্দুৰ ফালে মুখ কৰি ফলিখন ৰাখিলা; এই দৰে অনেক নিৰ্ম্মল ৰাতি ফলিখনি খুলি থৈ ভালকৈ সেই একেঠাইৰে স্পষ্ট ছবি লব পাৰি। ফলত, ভাল দুৰবীণৰ সহায়তো যি জ্যোতিষ্ক আমাৰ দৃষ্টিগোচৰ নহয়, সেই জ্যোতিষ্ক আৰু তাৰ সকলো আকাৰ প্ৰকাৰৰ বিবৰণ ফটোগ্ৰাফৰ থাৰ্চীৰ ফলিখনিত ফুটি উঠে।

এনেকুৱা জ্যোতিষিক ফটোগ্ৰাফিৰ সাহায্যত যিবোৰ নীহাৰিকাৰ চিত্ৰ পোৱা গৈছে, তাৰ ভিতৰত সপ্তৰ্ষি মণ্ডলৰ আৰু মীনৰাশিৰ নীহাৰিকাত দেখা যায় যে মূল পিণ্ডৰপৰা কিছুমান অংশ ছিটিকি ওলাইছে। ৩ সংখ্যক চিত্ৰত সপ্তৰ্ষিৰ নীহাৰিকা দেখুৱা হৈছে, তাৰ ওপৰৰ বাওঁফালে এটি আৰু সোঁফালে দুটি এই তিনটি ছিগি বেলেগ হোৱা বেছ স্পষ্ট দেখা গৈছে। এই নীহাৰিকাটি ঠিক আমাৰ মূৰৰ ওপৰত দেখা যায়। মীনৰাশিৰ নীহাৰিকাটি আমাৰ দৃষ্টিত অলপ এচুকীয়া ভাবে আছে,– চিত্ৰ ৪।

উত্তৰ ভাদ্ৰপ্ৰদৰ ওচৰীয়া আৰু মীন আৰু কুম্ভ ৰাশিৰ মাজৰ নীহাৰিকাক আমি একতীয়া ভাবে দেখিবলৈ পাওঁ, ( চিত্ৰ ৫ )। ইয়াৰ চিত্ৰ দেখি মনত পৰে যে ওপৰে তলে দুইটি পিণ্ডাংশ মূল পিণ্ডৰপৰা ছিগি তৰাত পৰিণত হবলৈ অনেক আগ বাঢ়িছে।

সপ্তৰ্ষি মণ্ডলৰ ভিতৰত আৰু এযোৰ নীহাৰিকা দেখা যায় ( ৬ সংখ্যক চিত্ৰ, ) তাৰ ভিতৰত তলৰটি একতীয়াকৈ থকা বাবে কুণ্ডলাকৃতি দেখা গৈছে। কিন্তু ওপৰৰটি ইমান একতীয়া যে আমি তাক মাথোন একাষৰপৰা দেখিবলৈ পাওঁ, সেইদেখি সেইটোক এটি জ্যোতিৰ্ম্ময় পদাৰ্থৰ দণ্ডৰ নিচিনা দেখোঁ। এটকা ঘূৰণীয়া ৰূপক সমুখৰপৰা চালে ঠিক ঘূৰণীয়াকে দেখি; তাক অলপ একতীয়াকৈ চালে এটা কণীৰ নিচিনা দেখি, আৰু সেইটিকে একেবাৰে কাষৰ ফালৰপৰা চালে ৰূপৰ পাত যেন দেখি।

চিগনাই (cygni—হংস ) নক্ষত্ৰ মণ্ডলত যি নীহাৰিকা দেখা যায় ( চিত্ৰ ৭ ) তাৰ আকৃতি যেন উঠিবৰ ফালে পাক খাইছে– আৰোহী কুণ্ডলাকৃতি।



ইয়াকি দেখি মনত পৰে যে আৰু কিছুকালৰ পিছত ইয়াৰ আকাৰ আন ৰকম হৈ যাব। ইয়াৰ আকৃতি কিয় যে এনে হল, মানুহৰ বৰ্ত্তমান জ্ঞানে এতিয়াও জানিবপৰা নাই।

৮ম চিত্ৰত প্ৰদৰ্শিত লায়ৰা মণ্ডলৰ (Lyra—বীণা ) নীহাৰিকা চিত্ৰত দেখা যায় যে গোটেই নীহাৰিকাটি এটি নাভিৰ চাৰিউফালে বলয়াকাৰ ধাৰণ কৰিছে—অনেকটো শনিগ্ৰহৰ আবেষ্টক অঙ্গুৰীৰ নিচিনা। কিন্তু দুইবো ভিতৰত প্ৰভেদ এয়ে যে শনিৰ আঙ্গঠীটো সম্ভৱতঃ অপৰিবৰ্ত্তিত অবস্থাত থাকি যাব, আৰু এই নীহাৰিকা সম্ভৱতঃ বিখণ্ডিত হৈ এটি সুকীয়া তৰাত পৰিণত হব। অনুমান হয় যে সোঁফালে দৃষ্ট পদাৰ্থটিৰ দ্বাৰাই এই বিখণ্ডীকৰণ শীঘ্ৰে শীঘ্ৰে সম্পন্ন হব।

৯ম চিত্ৰৰ ডম্বৰু-আকৃতি নীহাৰিকা দেখি বেছ বুজা যায় যে এইটিৰ মাজ ডোখৰ সৰু হৈ আহিছে, আৰু কাষৰে দুটি গোলকৰ আবিৰ্ভাব হৈছে। অনুমান হয় যে মাজ ভাগটি সৰু হৈ গৈ থাকিব আৰু গোলকৰ দুটি ক্ৰমাৎ ডাঙৰ হৈ যাব। এনেকুৱা হৈ হৈ দুইটি গোলকে পৰস্পৰক বেঢ়ি ঘূৰি থাকিব, আৰু এইদৰে ঘূৰি থাকোঁতে থাকোঁতে হঠাৎ এদিন মাজডোখৰ ছিগি যাব আৰু দুইটি গোলক সুকীয়া হৈ পৰিব : কিন্তু সিহঁত দুইবো আদিম আবৰ্ত্তন গতিৰ নিমিত্তে সম্ভৱতঃ সিহঁতে পৰস্পৰক বেঢ়ি ঘূৰিবৰ অভ্যাস এৰিব নোৱাৰিব। তেতিয়া পৰিণামত সেই দুটি নতুন যুগ্ম তৰাৰূপে প্ৰকাশ পাব।

এইবোৰ নীহাৰিকাপুঞ্জৰপৰা যিবোৰ তৰাৰ সৃষ্টি হোৱা দেখা গৈছে, সিহঁতৰ ভিতৰত কিছুমান একেবাৰে ধক্ ধক্ কৰে বগা আৰু কিছুমান অলপ ৰঙা বা ৰঙচুৱা। জ্যোতিষীসকলে অনুমান কৰে যে বগা তৰাবোৰ ৰঙা তৰাতকৈ বেছি তপত। তেওঁলোকে কয় যে বগা তৰাবোৰ সঙ্কোচনৰ বাটত অনেক দূৰ আগ বাঢ়িছে দেখি সিহঁতৰ উত্তাপ খুব বেছিকৈ ফুটি ওলাইছে, সেইদেখি সেইবোৰ ইমান জলজলীয়া। আৰু যিবোৰ তৰা জীৱনৰ বাটত নকৈ আগ বাঢ়িছে, সেইবোৰৰ উত্তাপ এতিয়াও সিমান বেছি হোৱা নাই, সেইদেখি সেইবোৰৰ আভা অল্পাধিক ৰঙা। আৰু যিবোৰ তৰাই জীৱনৰ কাৰ্য্য সমাপন কৰি মৃত্যুৰ ফালে ঢাল লৈছে সেইবোৰৰ

উত্তাপ কমি যোৱাত সিহঁতৰ আভা অল্লাধিক বঙা হৈছে। এডোখৰ স্পঞ্জ পানীত তিয়াই লাহে লাহে চেপিলে তাৰ ভিতৰৰ পানী লাহে লাহে ওলাবলৈ ধৰিব; যিমান বেছিকৈ তাক চেপিবা, সিমান সি কোঁচ খাই যাব আৰু তাৰ পানী ওলাই যাব। সেই দৰে তৰাতও সঙ্কোচনৰ হেচা যত শীঘ্ৰে শীঘ্ৰে পৰিব তাৰ তাপও সিমান বেছি পৰিমাণে ওলাই পৰিব। সঙ্কোচনৰ নিমিত্তে তৰাৰ ওপৰ ফালৰ পৃষ্ঠদেশ যিমান কেন্দ্ৰাভিমুখ হৈ আহি থাকে সিমান সেই ভয়ানক হেচাৰ ফলত প্ৰাকৃতিক নিয়মত উত্তাপ আপোনা-আপুনি উপজাত হৈ পৃষ্ঠভাগলৈ আহে,—সময়ে সময়ে আভ্যন্তৰীণ জ্বলন্ত পদাৰ্থবোৰ অসংখ্য আগ্নেয়-গহ্বৰৰ মুখেদি ভীষণ অগ্ন্যুৎপাতৰ আকাৰে ওলায়। তাৰ পিছত সিহঁত যেতিয়া সঙ্কোচনৰ শেষ সীমা পায়গৈ, তেতিয়া আৰু তাৰপৰা উত্তাপ নোলায়; তেতিয়াৰেপৰা সিহঁত চাৰিউফালৰ আকাশত পৃষ্ঠদেশৰ উত্তাপ বিক্ষিপ্ত কৰি কৰি চেচা হৈ আহে। চেচা হবৰ লগে লগে তাৰ পিঠিৰ ওপৰত সৰ বা চামনি পৰিবলৈ আৰম্ভ কৰে। যি তৰাৰ এনে অৱস্থা হয়, সেই তৰা বুঢ়া হৈ মৰিবৰ ফালে বে আহিছে, সেই কথা কব পাৰি। মৰা তৰাৰ অস্তিত্বৰ বিষয়ে এতিয়া আৰু কোনো সন্দেহ নাই। আলগল বা দৈত্যতৰা নামে এটি তৰা যে নিয়মিতৰূপে পোহৰ আৰু এন্ধাৰ হয়, তাৰ কাৰণ, যে তাৰ লগত এটি মৰা আৰু অদৃশ্য তৰা আছে, আৰু সেইটি উক্ত তৰাৰ চৌদিশে ঘূৰোতে ঘূৰোতে নিৰ্দ্দিষ্ট কালৰ ব্যৱধানত আমাৰ দৃষ্টিৰ আগত পৰেহি। তেতিয়া আলগল তৰাৰ গ্ৰহণ হয়, সেইদেখি আমি সেই গ্ৰহণৰ সময়ত আলগল তৰাৰ পোহৰ দেখিবলৈ নাপাওঁ।

আমি যেনেকৈ নীহাৰিকাৰ বিষয়ে আলোচনা কৰোতে কৰোতে মৰা আৰু মৰিবলৈ যোৱা তৰাৰ বিষয়ে জানিব পাৰিছোঁ সেই দৰে সময়ে সময়ে নীহাৰিকাৰ ভিতৰৰপৰা নকৈ ওপজা তৰাও আমি দেখিবলৈ পাওঁ। ১৯০১ খৃষ্টাব্দৰ ২২ ফেব্ৰুৱাৰি তাৰিখে প্ৰত্যূষতে এনে এটি নকৈ ওপজা তৰা আমাৰ চকুত পৰিছিল। ২৩ তাৰিখৰ ৰাতি ইয়াৰ ভিতৰৰ পোহৰ সূৰ্য্যতকৈও আঠ হাজাৰ গুণ বেছি হৈছিল। তাৰ পিছত অলপদিনৰ পিছতে ই আঁকৌ বঙা হৈ পৰিল; ম্যাহচেৰেক এই দৰে বঙা হৈ থাকি তাৰ পিছত আকাশৰ গভীৰ অন্ধকাৰত লুকাই পৰিল। /



আশ্চৰ্য্য এই যে এই তৰাটোৰ জন্মৰপৰা আৰু এটি জ্যোতিষিক সত্য আবিষ্কৃত হৈছে। এই তৰাৰ জন্মৰ পিছত যিবোৰ ফটোগ্ৰাফ চিত্ৰ লোৱা হৈছে, সেই চিত্ৰবোৰত তাৰ চাৰিউফালে এটি নীহাৰিকাৰ অস্তিত্ব দেখিবলৈ পোৱা গৈছে। কিন্তু এই তৰাৰ ওচৰীয়া আকাশ ইয়াৰ পূৰ্ব্বেও খুব সাৱধানে ফটোগ্ৰাফ কৰা হৈছিল তেতিয়া নীহাৰিকাৰ কোনো চিনেই নাছিল। ইয়াৰপৰা বুজা যায় নীহাৰিকা তাতে আছিল মৃত অৱস্থাত। ই তৰাত পৰিণত হোৱাৰ আগেয়েই কোনো নজনা কাৰণত ইয়াৰ জ্যোতি বিনষ্ট হৈ গল। তাৰ পিছত যেতিয়া সেই নতুন তৰাৰ প্ৰতিফলিত কিৰণ তাত পৰিলগৈ তেতিয়া সি আমাৰ দৃষ্টিগোচৰ হল। নীহাৰিকাও যে মৰিব পাৰে এই দৰে সেইটো নিঃসন্দেহৰূপে প্ৰমাণিত হৈছে।

এই পৃথিবীত আমি নিতৌ দেখিছোঁ, জন্ম আৰু মৃত্যুৰ কেনে খেলা চলিব লাগিছে। অকল জন্মই হৈছে, বা মৃত্যুৰেই হৈছে এনে নহয়, জাত বস্তুৰ কেনেকৈ মৃত্যু হৈছে আৰু মৃত পদাৰ্থৰপৰা যে কেনেকৈ নতুন প্ৰাণীয়ে জন্ম গ্ৰহণ কৰিছে, তাকো আমি নিতৌ দেখি আছোঁ। সেইদৰে জ্যোতিষী সকলেও আকাশত জন্ম মৃত্যুৰ অনন্তলীলা, আমাৰ চকুৰ আগলৈ আনি দি আমাক আশ্চৰ্য্য কৰিছে। আমি তো দেখি আহিলোঁ যে তেওঁলোকে কেনেকৈ সপ্ৰমাণ কৰিছে যে অনন্তগভীৰ আকাশৰপৰা ৰাশি ৰাশি নতুন তৰা অবিশ্ৰাম জন্মগ্ৰহণ কৰিছে, আকৌ অনন্তগভীৰ আকাশত কত শত তৰাই মৃত্যুক আলিঙ্গন কৰি নিজৰ মৃত শৰীৰ বহন কৰি নিজৰ কক্ষপথত এন্ধাৰ মলিন মুখেৰে চলিছে।

ইয়াৰ বাহিৰেও আজিকালিৰ জ্যোতিষীসকলে কয় যে আকাশত নিতৌ মৃত্যুৰপৰা নতুন জীৱনৰ উৎপত্তি প্ৰত্যক্ষ হয়। বৰ্ত্তমান অনেক জ্যোতিষীৰ মত এই যে মৃত বা জীৱিত তৰাবোৰৰ পৰস্পৰ সংঘৰ্ষণত সিহঁতৰ চিতাৰ অগণি স্বৰূপে নীহাৰিকাৰ উৎপত্তি হয়, আকৌ সেই নীহাৰিকাৰপৰাই নতুন তৰাৰ উৎপত্তি হয়। দুখন দ্ৰুতগামী ৰেলগাড়ী বা দুখন মোটৰ গাড়ীৰ খুন্দা লাগিলে কি অৱস্থা হয়? দুইখন খুন্দাৰ তাপত ভাগি পুৰি যায়। প্ৰতি চেকেণ্ডত হাজাৰ হাজাৰ মাইল বেগেৰে যোৱা দুটা তৰা খুন্দা খালে জ্বলি পুৰি যে মাৰুতাকাৰ ধাৰণ কৰে তাক সহজে অনুমান কৰিব পাৰি। সেই নীহাৰিকাৰেণী মাৰুতপিণ্ডই আকৌ নতুন তৰাৰ জন্ম দিয়ে, আৰু সেই নতুন তৰাই নতুন কৰি নতুন জীৱনৰ খেলা খেলে। অনন্ত পুৰুষৰ অনন্ত খেলা। সৌ অনন্ত আকাশত জন্মমৃত্যুৰ খেলা সম্বন্ধে মানুহে যিমানকে নতুন তত্ত্ব আবিষ্কাৰ কৰক,তাৰ পিছতো আৰু কত সত্য অনাবিষ্কৃত হৈ পৰি থাকিব।

ফটোগ্ৰাফীয়ে যেনেকৈ লাপ্লাচৰ নীহাৰিকাৰ অস্তিত্ব সম্বন্ধে অনুমানৰ

সমৰ্থন কৰিছে সেই দৰে উত্তাপ সম্বন্ধে নানা তত্ত্বইও নীহাৰিকাবাদৰ মূল কথাক সমৰ্থন কৰে। সেইবোৰ তত্ত্ব লাপ্লাচৰ সময়ত অজ্ঞাত আছিল। এতিয়া আকৌ ন ন অনুমান জ্যোতিষীসকলৰ মনত খেলাইছে। তেওঁলোকে দেখিছে যে জোৱাৰ ভাটাৰও এটি বিশেষ প্ৰভাৱ আছে, যাৰ বিষয়ে ইতিপূৰ্ব্বে কোনেও কল্পনা কৰা নাই। এইটো নিঃসন্দেহ যে আৰু এক শতিকাৰ পিছত চন্দ্ৰ সূৰ্য্য গ্ৰহ নক্ষত্ৰ সম্বলিত এই ব্ৰহ্মাণ্ডচক্ৰৰ নীহাৰিকাৰপৰা উৎপত্তি বিষয়ে অনুমানটিয়ে অনেক নতুন বেশ পৰিধান কৰি জ্যোতিষীসকলৰ আগত পৰিচিত হব।*

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# অহঙ্কাৰ।

ইমান অহঙ্কাৰ,
তোমাৰ ইমান অহঙ্কাৰ!
দুদিন বাদে জীৱন গলে
সকলো এন্ধাৰ!
তোমাৰ ইমান অহঙ্কাৰ!
সউ যে মহান্ মিলন-ছবি
ইন্দ্ৰধনু অকা,
যুগ-যুগান্তৰ প্ৰণয়-প্ৰহেলিকা,
দীপ্ত তৰা চন্দ্ৰ ৰবি
জ্যোতিৰ্ম্ময় সি থান,
বাজিছে য'ত সপ্তস্বৰৰ গান,
তাৰ ওপৰে জগৎ-কবি
দেৱৰ অধিষ্ঠান,
অনন্ত যাৰ সৃষ্টিলীলা
অনন্ত যাৰ জ্ঞান,
তেওঁৰ মানত তো সকলো সমান!

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

* শ্ৰীযুত ক্ষিতীন্দ্ৰনাথ ঠাকুৰৰ প্ৰবন্ধৰ ভাঙনি। তত্ত্ববোধিনী পত্ৰিকা।



# বাটচৰা।

দেখিছোঁ আজিকালি যাৰে-তাৰে 'সমালোচকৰ' চকিখনত বহিবৰ এক্তিয়াৰ হৈছে। সকলোৰে egual rightsৰ দিনত যেয়ে-সেয়ে তেনে দাবী কৰাটো একো আচৰিত কথা নহয় অৱশ্যে। কিন্তু তেনে আসন অধিকাৰ কৰাজনে সেই আসনৰ গৌৰৱ আৰু মৰ্য্যাদা কিমান দূৰ অটুট ৰাখিব পাৰিছে তাৰ আলচ কৰিবলৈকো নিশ্চয় যাৰে-তাৰে অধিকাৰ আছে। অলপতে শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াৰ নতুন দুখন নাটকৰ সমালোচনা কৰি এজনে বহুত অযথা মন্তব্য প্ৰকাশ কৰিছে। সেই একেজনেই এখন কাকতত লেখিছে "ৰূপহী আৰু চেনেহী * * এই দুজ দুপাহী অসমীয়াগৃহস্থৰ কুলনিবাৰীৰ নহয়। * * মাক, ভনীয়েক আৰু ভাবী স্বামীৰ আগত আৰু বাগ্দত্তা অসমীয়া ছোৱালী নিজে ৰচনা কৰি গান গাবৰ আৰু তেওঁবিলাকৰ লগত হাঁহি তামাছা ঠাট্টা মস্কৰাত যোগ দিবৰ এতিয়াও হোৱা নাই।" 'অসমীয়া' বুলি ইংৰাজ শাসনাধীনৰ দুমাইল এমাইল জুৰি নগৰ বা Town আখ্যা পোৱা ঠাইৰ ভিতৰত দুসাজ ভালকৈ খাবলৈ নোপোৱা সমাজকে সমালোচকে ধৰিছেনে কি তাকেহে বুজিবৰ নগল আৰু বিশেষকৈ "No critic has a right to tell the artist what he ought to do. But that kind of telling is not criticism; it is mere presumption"—Arnold Bennett in his Authors' craft. আকৌ সেই বিশিষ্ট সমালোচকে এঠাইত কৈছে "আসামৰ অতীত গৌৰৱ-কাহিনী নাটৰ আকাৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰা—যাই উদ্দেশ্য লৈ বেজবৰুৱা ডাঙৰীয়াই চক্ৰধ্বজ নাট ৰচিছে; বেজবৰুৱাৰ উদ্দেশ্য মহৎ আৰু শলাগিব লগীয়া, কিন্তু Dramatic effect ভালকৈ develop নোহোৱাত চেষ্টা ফলৱতী হোৱা নাই, অৰ্থাৎ চক্ৰধ্বজ নাটৰ ভাও চোৱা দৰ্শকৰ বুকুত নাটৰ যাই বিষয়টোৰ চিত্ৰ দকৈ বহাকৈ জিলিকি উঠা নাই। সেই বাবেই বুৰঞ্জীৰপৰা 'অসমীয়াৰ অতীত গৌৰৱ-কাহিনী' যিদৰে জানিব পাৰি চক্ৰধ্বজ নাটৰ ভাও চাইও সেই দৰেহে জানিবৰ হব, তাতকৈ অধিক নহয়।" সেই দৰেই 'জয়মতী' নাটকতো গদাধৰৰ গাত কাপুৰুষতাৰ ছাঁ পেলাইছে বুলি সমালোচকে বেজবৰুৱাক দোষাৰোপ কৰিছে। এবাৰ যদি তলত লিখা বিলাতৰ Timesৰ সাহিত্য বিভাগত ওলোৱা কথাখিনি মনোযোগ দি পঢ়িব পাৰিলেহেঁতেন এনেকুৱা কথা তেওঁৰ মুখত কেতিয়াও নোলালহেঁতেন :—

"Most people when they say that a plot is good mean that they enjoy the ingenuity. But we do not enjoy the ingenuity

of the greatest works of art ; we enjoy them altogether without asking ourselves any questions about the plot. ... ... Shakespear and Tolstoy have this power in common that their characters are themselves the moment they begin to talk and act. If a character has been off the stage or out of the story for a while they need no time to quicken him when he returns. *Therefore they can turn without waste of time or power from one scene or one set of characters to another giving us, not a continuous story but as it were a searchlight thrown now on one point now on another of a stream of events.* That is how they construct their plots ; and they do so not because they are clumsy or careless constructors, but because they do not need the economy of feebler artists, who when they have made a character live for us, must keep him before us as long as they can ; who, when they have caught our attention, try to keep it with as little interruption as possible. ... ... Every one says that the interest of a plot ought to increase up to the end, which is true ; but this increase of interest is not necessarily an increase in anxiety, for it is in the best works, interest in the present that increases not in the future ; and *the interest is caused by what has happened, not by what we expect to happen.*

ভাল লব্ধপ্ৰতিষ্ঠ লিখকৰ এই কথা জানিবলৈ একো দৰ্কাৰ নকৰে কিন্তু ই সমালোচকৰ বিচাৰ শক্তিৰ ব্যতিক্ৰম ঘটায়।

It may prevent them from considering plots apart from the works that contain them and from giving so many marks for plots and so many for character, as if they were examiners. *If a critic only cares for stories that set him guessing that it his fault, not the fault of the stories that do not set him guessing.*

The plot is entirely the writers affair ; it is a piece of contrivance by means of which he makes the best of himself, contrivance being necessary to art in this imperfect world. *But being contrivance it succeeds when the reader is not aware of it and greater the artist the less contrivance he will need* ; which no doubt is the reason why the critics so often say that the plots of the greatest works are not good. The critic likes to judge — is his weakness—and he cannot judge contrivance where there is none, or where he does not see it."

ৰম।

## বেলি-ঘৰী।

সময় ঠিক কৰিবলৈ যিমানবোৰ কল আজিলৈকে উলিয়াইছে তাৰ ভিতৰত বেলি-ঘৰীয়েই অতি পুৰণি। সাধাৰণৰ ভিতৰত এই ঘৰীৰ প্ৰচলন নাইকিয়া হল বুলিব লাগে। আজিকালি আমি বিলাতৰ 'গ্ৰীনউইচৰ' ঘৰীৰ মতেহে চলোঁ। কিন্তু এই গ্ৰীনউইচৰ ঘৰী বছৰেকত ৪ দিন হে বেলি-



ঘৰীবে মিল হয়, সদায় ২।১ চেকেণ্ডৰপৰা ১৬ মিনিটলৈকে কম-বেছ হয়। খৃষ্টজন্মৰ ৮০০ বছৰৰ আগেয়ে বেলি-ঘৰী তৈয়াৰ কৰিছিল। ৩০০ খৃষ্টাব্দৰ আগত গ্ৰীক আৰু ৰমানবিলাকৰ ভিতৰত যি বেলি-ঘৰীৰ চলন্তি আছিল তাৰ চিন এতিয়াও আছে। ৬০০ চনত এটা বেলি-ঘৰী দেখি বুজা গৈছিল যে চেক্‌চনবিলাকেও এই বিধৰ সময় নিৰূপণ কৰা যন্ত্ৰৰ ব্যৱহাৰ নজনাকৈ নাছিল। এই ঘৰীটো পিতলৰ আছিল। ঘৰীৰ ওপৰত এডোখৰ কাঁচ লগোৱা আছে। দুপৰীয়া চোকা ৰদ পৰিলে কাঁচৰ ভিতৰেদি গৈ খাৰ ভৰাই ৰখা গাটত জুই লাগে। জুই লাগিলে বৰ টোপ গজি উঠি দুপৰীয়াৰ সময় ঘোষণা কৰে। আসামত বেলি-ঘৰী থকা আমি দুঠাইৰ কথা জানো। শিবসাগৰত ডেপুটি কমিছনৰৰ বঙলাৰ আগত এটা আৰু তেজপুৰৰ কছাৰী ঘৰৰ ওচৰৰ পথাৰত এটা আছে। কিন্তু ইংৰাজৰ স্কুলনিবাৰীত থকা পুৰণি বেলি-ঘৰীৰৰ কাম-কাজ কি চাবা? সেইবোৰৰ গাত নানা বচন কটা আছে; সেই বচনবোৰৰ সৌন্দৰ্য্য অতি বেছি। তলত দিয়া দুটা এটা উদাহৰণৰপৰাই বুজিব পাৰি :—

১। অইন সকলোৰেই বতাহ, বৰষুণ, ধুমুহাৰ কথা কব লাগে; আমি অকল তোমাৰ বেলিয়ে পোহৰ দি দেখুওৱা ঘণ্টাবিলাকক হে আওৰাই যাম।

২। এই ঘৰীয়ে কি কৈছে জানা নে? কৈছে জীৱন অকল এটা ছাঁ মাত্ৰ; মানুহ অকল ধুলি-মাটিৰ—আমি মৰিম —সকলোৱেই মৰিব।

৩। পোহৰ আৰু ছাঁৰে গঢ়া এই জীৱন! তথাপি সূৰ্য্য কিমান ডাঙৰ আৰু ছাঁ কিমান সৰু!

৪। এই ছাঁ—এই পোহৰ; তথাপি সদায় মৰম-চেনেহ কি আচৰিত!

৫। সময় যায়, ফুল মৰে। নতুন দিন নতুন জীৱন নাথাকে—থাকে অকল প্ৰেম!

৬। কি কৈছা—সময় যায়? হায়! সময় থাকে—যাওঁ আমিহে।

৭। উঠা, উঠা—উঠাহে উঠা! চকু মেলি চোৱাঁচোন্ 'বৰ্ত্তমান' যে 'অতীত' হলগৈ!

ৰম।

## জীয়াই থকাৰ খৰচ।

জীয়াই থকাটো যে ইমান খৰচৰ কথা হৈছে, যেয়ে-সেয়ে মৰণক হে বিয়ালেহেঁতেন যদি মৰণলৈ স্বভাৱজাত কুসংস্কাৰ মানুহৰ নাথাকিলহেঁতেন। খোৱাবস্তু-বেহানিৰ বেচ ইমান বাঢ়িছে যে আমি বতাহৰপৰা কোনো আহাৰ উলিয়াই লব লগা পালত পৰিছোঁ। যদি তাকে কৰিব নোৱাৰোঁ তেন্তে কোনো সুন্দৰীৰ প্ৰণয়ত পৰিব লগা হল। প্ৰণয়ত বোলে ভোক-থক হৰে!

দোকানীহঁতে বস্তুৰ দাম বঢ়ালে বুলি দুখন এখন বজাৰত কাজিয়াও হৈছে। দৰাচলতে তো দাম বঢ়াৰ কথা নহয়। কেতিয়াবাবেপৰা দেখোন ই ‘গৰু হবলৈ বিচৰা ভেকুলীৰ দৰেহে আছেই। কেতিয়া ফুটিব সেইহেহে কথা হৈছে—ভেনিটী ফেয়াৰ।

বম।

## বিয়া-হাট।

জীৱনটো এক্ৰকৰৈকে উতলি এই দৰে তলিত চেঁচা পৰি নিজৰি বৈছে গৈ .... তিৰুতাৰ যে কিছু নহয় কিছু বেঁচৰ লগীয়া বা দিব লগীয়া আছে—পিছে কথা হৈছে ইয়াৰপৰা তেওঁলোকৰ প্ৰত্যেকেই কি পায়? এই কথাৰ পৰাই কোনেও নোসোধা বিবাহিতা তিৰুতাই নিজক অতি ধনী বিয়া নকৰোৱা কুমাৰীতকৈও শ্ৰেষ্ঠ বুলি ভাবে; সেইবিলাকৰ একোজনীয়ে নিজে নিজে কয় "মোৰ বেহা কৰিলোঁ। মোক এজনে বাছি ললে!"

প্ৰত্যেকখন বিয়াতে সম্ফল লাভৰ ছাট আছে; সেই দৰে প্ৰত্যেক পতি-পত্নী-ত্যাগৰ দৃষ্টান্ততো যথোচিত কাৰণ থাকে। কোনোৱে সাধু-সন্ততো, ৰাজচক্ৰবৰ্ত্তীৰ লগত থাকিও, লাখ পতিৰে ঘৰ কৰিও সুখেৰে থাকিব নোৱাৰে; কোনোৱে আকৌ দুষ্ট, দিতিঙালি কৰি অনাই-বনাই ফুৰা তিৰুত একোটাইতৰ লগতে অতি সুখেৰে, আনন্দেৰে কালযাপন কৰে তেহেলৈ সেই মূল্যহীন পুৰুষইতক কোনেও কোনো গত্তিতে নথক লাগে বা তাইঁতৰ চুলিত ধৰি শক্তিমন্তসকলে জোকাৰি-পোকাৰি থাকক লাগে—কেথেলীন্ নৰিচ্।

বম।

---

## গদ্য-কবিতা। *

### এজনী বুঢ়ী।

এখন মুকলি পথাৰৰ মাজেদি মই অকলৈ গৈ আছিলোঁ। হঠাৎ মোৰ পাছত লাহে লাহে পৰা ভৰিৰ খোজ শুনিবলৈ পালোঁ·· কোনোবা যেন মোৰ পিছে পিছে আহিছে।

মই চাৰি ওফালে চাই পঠিয়ালোঁ। পুৰণি চিৰলি চিৰলি ফটা কাপোৰেৰে গোটেই গাটো ঢাকি অহা এজনী কুঁজী বুঢ়ীক দেখিবলৈ পালোঁ। তাইৰ গাল সোতোৰাসোতোৰ, নাকটো দীঘল, মুখখন শেতা আৰু এটিও দাঁত নাই।

মই তাইৰ কাষলৈ আগবাঢ়ি গলোঁ......তাই থিয় হৈ ৰল।

তই কোন? তোক কি লাগে? তই মগনিয়াৰনে কি? বুঢ়ীজনীয়ে

* বিখ্যাত ৰুচ লেখক Turgenevৰ Prose Poemsৰ ছাঁ লৈ লিখা।



একোকে নেমাতিলে। মই তাইৰ চকুলৈ চাই পঠিয়ালত দেখিলোঁ যে পোহৰত চকু ঢাকিবলৈ যেনেকৈ কিছুমান চৰাইৰ এখন ছাল থাকে, ঠিক তেনেকুৱা এখন ছালেৰে তাইৰ চকু দুটা ঢকা।

কিন্তু এই বুঢ়ীজনীৰ চকুৰ ছালখন অলপো লৰা নাই। একেবাৰে থিৰ হৈ আছে.........ভাবিলোঁ মানুহজনী কাণী।

মই আকৌ সুধিলোঁ তোক কি লাগে? তই কিয় মোৰ পিছে পিছে আহিছ? তাই আগৰদৰেই মনে মনে থাকিল, মাথোঁ মোৰ ওচৰৰপৰা অলপ আঁতৰি গল।

মই তাইৰ কাষৰপৰা আহি আকৌ আগৰদৰেই বাট বুলিবলৈ ধৰিলোঁ।

আকৌ মই সেই ভৰিৰ খোজবোৰৰ পিছে পিছে শুনিবলৈ পালোঁ...... কোনোবা চোৰৰদৰে মোৰ পিছে পিছে আহিছে।

নিশ্চয় সেই বুঢ়ীজনীয়েই, কিয় তাই মোৰ পিছে পিছে আহিছে? মোৰ মনেৰে তাই বাট হেৰুৱালে আৰু সেই কাৰণে খোজৰ মাত শুনি শুনি কোনোবা গাৱঁৰ মাজত ওলাবলৈ আহিছে।

কিন্তু মোৰ মনত অলপ ভয় লাগিবলৈ ধৰিলে, মই ভাবিলোঁ যে মানুহজনী যে অকল মোৰ পিছে পিছে আহিছে এনে নহয় তাইহে দেখোন মোক বাট দেখুৱাই দিছে আৰু মই আপোনাআপুনি তাই দেখুৱাই দিয়া বাটেদি আগবাঢ়িবলৈ ধৰিছোঁ।

যিহক মই এখোজ দুখোজ কৰি আহিবলৈ ধৰিলোঁ, মোৰ আগত সোঁ থন নৈ আৰু তাৰ পাৰত সোঁ ডোখৰ আন্ধাৰ ভয় লগা ঠাই, সেইখন কি ঠাই......সৰ্ব্বনাশ! এইখন মৰিশালি. অ' মই বুজিলোঁ এতিয়া তাই মোক ইয়ালৈকে আনিছিলে।

মই লৰালৰিকৈ উভতিলোঁ, এইবাৰ ঠিক তাইৰ মুখে মুখে পৰিলোঁ... ...ইকি! তাই চকুৰে দেখে! তাই দেখোন মোলৈ খঙেৰে বাঘে চোৱাৰদৰে একেথৰে চাই আছে......দেখিলেই ভয় লাগে।

মই কেৰাহিকৈ তাইৰ চকুলৈ চালোঁ, তাই আকৌ ছালখনেৰে চকু দুটা ঢাকি পেলালে আৰু আগৰদৰেই কাণী বুঢ়ী হল।

মই এতিয়া বুজিলোঁ, এই বুঢ়ীজনীয়েই মোৰ নিয়তি এই নিয়তিৰ হাতৰপৰা সাৰিবলৈ মানুহৰ কোনো উপায় নাই।

সাৰিবৰ কোনো উপায় নাই: পৰিত্ৰাণ নাই!! বলিয়াৰদৰে এবাৰ চেষ্টা কৰা যাওক।

মই অইন ফালে লৰ মাৰিলোঁ। মই বেগেৰে যাবলৈ ধৰিলোঁ......কিন্তু আকৌ আগৰদৰে মোৰ পিছে পিছে ভৰিৰ খোজ আৰু সমুখত সেই আন্ধাৰ ভয় লগা মৰিশালি।

আৰু এবাৰ অইন ফালে পলালোঁ।...কি হব! পিছত সেই ভৰিৰ খোজ, আগত সেই মৰিশালী!

কি হল, মই যলৈকে পলাবলৈ যাঁও তাতে এনে অৱস্থা, সকলো ঠাইতে একে দশা।

বাৰু এইবাৰ মই ফাকি দিম, আৰু ইয়াকে ভাবি তাতে বহি পৰিলোঁ।

সেই বুঢ়ীজনীও মোৰপৰা ঠিক দুহাত মানৰ আঁতৰতে থিয় হল। মই যদিও তাইৰ ভৰিৰ খোজ শুনা নাই তত্ৰাচ মই বুজিছোঁ তাই মোৰ পিছত থিয় হৈ আছে।

আগত আকৌ সেই আন্ধাৰ ভয় লগা মৰিশালি, ভীষণ মূৰ্ত্তিৰে মোক গ্ৰাসিবলৈ খেদি আহিছে।

হৰি, হৰি! মই কি কৰোঁ, কলৈ যাওঁ! ভয়ত চাৰিওফালে চাবলৈ ধৰিলোঁ।

সেই বুঢ়ীজনীয়ে চকু দুটা তেজ যেন ৰঙা কৰি গোঙোৰা মুখেৰে মোৰ ফালে একে ঠৰে চাই আছে, তাইৰ চকুদুটাৰপৰা যেন জুইৰ ফিৰিঙতিহে ওলাবলৈ ধৰিছে।

সৰ্ব্বনাশ! পলাবৰ ঠাই নাই! সাৰিবৰ উপায় নাই!

নাই ৰক্ষা নাই!

(২)

## চহকী মানুহ।

ধনকুবেৰ ৰথচাইল্ডৰ কথা মই বহুত দিনৰপৰা শুনি আহিছোঁ, তেওঁৰ সেই অগাধ সম্পত্তি দুখীয়াৰ উপকাৰ, দেশত শিক্ষা বিস্তাৰ, জাতীয় উন্নতি ইত্যাদি নানা সৎকাৰ্য্যত তেওঁ অকাতৰে ব্যয় কৰিছে। তেওঁৰ যেতিয়া এইবিলাক পৰহিতকৰ কাৰ্য্যলৈ মন কৰোঁ, মই চাস চিকেয়ে তেতিয়া তেওঁলৈ মনত অসীম শ্ৰদ্ধা আৰু ভক্তিৰ উদ্ৰেক হয়।

কিন্তু সেই বুলিয়েই, সেই দিনাখন সেই দুখীয়া পৰিবাৰৰ কথমপি দুসাজ খাবলৈ পোৱা দুখীয়া খেতিয়কটোৰে মাউৰা ভাগিনীয়েকক নিজৰ ভগা পজাত আশ্ৰয় দিয়া কথাটো মই পাহৰিব নোৱাৰোঁ।

খেতিয়েকৰ ঘৈণীয়েকে ৰংমনে আহি মাক বাপেক নোহোৱা ছোৱালীটোক কোলাত তুলি আথেবেথে দুৱাৰমুখৰপৰা নি ঘৰত থলেগৈ আৰু গিৰিয়েকক কলে এইবাৰৰপৰা আমি আধাপেটীকৈও দুসাজ খাব নোৱাৰোঁ।

খেতিয়েকে হাহিঁমুখেৰে মাত লগালে, একো কথা নাই, আমি এসাজ খায়েই থাকিম। ৰথচাইল্ড এতিয়াও এই দুখীয়া পৰিবাৰৰ বহুত পিছপৰা।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা